www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

যিটো কাম আজিয়েই শেষ কৰিব পাৰা, সেই কাম কাইলৈৰ বাবে পেলাই নথ'বা। - লৰ্ড চেষ্টাৰফিল্ড

প্ৰথম বছৰ | সংখ্যা- ১৯৬ | বুধবাৰ | ২০ মে', ২০২৬ চন | Volume/Year- I | Issue- 196 | Wednesday | 20th May, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page- 8

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ পিছতেই পদক্ষেপ

## এনটিএত ব্যাপক সালসলনি; চাৰিজন জ্যেষ্ঠ বিষয়াক নিযুক্তি




**নিউজ ডেস্ক, অসম বাৰ্তা, ১৯ মে' ঃ** সমগ্ৰ দেশজুৰি নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ বিতৰ্কই তীব্ৰ ৰূপ ধাৰণ কৰাৰ পাছত ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা (এনটিএ)ই নিজৰ সমগ্ৰ ব্যৱস্থাক নতুন ৰূপত শক্তিশালী কৰিবলৈ ডাঙৰ প্ৰশাসনিক আৰু কাৰিকৰী পৰিৱৰ্তনৰ সূচনা কৰিছে। সংস্থাটোৰ ওপৰত ধাৰাবাহিকভাৱে উত্থাপন হোৱা প্ৰশ্ন আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ❑ ৬ পৃষ্ঠাত

অমিত শ্বাহক মুখ্যমন্ত্ৰীৰ সাক্ষাতৰ পিছত স্পষ্ট হ'ব ছবি !

## ১৯ জনীয়া HBS 2.0ৰ মন্ত্ৰী-সভাত জাতি-জনগোষ্ঠীৰ সমীকৰণ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ মে' ঃ** এইবাৰৰ বিধানসভা নিৰ্বাচনত সমুখৰ পৰা নেতৃত্ব দি অভিলেখ সংখ্যক ১০২খন আসন বিজয় কৰি দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হৈছে ড০ হিমন্ত বিশ্ব শৰ্মা। এন ডি এ চৰকাৰৰ হেটট্ৰিক তথা ড০ শৰ্মাৰ পুনৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণৰ পিছত এতিয়া ৰাজনৈতিক মহলত আটাইতকৈ চৰ্চিত বিষয়টো হৈছে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণত কাৰ কপালত মন্ত্ৰিত্ব ফুলিব। ১২ মে'ত মুখ্যমন্ত্ৰীগৰাকীয়ে শপত ❑ ৬ পৃষ্ঠাত

■ জ্যেষ্ঠতাৰ ভিত্তিত ৰাজেদ আলীৰ সম্ভাৱনা; হিন্দু বিধায়ক জয়প্ৰকাশ দাসক লৈও চৰ্চা ■

# বিৰোধী দলপতি পদক লৈ কংগ্ৰেছত দুটা শিবিৰ





**নিউজ ডেস্ক, অসম বাৰ্তা, ১৯ মে' ঃ** বিৰোধী শক্তিৰে মিলি চৰকাৰ গঠন কৰিম বুলি দৃঢ় বিশ্বাসী হৈ থকা কংগ্ৰেছ দলে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত শোচনীয় পৰাজয় বৰণ কৰে। ২০২১ চনৰ নিৰ্বাচনত ২৯ গৰাকী বিধায়ক লাভ কৰা কংগ্ৰেছে এইবাৰ লাভ কৰে মাত্ৰ ১৯ গৰাকী বিধায়ক। এই ১৯জন বিধায়কৰ ভিতৰত ১৮জন সংখ্যালঘু সম্প্ৰদায়ৰ আৰু মাত্ৰ এজন হিন্দু সম্প্ৰদায়ৰ। এনে পৰিস্থিতিত ৰাজ্যৰ পৰৱৰ্তী বিৰোধী দলপতি কোন হ'ব, তাৰ ওপৰত ৰাজনৈতিক মহলত ব্যাপক চৰ্চা চলিছে। এই চৰ্চা কেৱল বিৰোধী শিবিৰতে সীমাবদ্ধ নহয়, শাসকীয় পক্ষৰ মাজতো এই বিষয়টো বিশেষভাৱে গুৰুত্ব লাভ কৰিছে। শাসকীয় পক্ষৰ মতে কংগ্ৰেছ দলটো 'মুছলিম লীগ'ত পৰিণত হৈছে আৰু এইবাৰ বিৰোধী দলপতিও সংখ্যালঘু সম্প্ৰদায়ৰ হ'ব। ইফালে ২১ মে'ৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীত অসম বিধানসভাৰ অধিৱেশন আৰম্ভ হ'বলৈ গৈ আছে। ইয়াৰ পূৰ্বে কংগ্ৰেছে কেবিনেট মৰ্যাদাসম্পন্ন বিৰোধী দলপতিৰ পদত এজন বিধায়কক ❑ ৬ পৃষ্ঠাত

## কৰ্ণাটকত হিজাবৰ অনুমতি দিয়াত ভিএইচপিৰ তীব্ৰ বিৰোধিতা

'তুষ্টিকৰণ ৰাজনীতি আৰু ধৰ্মীয় উগ্ৰবাদক প্ৰসাৰ' - প্ৰতিবাদৰ আহ্বান আঞ্চলিক সম্পাদক শৰণ পাম্পৱেলৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ মে' ঃ** কৰ্ণাটক চৰকাৰে ৰাজ্যৰ বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত ছাত্ৰীসকলক হিজাব পৰিধানৰ অনুমতি প্ৰদান কৰাৰ সিদ্ধান্তৰ বিৰোধিতাত নামি পৰিছে বিশ্ব হিন্দু পৰিষদ (ভিএইচপি)ই। মঙলবাৰে এই সিদ্ধান্তক তীব্ৰ বিৰোধিতা জনায় সংগঠনটোৱে। ❑ ৬ পৃষ্ঠাত

## অসমত ২০-৩০ বছৰলৈ আৰু নাহে কংগ্ৰেছ ঃ পিযুষ হাজৰিকা

'কংগ্ৰেছক ভোট দি লাভ নাই'



**অসম বাৰ্তা, ৰূপহীহাট, ১৯ মে' ঃ** ৰূপহীহাটৰ জুৰীয়াত আজি নগাঁও লোকসভাৰ উপ নিৰ্বাচন সম্পৰ্কে বিজেপি দলৰ এক বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হয়। উক্ত সভাত উপস্থিত থাকে প্ৰাক্তন মন্ত্ৰী তথা জাগীৰোড সমষ্টিৰ বিধায়ক পিযুষ হাজৰিকা। সভাখনত আগন্তুক নগাঁও লোকসভা সমষ্টিৰ উপ নিৰ্বাচনৰ ❑ ৬ পৃষ্ঠাত

## অগ্নিবীৰ, জেচিঅ' আৰু অন্যান্য পদৰ বাবে উমৈহতীয়া প্ৰৱেশ পৰীক্ষাৰ তাৰিখ ঘোষণা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৯ মে' ঃ** ভাৰতীয় সেনাবাহিনীত অহা ২০২৭ নিযুক্তি বৰ্ষৰ বাবে অগ্নিবীৰ, জুনিয়ৰ কমিছনড অফিচাৰ (জেচিঅ') তথা অন্যান্য পদ (অ'আৰ)ৰ ❑ ৬ পৃষ্ঠাত

সভাপতিৰ মইমতালিৰে সাংগঠনিক সিদ্ধান্ত লোৱাৰ অভিযোগ

## পুনৰ বিভাজিত হ'ব নেকি আক্ৰাছু ?

**অসম বাৰ্তা, কোকৰাঝাৰ, ১৯ মে' ঃ** সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ দ্বিপেন গোটত নতুনকৈ আৰম্ভ হোৱা মতানৈক্যই সংগঠনটোত পুনৰ বিভাজনৰ আশংকা হৈছে। কেন্দ্ৰীয় সভাপতি দ্বিপেন ৰায়ে সংগঠনটোৰ কেন্দ্ৰীয় উপদেষ্টা বিষ্ণুজ্যোতি ৰায়ক অব্যাহতি দিয়াৰ পিছতেই আক্ৰাছুৰ দ্বিপেন গোটৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া দেখা দিছে। সংগঠনটোৰ কেন্দ্ৰীয় আৰু জিলা পৰ্যায়ৰ বহু বিষয়ববীয়াই এই সিদ্ধান্তৰ বিৰোধিতা কৰি কোনো আলোচনা অবিহনে সভাপতিৰ মইমতালিৰে সাংগঠনিক সিদ্ধান্ত লোৱা হৈছে বুলি উদ্বেগ প্ৰকাশ কৰিছে। সভাপতিৰ এই সিদ্ধান্তৰ পিছদিনাই কোকৰাঝাৰ জিলাৰ ছালাকাটি আঞ্চলিক আক্ৰাছুৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত কেন্দ্ৰীয় সম্পাদক অৰবিন্দ দাসৰ লগতে কেইবাখনো জিলা সমিতিৰ ❑ ৬ পৃষ্ঠাত

❑ বৈদ্যুতিক তাঁৰসহ এজনক আটক বন বিভাগৰ ❑

## চামগুৰিৰ ৰেকাপাহাৰৰ লেংটেঙত বনৰীয়া হাতীৰ মৃত্যু



**অসম বাৰ্তা, পুৰণিগুদাম, কলিয়াবৰ, ১৯ মে' ঃ** নগাঁও জিলাৰ শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ শালবাৰী উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত ৰেকাপাহাৰ অঞ্চলৰ লেংটেং ২নং বস্তিত যোৱা নিশা এজনী বনৰীয়া মাইকী হাতীৰ মৃতদেহ ৰহস্যজনক অৱস্থাত উদ্ধাৰ ❑ ৬ পৃষ্ঠাত

পেঞ্চন প্ৰক্ৰিয়াকৰণত জবাবদিহিতা নিশ্চিত কৰিবলৈ চৰকাৰৰ কঠোৰ পদক্ষেপ

## নিৰ্ধাৰিত সময়ত পেঞ্চন নিষ্পত্তি নকৰিলে বিষয়াৰ ওপৰত আৰ্থিক জৰিমনা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৯ মে' ঃ** অসম চৰকাৰে পেঞ্চন প্ৰক্ৰিয়াকৰণত জবাবদিহিতা নিশ্চিত কৰিবলৈ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত পেঞ্চন কেছ নিষ্পত্তি নকৰিলে দায়িত্বত ❑ ৬ পৃষ্ঠাত

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সামাজিক মাধ্যমযোগে সদৰি



চাৰিখনকৈ নতুন মুখক সুযোগ

## আফগানিস্তান শৃংখলাৰ বাবে ভাৰতীয় দল ঘোষণা; অধিনায়ক শুভমন গীল




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৯ মে' ঃ** অজিত আগৰকাৰৰ নেতৃত্বত বি চি চি আইৰ জ্যেষ্ঠ পুৰুষ নিৰ্বাচনী সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক গুৱাহাটীত অনুষ্ঠিত হয়। এই বৈঠকতে আফগানিস্তানৰ বিৰুদ্ধে ঘৰুৱা শৃংখলাৰ বাবে ❑ ৬ পৃষ্ঠাত

উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী স্থানীয় ৰাইজৰ

## শ্ৰীৰামপুৰত উৰণীয়া সেতুৰ গাৰ্ডাৰ খহি অঘটন; আহত এজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৯ মে' ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰত সংঘটিত হৈছে এক ভয়াৱক অঘটন। নিৰ্মাণাধীন অৱস্থাতে উৰণীয়া সেতুৰ গাৰ্ডাৰ খহি পৰে। এই ঘটনাত এজন ❑ ৬ পৃষ্ঠাত

■ পশ্চিম এছিয়াৰ যুদ্ধৰ বাবে বিশ্ববজাৰত তেলৰ দাম ■

## পুনৰ বৃদ্ধি পেট্ৰ'ল-ডিজেলৰ দাম; গুৱাহাটীত পেট্ৰ'লৰ দাম ১০২.১১, ডিজেল ৯৩.৪৪ টকা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৯ মে' ঃ** পশ্চিম এছিয়াত অব্যাহত থকা যুদ্ধৰ পৰিণতিতে বিশ্ববজাৰত খাৰুৱা তেলৰ দাম ধাৰাবাহিকভাৱে বৃদ্ধি পাই আহিছে। এই পৰিস্থিতিয়ে দেশৰ ৰাষ্ট্ৰীয় তেল বিপণন কোম্পানীসমূহক তীব্ৰ বিত্তীয় চাপৰ সন্মুখীন কৰাইছে। যাৰ ফলত দেশত পুনৰ পেট্ৰ'ল ❑ ৬ পৃষ্ঠাত



## ৰাহুল গান্ধীৰ প্ৰশ্ন- মোদীজী, আপোনাৰ ব্যক্তিগত অনুৰোধ ৰক্ষা হৈছেনে ?

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৯ মে' ঃ** কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে মঙলবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তীব্ৰ কটাক্ষ কৰি এক সোঁচৰা প্ৰশ্ন উত্থাপন কৰে — 'নৰৱেই আদানি গ্ৰুপক পেঞ্চন ফাণ্ডৰ ক'লা তালিকাৰ পৰা আঁতৰাবলৈ আপোনাৰ ব্যক্তিগত অনুৰোধ মানি লৈছেনে? ' যুক্তিৰাজ্যৰ পূৰ্বতে ❑ ৬ পৃষ্ঠাত

নতুন খচৰা অধিসূচনা অনুসৰি নাগৰিকত্ব পোৱাৰ ১৫ দিনৰ ভিতৰত চৰকাৰক অৰ্পণ কৰিব লাগিব পাছপ'ৰ্ট

## নাগৰিকত্ব নিয়মত কঠোৰতা; পাক-বাং-আফগানৰ পাছপ'ৰ্ট জমা দিয়াটো বাধ্যতামূলক

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৯ মে' ঃ** কেন্দ্ৰীয় চৰকাৰে নাগৰিকত্ব নিয়ম, ২০০৯ৰ প্ৰস্তাৱিত সংশোধনীৰ খচৰা অধিসূচনা জাৰি কৰিছে। নতুন এই নিয়ম অনুসৰি, ভাৰতীয় নাগৰিকত্বৰ বাবে আবেদনকাৰীসকলে এতিয়াৰ পৰা স্পষ্টভাৱে ঘোষণা ❑ ৬ পৃষ্ঠাত






# অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, দেৰগাঁও শাখাৰ উদ্যোগত দেৰগাঁৱত 'আবৃত্তিৰ মহাৰণ' শীৰ্ষক শাখা পৰ্যায়ৰ আবৃত্তি প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, দেৰগাঁও, ১৯ মে' ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ জন্ম শতবৰ্ষ উপলক্ষে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া ''আবৃত্তিৰ মহাৰণ'' শীৰ্ষক প্ৰতিযোগিতাৰ জিলা পৰ্যায়ৰ নিৰ্বাচনৰ বাবে দেৰগাঁও শাখাৰ উদ্যোগত আৰু ইন্দ্ৰাণী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগিতাত ১৭ মে' দেওবাৰে পুৱা ৯ বজাৰ পৰা আবেলি ৪ বজালৈকে মুঠ ৭ (সাতটা) বিভাগত কবিতা আবৃত্তিৰ প্ৰতিযোগিতাখনি অনুষ্ঠিত হৈ যায়। শতাধিক প্ৰতিযোগীৰ লগতে দেৰগাঁৱৰ কেবাগৰাকী বিশিষ্ট ব্যক্তি আৰু শতাধিক আবৃত্তি অনুৰাগীৰ পয়োভৰেৰে জীপাল হোৱা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিৰ আঁত ধৰি অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, দেৰগাঁও শাখাৰ সাধাৰণ সম্পাদক গৌৰৱ বৰুৱাই সমগ্ৰ অনুষ্ঠানটিৰ উদ্দেশ্য আৰু কাৰ্যপন্থাৰ ওপৰত আৰম্ভণিতে বিস্তৃতভাৱে আলোকপাত কৰে। অনুষ্ঠানটিৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন কৰে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, গোলাঘাট জিলাৰ উপসভাপতি তথা যোৰহাট দেৱীচৰণ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধীৰেন তামোলীয়ে। আবৃত্তি প্ৰতিযোগিতাখনি শুভ উদ্বোধন কৰে ইন্দ্ৰাণী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰদীপ বৰাই। প্ৰতিযোগিতা সমূহ আৰম্ভ কৰাৰ আগেয়ে দেৰগাঁৱৰ সমাজ জীৱনৰ লগত জড়িত দুজন সদ্যপ্ৰয়াত শিক্ষাবিদ নীলপদ্ম ফুকন আৰু ৰাজীৱ বৰঠাকুৰৰ বিদেহ আত্মাৰ সদগতিৰ কাৰণে এক মিনিট সময় মৌনতা অৱলম্বন কৰি এটি শোক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। গজালি, কিশলয়, জোনাকী, ৰামধেনু, প্ৰশিক্ষক প্ৰবীণ আৰু মুকলি মুঠ সাতটা শাখাত অনুষ্ঠিত হোৱা আবৃত্তিৰ মহাৰণত 'গঁজালি' শাখাত অনুস্কা বৰা (প্ৰথম), আৰোহী কলিতা (দ্বিতীয়), সৌজন্যা হাজৰিকা, অৰ্পিতা ৰাজখোৱা (তৃতীয়), অভিৰাজ হাজৰিকা, সৌম্যদ্বীপ গৌৰিকে (উদগনি) পুৰস্কাৰ লাভ কৰে। 'কিশলয়' শাখাত শশাংক বৰা(প্ৰথম), প্ৰিয়দৰ্শিনী বৰুৱা (দ্বিতীয়), তন্দ্ৰালী মূৰ্চ্ছনা (তৃতীয়), দীক্ষিতা ফুকন (উদগণি), 'জোনাকী' শাখাত কাব্যশ্ৰী কলিতা (প্ৰথম), অভিলাষা বৰা (দ্বিতীয়), কাব্যশ্ৰী কাশ্যপ (তৃতীয়), ৰিংকী কৰ্মকাৰ, আশিস শৰ্মা (উদগণি), 'মুকলি' শাখাত পিংকি বৰা (প্ৰথম), অংশুমান বৰদলৈ (দ্বিতীয়), ৰুমী দত্ত বৰা (তৃতীয়), দীপিকা হাজৰিকা (বিচাৰকৰ বিশেষ বঁটা) আৰু 'ৰামধেনু' শাখাত অভিলাষা কুণ্ডু (প্ৰথম), 'প্ৰবীণ' শাখাত জীনা নেওগ (প্ৰথম) আৰু 'প্ৰশিক্ষক' শাখাত জয়শ্ৰী মহন্ত (প্ৰথম)ই পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। আবৃত্তিৰ অনুষ্ঠানটিৰ এক বিশেষ আকৰ্ষণ আছিল ষাঠি বছৰ বয়সৰ উৰ্দ্ধৰ কেইবাগৰাকী আবৃত্তিকাৰৰ যোগদান, যাৰ ভিতৰত দীপ মোহন, জীণা নেওগ আৰু ইন্দ্ৰাণী গোস্বামী অন্যতম আছিল। অনুষ্ঠানটিৰ শেষত অনুষ্ঠিত হোৱা বঁটা বিতৰণী অনুষ্ঠানত সভাপতিত্ব কৰে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, দেৰগাও শাখাৰ সভাপতি জ্যোতি কুমাৰী শৰ্মাই। বঁটা বিতৰণী অনুষ্ঠানটিত সুৰেন্দ্ৰ মোহন হাজৰিকা, প্ৰতাপ কন্দলী, প্ৰজ্ঞাসুন্দৰ হাজৰিকা, বন্দনা দত্ত, অনুপম মহন্ত, মিতালী গোস্বামী, গীতাৰ্থী ঠাকুৰ, মৌচুমী ঠাকুৰ, ধ্ৰুৱজ্যোতি বৰা, মৃগাংক বৰপূজাৰী, সূৰুজ বৰা, অমৰ বৰুৱা, বিনায়ক বৰুৱা, দীপ মোহন, বিচিত্ৰ ভূষণ কলিতা, কুমুদ হাজৰিকা, অনাদি বৰঠাকুৰক, প্ৰশান্ত বৰপূজাৰীকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে শাখা পৰ্যায়ৰ প্ৰতিযোগিতাত নিৰ্বাচিত হোৱা প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা আবৃত্তিকাৰসকলে পৰৱৰ্তী সময়ত জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাৰ সৌভাগ্য লাভ কৰিব। আনহাতে প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰা আঠষষ্ঠী বছৰ বয়সীয়া দীপ মহনক প্ৰতিযোগিতাৰ উদ্যোক্তা সকলৰ তৰফৰ পৰা বিশেষ প্ৰশংসাপত্ৰ প্ৰদান কৰাৰ বিষয়ে ঘোষণা কৰে। সকলো স্থানপ্ৰাপ্ত প্ৰতিযোগীকে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদ, দেৰগাঁও শাখাৰ সাধাৰণ সম্পাদক গৌৰৱ বৰুৱাক ৭০০২৪৭৩৯১৫ মোবাইল নম্বৰত পৰৱৰ্তী কাৰ্যসূচীৰ বাবে যোগাযোগ কৰিবলৈ জনাইছে।

## বন্যহস্তীৰ খেদাবলৈ গৈ যুৱক আহত; বিফল বন বিভাগ, আতংকিত ৰাইজ

# চামগুৰিৰ ভৰাগুৰিত বনৰীয়া হাতীৰ উপদ্ৰৱ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৯ মে' ঃ** বনৰীয়া হাতী আৰু মানুহৰ সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰিছে নগাঁও জিলাৰ চামগুৰিত। নগাঁও জিলাৰ শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰি উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত চামগুৰিৰ বিভিন্ন অঞ্চলত বনৰীয়া হাতী আৰু মানুহৰ সংঘাত বহুগুণে বৃদ্ধি পাইছে। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চলত প্ৰৱেশ কৰা বনৰীয়া হাতীৰ এটা দলে আজি কিছুদিন ধৰি চামগুৰিৰ ভৰাগুৰি অঞ্চলত আতংকৰ সৃষ্টি কৰি আহিছে। দুদিন পূৰ্বে চামগুৰিৰ বৰমা, বৌ বজাৰ, পাঘালি, মোৰামাৰী, বাজিয়াগাঁও, সোণাৰিবালি, ৰঙাগড়া আদি অঞ্চলত এটা বনৰীয়া হাতীয়ে প্ৰৱেশ কৰাত ৰাইজ আতংকিত হৈ পৰিছিল। উল্লেখযোগ্য যে, এদিন পূৰ্বে বনৰীয়া হাতীৰ আক্ৰমণত চামগুৰি আৰু বাজিয়াগাঁৱৰ দুজন যুৱকৰ মৃত্যু হৈছিল। আনহাতে, বৃহত্তৰ ভৰাগুৰি অঞ্চলত বনৰীয়া হাতীৰ জাকে উপদ্ৰৱ চলাই ৰাইজৰ নিদ্ৰাহৰণ কৰাৰ লগতে খেতি পথাৰ গচকি-ফেনেকি তহিলং কৰিছে। যোৱা নিশা ভৰাগুৰি গাঁৱত বনৰীয়া হাতীৰ এটা জাকৰ সন্মুখত পৰি ভৰাগুৰি গাঁৱৰ বিকি বৰা নামৰ এজন যুৱক গুৰুতৰভাৱে আহত হয়। জানিব পৰা মতে, যোৱা নিশা ভৰাগুৰি গাঁৱত অনুষ্ঠিত হোৱা ৰঙালী বিহুৰ অনুষ্ঠান উপভোগ কৰি ঘৰলৈ অহাৰ পথত ঘৰৰ ওচৰতে বিকি বৰা আৰু পৰিয়ালৰ লোকে পাঁচজনীয়া বনৰীয়া হাতীৰ এটা জাকৰ সন্মুখত পৰে। অৱশ্যে বন্যহস্তীৰ দলটোৰ আক্ৰমণৰ পৰা পৰিয়ালটো কথমপি ৰক্ষা পৰে। পাছত বিকিয়ে ওচৰ-চুবুৰীয়াৰ লগলাগি বনৰীয়া হাতীৰ জাকটো খেদাবলৈ চেষ্টা কৰা সময়ত হাতীৰ জাকটোৰ এটা হাতীয়ে খেদি অহাত বিকি বৰা নামৰ যুৱকজন পলাবলৈ চেষ্টা কৰোঁতেই পকী পথত পৰি বিকি বৰা গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। হাত-ভৰি আৰু শৰীৰৰ বিভিন্ন অংশত আঘাতপ্ৰাপ্ত যুৱকজনক পৰৱৰ্তী সময়ত ওচৰ-চুবুৰীয়াই নগাঁও অসামৰিক চিকিৎসালয়লৈ নি চিকিৎসা কৰোৱাৰ পাছত তেওঁ বৰ্তমান সুস্থ বুলি জানিব পৰা গৈছে। অৱশ্যে নিশাই আঘাতপ্ৰাপ্ত যুৱকজনে বন বিভাগক খবৰ দিয়ে। স্থানীয় ৰাইজৰ অভিযোগ, বনৰীয়া হাতীয়ে বৃহত্তৰ ভৰাগুৰি, পদুমণি, ডিলকাবস্তি আদি অঞ্চলত বছৰৰ বেছিভাগ সময়েই উপদ্ৰৱ চলাই আহিছে যদিও বন বিভাগ বন্যহস্তী খেদোৱাত বিফল হৈছে। বন বিভাগৰ লোকে বম ফুটাই, গুলী মাৰী বন্যহস্তী খেদোৱাৰ ব্যৱস্থা কৰে যদিও বন্যহস্তীয়ে গাঁও সমূহত উপদ্ৰৱ চলায়েই থাকে। বন্যহস্তীৰ উপদ্ৰৱৰ কাৰণেই বৃহত্তৰ ভৰাগুৰি অঞ্চলৰ ৰাইজে শালি খেতি কৰিবলৈ এৰিছে। তাৰ মাজতে কিছু সংখ্যক লোকে বড়ো ধানৰ খেতি কৰিছে যদিও বড়ো ধানৰ খেতিও বন্যহস্তীয়ে খোৱাৰ লগতে গচকি-ফেনেকি তহিলং কৰিছে। এইক্ষেত্ৰত স্থানীয় ৰাইজে অতি সোনকালে বন বিভাগৰ লগতে জিলা প্ৰশাসনক বনৰীয়া হাতী খেদোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# তিনিচুকীয়াৰ লাইপুলিত বিশেষ শৈক্ষিক সভা, অভিৰোচন আৰু সম্বৰ্দ্ধনা অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ১৯ মে' ঃ** বাণিজ্যিক চহৰ তিনিচুকীয়াৰ সমীপৱৰ্তী লাইপুলিৰ সমন্বয় সমাজ কল্যাণ যুৱ সন্থাৰ ডিমৰুগুৰি সমিতিৰ উদ্যোগত আজি পি এম শ্ৰী ইন্দিৰা গান্ধী উচ্চ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত এখনি বিশেষ শৈক্ষিক সভা, অভিৰোচন আৰু সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। কাৰ্যসূচীৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। বিশিষ্ট লেখক, আইনজ্ঞ ফটিক চন্দ্ৰ নেওগৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত উদ্দেশ্য ব্যাখ্যা কৰে সমন্বয় সমাজ কল্যাণ যুৱ সন্থাৰ ডিমৰুগুৰি সমিতিৰ সভাপতি শীৰ্ষজ্যোতি নেওগে।




সভাত নিৰ্দিষ্ট বক্তা হিচাবে উপস্থিত থাকে কাকপথাৰৰ ডিৰাকস্থিত পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ উপাধ্যক্ষ বিতুৰাজ গোঁহাই। বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে তিনিচুকীয়াৰ জ্যেষ্ঠ সাংবাদিকদ্বয় ক্ৰমে কমল তালুকদাৰ আৰু ৰূপম কাকতি আৰু কৃতী শিক্ষক অমৃত ৰাজখোৱা। এই অনুষ্ঠানতেই চিত্ৰাংকণ প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত শিক্ষাৰ্থী সকলক পুৰস্কাৰ প্ৰদান কৰাৰ লগতে হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থী সকলক সম্বৰ্দ্ধনা জনোৱা হয়।

# সৰুপথাৰৰ প্ৰেছক্লাবৰ উদ্যোগত ছহিদ সাংবাদিক পৰাগ কুমাৰ দাসৰ স্মৃতি দিৱস

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ১৯ মে' ঃ** দেওবাৰে সন্ধিয়া সৰুপথাৰ প্ৰেছ ক্লাবৰ উদ্যোগত ছহিদ সাংবাদিক পৰাগ কুমাৰ দাসৰ স্মৃতি দিৱস অনুষ্ঠানৰ আয়োজন কৰে। সাংবাদিক মণ্টু শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত ছহিহ পৰাগ কুমাৰ দাসৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সৰুপথাৰ অঞ্চলৰ বিশিষ্ট সাহিত্যিক তথা লোক সংস্কৃতিৰ গৱেষক ধৰ্মেশ্বৰ দুৱৰাই। লগতে অনুষ্ঠানটোত উপস্থিত থকা সকলো সংবাদকৰ্মীয়ে সাংবাদিক গৰাকীক শ্ৰদ্ধাঞ্জলি জনাই আৰু তেখেতৰ আত্মাৰ সদ্গতিৰ বাবে সকলোৱে ১মিনিট সময় মৌন প্ৰাৰ্থনা কৰে। পৰৱৰ্তী সময়ত বিশিষ্ট সাহিত্যিক ধৰ্মেশ্বৰ দুৱৰা, সৰুপথাৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্ৰত দত্ত, জেষ্ঠ সাংবাদিক মাকমুদ আলী, সৰুপথাৰ সাংবাদিক সংস্থাৰ সাধাৰণ সম্পাদক বেদান্ত ভাৰ্গৱ বৰা, ধনশিৰি মহকুমা ছাত্ৰ সন্থাৰ সম্পাদক বিকাশ বৰা, ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি অভিজিত চুতীয়া, সম্পাদক ৰক্তিম হাজৰিকা, সৰুপথাৰ চেম্বাৰ্চ অৱ কমাৰ্চৰ সম্পাদক সুমন চৌধুৰী, ধনশিৰি মহকুমা চাহ জনজাতি ছাত্ৰ সন্থাৰ সম্পাদক সোণাৰাম গঞ্জু, সাংবাদিক শিবাশিষ শৰ্মাকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি, বিভিন্ন দল-সংগঠনৰ সদস্যই অনুষ্ঠানটোৰ সন্দৰ্ভত তেওঁলোকৰ বহুমূলীয়া বক্তব্য আগবঢ়াই। অনুষ্ঠানৰ শেষত সৰুপথাৰ প্ৰেছ ক্লাবৰ সভাপতি দ্বিপেন কুমাৰ বৰাই তেওঁৰ মন্তব্য আগবঢ়োৱাৰ লগতে শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠানৰ সামৰণি মাৰে। অনুষ্ঠানটোত সৰুপথাৰ প্ৰেছ ক্লাবৰ সকলো সদস্যকে ধৰি সৰুপথাৰ আৰু বৰপথাৰ অঞ্চলৰ কেইবাগৰাকীও সাংবাদিক, ধনশিৰি মহকুমা ছাত্ৰ সন্থা, চুতীয়া ছাত্ৰ সন্থা, টাই আহোম ছাত্ৰ সন্থা, সৰুপথাৰ আঞ্চলিক ছাত্ৰ সন্থা, ধনশিৰি মহকুমা চাহ জনজাতি ছাত্ৰ সন্থা আৰু চাঁওতালী ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকল উপস্থিত থাকে।

# নকছাৰিত শৈক্ষিক ন্যাসৰ আদৰণীয় পদক্ষেপ; ছাত্ৰ-ছাত্ৰীক বঁটা প্ৰদান

**অসম বাৰ্তা, নকছাৰি, ১৯ মে' ঃ** মৰিয়নি সমজিলাৰ অন্তৰ্গত ১৫নং মৈধ্য নকছাৰি গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত যোৱা ইংৰাজী ১৬মে তাৰিখ শনিবাৰে দিনযোৱা কাৰ্য্যসূচীৰে নকছাৰি শৈক্ষিক ন্যাসৰ উদ্যোগত এক বিশেষ বঁটা প্ৰদান আৰু বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। সভাৰ সভাপতিত্বত কৰে মাধ্যমিক শিক্ষা বৰ্ড, অসমৰ প্ৰাক্তন সচিব তথা অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া কমলজ্যোতি গগৈয়ে। সভাৰ আদৰণি ভাষণৰ লগতে উদ্দেশ্য ব্যাখ্যা প্ৰদান কৰে ন্যাসৰ বিৰস্থাপক ড° পূৰ্ণকান্তবৰুৱাইআৰু মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি সাহিত্যিক শান্তিছায়া শইকীয়াইশিক্ষক আৰু ছাত্ৰ ছাত্ৰী সকলৰ মাজত কেনেধৰণেৰে সম্পৰ্ক গঠন কৰি ছাত্ৰ-ছাত্ৰী সকল শিক্ষাৰ ক্ষেত্ৰখনত আগবাঢ়ি যাব পাৰিব সেই বিষয়ে সুন্দৰ মন্তব্য আগবঢ়াইআৰু এটি কবিতাও আবৃত্তি কৰি সকলোৰে মন আকৰ্ষণ কৰে। বিশিষ্ট অতিথি ৰূপে নকছাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ অলকানন্দ চুতীয়াই মৌজাটোৰ শৈক্ষিক ক্ষেত্ৰখনৰ কিছু ছবি দাঙি ধৰাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ উজ্জ্বল ভৱিষ্যত দিশত বহু পৰামৰ্শ আগবঢ়ায়। সভাৰ মাজতে অনাতাঁৰ শিল্পী চুচিল লাহনে পোহৰী পাতেৰে পৰিবেশন কৰাৰ লগতে শিল্পী মনজিৎ চেতিয়াই বৰগীত গাই সকলোৰে মন আকৰ্ষণ কৰে। উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত নকছাৰি কেন্দ্ৰৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰা মডেল ইংলিছ হাইস্কুলৰ ছাত্ৰী অভিশ্বেতা ধৰক নগদ দহ হাজাৰ টকা দুখন কিতাপ আৰু এটা উপহাৰৰ টোপোলা সমিতিৰ তৰফৰ পৰা আগবঢ়ায়। নকছাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰথম স্থান লাভ কৰা আৰ্থিক ভাৱে দুৰ্বল ঘৰৰ ছাত্ৰ প্ৰজ্ঞান গগৈক ন্যাসৰ তৰফৰ পৰা পদ্মনীল বঁটা প্ৰদান কৰে। এই বঁটাত নগদ দহ হাজাৰ টকা আৰু দুখন কিতাপ আগবঢ়ায়। মৰীদেৱী বেৰীয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী গৌৰাঙী প্ৰিয়া গগৈক 'লাবন্য বৰুৱা' বঁটা প্ৰদান কৰে। এই বঁটাত নগদ পাঁচ হাজাৰ টকা আৰু দুখন মূল্যবান কিতাপ আগবঢ়ায়। অনুষ্ঠানত শিক্ষক প্ৰদীপ কুমাৰ গগৈ, তুলন গগৈ, মিণ্টু দুৱৰা, ৰাজশ্ৰী বৰুৱা, সাৰদা দাস, ৰিমা হাজৰিকা, নীলিমা ভৰালী প্ৰাক্তন শিক্ষক দুলাল চন্দ্ৰ গগৈ, চদিমুল্লা আহমেদ, ক্ষেত্ৰধৰ গগৈৰ লগতেবহুকেইখন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰীয়ে অংশগ্ৰহণ কৰাৰ লগতে প্ৰবীণ লাহন, ঘন লাহন, জিতেন চন্দ্ৰ গগৈ, দিলীপ গগৈ, নৰেন গগৈৰ লগতে বিহুকেইজন সমাজকৰ্মীয়ে অংশগ্ৰহণ কৰে। উপস্থিত সকলোৱে এনে অনুষ্ঠান অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰী সকলক উৎসাহিত কৰাৰ বাবে উদ্যোগক্তা সকলৰ প্ৰশংসা কৰে। শেষত শলাগৰ শৰাই আগবঢ়াই প্ৰাক্তন শিক্ষক জগত মোহন গগৈয়ে।

# ছানৰাইছ ইউথ ক্লাবৰ উদ্যোগত উচ্চতৰ মাধ্যমিক আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা

**অসম বাৰ্তা, কোকৰাঝাৰ, ১৯ মে' ঃ** কোকৰাঝাৰ জিলাৰ অন্তৰ্গত বৃহত্তৰ চক্ৰশীলা অঞ্চলত সফলতা অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ আৰু অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে ছানৰাইছ ইউথ ক্লাবৰ উদ্যোগত এক গাম্ভীৰ্যপূৰ্ণ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। চক্ৰশীলা কমিউনিটী হ'লত আয়োজিত এই অনুষ্ঠানত উচ্চতৰ মাধ্যমিক আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা বহু সংখ্যক ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বাওঁখুংগ্ৰী বিধানসভা সমষ্টিৰ বিধায়ক ৰূপম চন্দ্ৰ ৰায়। তেওঁৰ লগতে উপস্থিত থাকে বিটিচিৰ এমচিএলএ ধনেশ্বৰ গয়াৰী, স্থানীয় গণ্যমান্য ব্যক্তি আৰু অভিভাৱকসকল। ছাত্ৰ-ছাত্ৰীসকলৰ সফলতাত অভিভাৱক আৰু স্থানীয় ৰাইজেও আনন্দ প্ৰকাশ কৰে আৰু ছানৰাইছ ইউথ ক্লাবৰ এনে মহৎ পদক্ষেপক প্ৰশংসা কৰে। উল্লেখযোগ্য যে, বৃহত্তৰ চক্ৰশীলা অঞ্চলত শিক্ষাৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি আৰু যুৱ সমাজক সঠিক পথত আগুৱাই নিয়াৰ উদ্দেশ্যে ছানৰাইছ ইউথ ক্লাবে সময়ে সময়ে বিভিন্ন সামাজিক আৰু শিক্ষামূলক কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। এই সম্বৰ্ধনা অনুষ্ঠানেও তাৰে এক উদাহৰণ বুলি ছানৰাইছ ইউথ ক্লাবৰ সভাপতি সহিদুল ইছলাম আৰু সম্পাদক ফজৰ আলীয়ে জানিবলৈ দিয়ে।

# আমগুৰিত বলেৰ' বাহনসহ গো-ধন জব্দ; আটক তিনি সৰবৰাহকাৰী

**অসম বাৰ্তা, চেলেংহাট, ১৯ মে' ঃ** শিৱসাগৰ জিলাৰ আমগুৰি আৰক্ষী থানাৰ অন্তৰ্গত উত্তৰ ঘৰফলীয়াত গৰুসহ এখন বলেৰ' পিকআপ জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, এএছ-০৪-চিচি-১১২৩ ঔনম্বৰৰ বলেৰ' পিকআপখনে হালোৱাটিং নেপালীবস্তিলৈ সৰবৰাহৰ সময়তে সদৌ টাই আহোম ছাত্ৰ সন্থাৰ বিষয়ববীয়াৰ তৎপৰতাত গৰুভৰ্তি বলেৰ' পিকআপখন আমগুৰি আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হয়। টীয়ক কলিয়াপানীৰ পৰা বৃন্দাবন চাৰিআলি হৈ চামগুৰিৰ মেহগড় আলি পথেৰে হালোৱাটিং নেপালীবস্তীলৈ সৰবৰাহ হোৱা গাড়ীখন বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত সংগঠনৰ বিষয়ববীয়াই আৱদ্ধ কৰি আমগুৰি আৰক্ষীক চমজাই দিয়ে। আমগুৰি আৰক্ষীয়ে ইতিমধ্যে ১০টা পশুধন উদ্ধাৰ কৰি গোশালালৈ প্ৰেৰণ কৰা লগতে গৰু সৰবৰাহৰ লগত জড়িত নেপালিবস্তীৰ হাইদৰ আলি, ইক্ৰামুল হুছেইন আৰু ইমৰাণ আলিক আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে। ইতিমধ্যে গৰু সৰবৰাহৰ ক্ষেত্ৰত আটাছুৱে আমগুৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে।

# প্ৰৱঞ্চনাৰে লাখ লাখ টকা আত্মসাত কৰি বৰপেটাৰ আৰক্ষীৰ জালত কুখ্যাত প্ৰৱঞ্চক ধৰ্মেশ্বৰ ৰয়

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৯ মে' ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন লোকৰ পৰা প্ৰৱঞ্চনাৰে লাখ লাখ টকা আত্মসাত কৰা ধৰ্মেশ্বৰ ৰয় ওৰফে জিতু ৰয় নামৰ এই প্ৰৱঞ্চকটো অৱশেষত বৰপেটা আৰক্ষীৰ জালত পৰিল। বৰপেটাৰ এগৰাকী যুৱতীৰ সতে প্ৰথমে ফেচবুকত চিনাকি হৈ পৰৱৰ্তী সময়ত চাকৰি দিয়াৰ প্ৰলোভনেৰে এই প্ৰৱঞ্চকটোৱে আদায় কৰিছিল দহ লাখতকৈও অধিক টকা। ফেচবুকত কেতিয়াবা বিশিষ্ট ব্যৱসায়ী, কেতিয়াবা ঠিকাদাৰ, কেতিয়াবা অফিচাৰ বুলি প্ৰফাইলত পৰিচয় দি OLX ত গাড়ী বিক্ৰী কৰা, গাড়ী ভাড়া দিয়া, চাকৰি দিয়া আদিৰ প্ৰলোভন দি বহু লোকৰ পৰা ধন আত্মসাত কৰিছিল এই প্ৰৱঞ্চকটোৱে। বৰপেটাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্য আৰু ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শৈলেন কলিতাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে প্ৰৱঞ্চকটোক আটক কৰাৰ পিছত পোহৰলৈ আহিছে বহু তথ্য। প্ৰৱঞ্চকটোৰ বিৰুদ্ধে পানবজাৰ, লতাশিল, পল্টনবজাৰ, চান্দমাৰী, বশিষ্ঠ, দিশপুৰ, নুনমাটিকে আদি কৰি বিভিন্ন থানাত ৰুজু হৈ আছে ২২ টাকৈ ৪২০ ধাৰাৰ গোচৰ। এই প্ৰৱঞ্চকটোৰ জালত পৰি ইতিমধ্যে সৰ্বস্বান্ত হৈছে ৰাজ্যৰ বহুলোক। বৰপেটাৰ আৰক্ষীয়ে প্ৰৱঞ্চকটোৰ বিৰুদ্ধে ১৫৯/২৬ নম্বৰত এটা গোচৰ ৰুজু কৰি ভাৰতীয় ন্যায় সংহিতাৰ আধাৰত ৬১(২), ৩১৯/ ৩১৮/ ৩১৬/ ৩৫৬ ধাৰাৰ অধীনত গ্ৰেপ্তাৰ কৰি ন্যায়ালয়ৰ অনুমতি সাপেক্ষে চাৰিদিনৰ বাবে আৰক্ষীৰ জিম্মাত লৈ সোধাপোছা অব্যাহত ৰাখিছে।

# বিজেপি কৰ্মীৰ ঘৰত আক্ৰমণ দুষ্কৃতিকাৰীৰ

**অসম বাৰ্তা, বিজনী, ১৯ মে' ঃ** চিৰাং জিলাৰ বিজনীৰ অগ্ৰঙত শনিবাৰে মাজনিশা বিজেপিৰ মানাছ ছেৰফাং মণ্ডলৰ সভাপতি বিপুল সৰকাৰ আৰু বিষ্ণুপুৰ ভিচিডিৰ প্ৰাক্তন সভাপতি গদাধৰ দাসৰ ঘৰত আক্ৰমণ কৰে চাৰি-পাঁচজনীয়া এটা দুষ্কৃতিকাৰীৰ দলে। দলটোৱে বিপুল সৰকাৰৰ গাড়ীখনৰ গ্লাছ ভঙাৰ লগতে ঘৰৰ খিৰিকীৰ গ্লাছ ভাঙে। আনহাতে কালি নিশাৰ ভাগতেই কিছু অগা-পিচাকৈ গদাধৰ দাসৰ ঘৰৰ বাৰাণ্ডাত থকা চকী মেজ ভাঙি তহিলং কৰাৰ লগতে খিৰিকীৰ গ্লাছ ভাঙে। নিৰ্বাচন ফলাফলৰ পিছৰ পৰাই বিজনীৰ নৱ নিৰ্বাচিত বিধায়ক অৰূপ কুমাৰ দে'ৰ একাংশ সমৰ্থকে বিভিন্ন ভাবুকি দি অহা বুলি অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী বিজেপি নেতাদ্বয়ে। গতিকে এই আক্ৰমণৰ লগত সেইকেইটা সমৰ্থনকাৰী জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে। ঘটনা সংক্ৰান্তত ভুক্তভোগী বিপুল সৰকাৰ আৰু গদাধৰ দাসে ইতিমধ্যে পাণবাৰী থানাত এজাহাৰ দাখিল কৰি দুষ্কৃতিকাৰী কেইটাক গ্ৰেপ্তাৰ কৰাৰ দাবী উত্থাপন কৰিছে।

# দৈমুখীয়া (ৰ'জবেৰী) চাহ বাগিচাত 'ব'হাগী বিদায়' অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৯ মে' ঃ** অসমৰ বিভিন্ন প্ৰান্তৰ পৰা কৰ্মসূত্ৰে আহি চাহ বাগিচাত বসবাস কৰা কেইজনমান অসমীয়া স্বাভিমানী সাংস্কৃতিক প্ৰেমী ব্যক্তিৰ প্ৰচেষ্টাত দৈমুখীয়া (ৰ'জবেৰী) চাহ বাগিচাত প্ৰতিবছৰে অনুষ্ঠিত কৰি আহিছে 'ব'হাগী উৎসৱ' বা 'ব'হাগী বিদায়' অনুষ্ঠান। অসমীয়া জাতিৰ হিয়াৰ আমঠু এই ব'হাগ বিহু গাঁও অথবা চহৰত পালন কৰাৰ দৰেই চাহ বাগিচাৰ মাজত এইব'হাগ বিহু অনুষ্ঠিত কৰি এক অনন্য ৰূপ দি আহিছে। বিগত বৰ্ষৰ দৰে এইবাৰো দৈমুখীয়া (ৰ'জবেৰী) চাহবাগিচাত অসম চাহকৰ্মচাৰী সংঘৰ বাগিচা গোটৰ উদ্যোগত যোৱা নিশা অতি সুন্দৰকৈ 'ব'হাগী বিদায়' অনুষ্ঠান অনুষ্ঠিত কৰে। বাগিচাখনৰ ষ্টাফ ক্লাবত অনুষ্ঠিত কৰা এই অনুষ্ঠানৰ আৰম্ভণিতে বাগিচাখনৰ সদ্য অৱসৰপ্ৰাপ্ত কৰ্মচাৰী অচিন্ত্য দাসে নৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জনোৱাৰ পাছতে ৰূপাই চাইডিং বিষ্ণু নগৰ নামঘৰৰ বিহু দলে হুঁচৰি পৰিৱেশন কৰে। ইয়াৰ পাছতে ডুমডুমা প্ৰেছ ক্লাবৰ উপ সভাপতি, দ্যা আসাম ট্ৰিবিউন আৰু অসম বাৰ্তা কাকতৰ জ্যেষ্ঠ সাংবাদিক, বিশিষ্ট লেখক, শিক্ষক তথা অভিনেতা অভিজিৎ খাটনিয়াৰে এই 'ব'হাগী বিদায়' অনুষ্ঠানটিত মুখ্য বক্তা হিচাপে উপস্থিত থাকি তিনিচুকীয়া জিলাৰ চাহ বাগিচাসমূহত বসবাস কৰা লোকসকলে ব্ৰিটিছে শাসন কৰা দিনৰেপৰা অসমৰ প্ৰতিটো কলা-সংস্কৃতিক কিদৰে আকোঁৱালি লৈ সংস্কৃতিৰ পথাৰখন চহকী কৰি থৈ গৈছে সেই বিষয়ে বৰ্ণনা আগবঢ়ায়। কিন্তু বৰ্তমান সময়ত বিশেষকৈ তিনিচুকীয়া জিলাখনত থকা চাহ বাগিচা সমূহত এনে সাংস্কৃতিক চৰ্চা সমূহ হ্ৰাস পাই অহাৰ কথা উল্লেখ কৰি তেওঁ দুখ প্ৰকাশ কৰে। উল্লেখযোগ্য যে, এই অনুষ্ঠানৰ মুখ্য ব্যক্তি তথা বাগিচাখনৰ চিকিৎসা বিভাগৰ জ্যেষ্ঠ কৰ্মী হেমন্ত কুমাৰ শ্যামে আঁত ধৰা এই অনুষ্ঠানত উদীয়মান গিটাৰ বাদক নিৰ চেং পাংয়ক শ্যামে জুবিন গাৰ্গৰ এটি গীত গিটাৰত লহৰ তোলাৰ লগতে তনুশ্ৰী বড়াই দুটি গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। ইয়াৰ উপৰিও সঞ্জিনী কাশ্যপে নৃত্য পৰিৱেশন কৰাৰ লগতে বিশিষ্ট সাংস্কৃতিক কৰ্মী সাৰংগ নাথে দুটি কবিতা পাঠ কৰে। আনহাতে নিতু গোৱালা আৰু ইন্দ্ৰজিৎ গোৱালাই ঝুমইৰ আৰু বাগিচাখনৰ ফেক্টৰী মেনেজাৰ সীমান্ত দাস, হেমন্ত কুমাৰ শ্যাম আৰু বৰ্ণালী শ্যামে কবিতা-গীত পৰিৱেশনেৰে অনুষ্ঠানটি জীপাল কৰি তোলে। উল্লেখ্য যে, বিষ্ণু নগৰ বিহু দলৰ বিহুৱা ৰাতুল হাজৰিকাই বাগিচাখনত অনুষ্ঠিত কৰা এনে অনুষ্ঠানৰ শলাগ লৈ দুআষাৰ বক্তব্য আগবঢ়োৱাৰ লগতে এটি গীত পৰিৱেশন কৰে। এই অনুষ্ঠানতে বাগিচাখনৰ জ্যেষ্ঠ পৰিচালক বৈকুণ্ঠ শইকীয়া আৰু তেখেতৰ সহধৰ্মিণী ডলী শইকীয়াক উদ্যোক্তা সকলে একোখনকৈ বিহুৱানেৰে আদৰণি জনায়। অনুষ্ঠানটোত বিশিষ্ট সাংস্কৃতিক কৰ্মী ধৰ্মেন্দ্ৰ বড়া, বাগিচাখনৰ বিষয়া জিন্তু বণিয়া, লালৰাজ সন্ন্যাসী, গগণদীপ সিং আৰু দিপাংকৰ ভট্টাচাৰ্যৰ উপৰিও অসম চাহ কৰ্মচাৰী সংঘৰ বাগিচা গোটৰ সভাপতি ৰাম দীনেশ ৰায় তথা কৰ্মচাৰী মনোজিৎ কাকতি, বিকি বৰুৱা, ইন্দ্ৰজিৎ গোৱালা, আনোৱাৰ খানকে ধৰি বাগিচাখনৰ প্ৰায় শতাধিক কৰ্মচাৰী আৰু তেখেতসকলৰ পৰিয়ালৰ লোক উপস্থিত থাকে।

# অসম মালা পথত তীব্ৰ সন্ত্ৰাস; মৰণ ফাণ্ডলৈ ৰূপান্তৰিত গুৰুত্বপূৰ্ণ দলং

**অসম বাৰ্তা, দলগাঁও, ১৯ মে' ঃ** অসম মালা প্ৰকল্পৰ এটা গুৰুত্বপূৰ্ণ পথত এতিয়া চলিছে যমৰ যাতনা। দলগাঁও আৰু ঢেকীয়াজুলিক সংযোগ কৰা অসম মালা পথৰ কৌপাটী দলংখন বৰ্তমান পৰিণত হৈছে এক মৰণ ফাণ্ডত। যিকোনো মুহূৰ্ততে খহি পৰিব পাৰে দলংখন। চকুৰ সন্মুখত থকা দলংখনৰ ভয়াবহ ৰূপ। যিকোনো মুহূৰ্ততে সংঘটিত হ'ব পাৰে এক ডাঙৰ বিপদ। কাৰণ এই দলংখনৰ মাজৰ অংশ ইতিমধ্যে ফাট মেলিছে আৰু কাষৰ অংশ তললৈ বহি গৈছে। দলগাঁও আৰু ঢেকীয়াজুলিক সংযোগ কৰা 'অসম মালা' পথৰ এইয়া হৈছে কৌপাটী দলং। দৈনিক হাজাৰ হাজাৰ সৰু-বৰ গাড়ী চলাচল কৰে এই দলংখনৰ ওপৰেৰে। ব্যস্ততাপূৰ্ণ এই পথটোৰে ইখনৰ পিছত সিখন গধুৰবাহনো পাৰ হৈ যায়। কিন্তু বৰ্তমান দলংখনৰ যি জৰাজীৰ্ণ অৱস্থা, তাৰ পিছতো প্ৰশাসন বা বিভাগীয় কৰ্তৃপক্ষৰ কোনো কান সাৰ নাই। একপ্ৰকাৰ ভগৱানক ভৰসা কৰিয়েই দৈনিক এই মৰণ ফাণ্ডৰ ওপৰেৰে পাৰ হ'বলগীয়া হৈছে হাজাৰ হাজাৰ যাত্ৰী তথা চালক। স্থানীয় ৰাইজৰ মাজত এতিয়া সৃষ্টি হৈছে তীব্ৰ ক্ষোভ আৰু সন্ত্ৰাসৰ। যিকোনো মুহূৰ্ততে এক বৃহৎ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকাত ভুগিছে সকলো। কোনো ডাঙৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছতহে সাৰ পাবনে গড়কাপ্তানি বিভাগে? নে চকু মেলিব চৰকাৰে? এতিয়া সেয়াই আটাইতকৈ ডাঙৰ প্ৰশ্ন। স্থানীয় ৰাইজে চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত তীব্ৰ দাবী জনাইছে যাতে অতি সোনকালে কৌপাটী দলংখন মেৰামতি কৰা হয়। এতিয়া প্ৰশ্ন হয়, 'অসম মালা'ৰ দৰে অভিলাষী আঁচনিৰ পথত থকা এখন দলঙৰ যদি এই অৱস্থা হয়, তেন্তে সুৰক্ষিত কোন?

**NAME CORRECTION**

Swarn before Notary Public, that in my Bank passbook of Assam Gramin Vikash Bank vide A/C no.-7104010148702, Chenga Branch my name has been wrongly recorded as Dalimi Thakuriya instead of Dalimi Thakuriya Roy. But my actual name is Dalimi Thakuriya Roy, which is recorded in my all relevant papers and documents including in Aadhaar card vide no. 4454 1104 7927, PAN Card vide no. AVDPT6833G and Elector photo Identity Card vide No. CFT0329755. Both Dalimi Thakuriya Roy and Dalimi Thakuriya Roy is the same name and i.e. myself. Applying for correction at the appropriate authority.

Dalimi Thakuriya Roy,
W/O- Jitu Roy,
D/O - Haridharan Thakuriya,
Vill- Saru Chenga,
PO- Chenga , P.S- Tarabari, Dist-Barpeta,
Assam, PIN-781305

AB-70/2026

অৰুণ হাজৰিকা আৰু কৃষক পংকজ বৰুৱাক ‘ৰমণী গাভৰু বঁটাৰে’ সন্মানিত

# শিমলুগুৰি কেন্দুগুৰিত ব’হাগী বিদায় উদ্‌যাপন



**অসমবাৰ্তা, নাজিৰা, ১৯ মে’ ঃ** নাজিৰা সমজিলাৰ শিমলুগুৰি কেন্দুগুৰি আঞ্চলিক দ্বি-বাৰ্ষিক ব’হাগী বিদায় উৎসৱ শুক্ৰবাৰ আৰু শনিবাৰে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। কেন্দুগুৰি আঞ্চলিক ব’হাগী বিদায় উৎসৱ উদ্‌যাপনৰ ২০১০ বৰ্ষৰ সোণালী জয়ন্তী উদযাপন বৰ্ষৰ পৰা আৰম্ভ কৰা ‘ৰমণী গাভৰু বঁটা’এইবাৰ ২০২৬ বৰ্ষত প্ৰদান কৰা হয় অসমৰ জনপ্ৰিয় অভিনেতা তথা নেত্ৰকাই খ্যাত অৰুণ হাজৰিকাক। লগতে ৬৬ সংখ্যক দ্বি-বাৰ্ষিক ব’হাগী বিদায় উদ্‌যাপন সমিতি আৰু ন্যাস সমিতিয়ে ‘প্ৰয়াত বলোৰাম বাইলুং বৰুৱা সোঁৱৰণী কৃষক বঁটা’ প্ৰদান কৰে চৰাইদেউ জিলাৰ সাপেখাতীৰ আদৰ্শবান কৃষক পংকজ বৰুৱাক। যোৱা শনিবাৰে ব’হাগী বিদায় অনুষ্ঠানৰ মুকলি সভাত দুয়োজন ব্যক্তিক উক্ত বঁটা প্ৰদান কৰা হয়। বিগত সময়ত প্ৰয়াত অভিনেতা বিজু ফুকন, সাহিত্যিক ইলা বৰগোহাঁই, সংগীত শিল্পী মানস ৰবীন, উদ্ভাৱক উদ্ধৱ ভৰালী, আই পি এছ সংযুক্তা পৰাশৰৰ দৰে ব্যক্তিলৈ আগবঢ়োৱা হৈছিল ৰমণী গাভৰু বঁটা। ৰমণী গাভৰু বঁটা গ্ৰহণ কৰাৰ লগতে উপস্থিত ৰাইজক অভিনেতা অৰুণ হাজৰিকাই বিহুগীত পৰিৱেশৰ লগতে খুহুতীয়া কথাৰে আমোদ যোগায়। লগতে সংবাদ মাধ্যমৰ আগত ৰাইজৰ মাজলৈ আহিব লগীয়া অসমীয়া বোলছবি জোনাবাই’ক লৈয়ো আশাবাদী বুলি সদৰী কৰে অভিনেতাগৰাকীয়ে।

# বাহনাত ভালুকৰ মুক্ত বিচৰণ

**অসম বাৰ্তা, যোৰহাট, ১৯ মে’ ঃ** আজি দুদিন ধৰি বাহনা অঞ্চলৰ ৰংদৈ দ-গাঁও আৰু গোহাঁই টিকা অঞ্চলত এটা ভালুকে মুক্ত বিচৰণ বুলি স্থানীয় লোক আৰু বন বিভাগৰ পৰা জানিব পৰা গৈছে। বনাঞ্চলিক বিষয়া গুণেশ্বৰ বৰাই যনোৱা মতে প্ৰথমে পশ্চিম যোৰহাটৰ মালৌ পথাৰ অঞ্চলত ভালুকটো মুক্ত বিচৰণ কৰা কোনো লোকে প্ৰত্যক্ষ কৰে। স্থানীয় লোকে বন বিভাগক জনোৱাত বুলি বন বিভাগৰ তহলদাৰী গোটে ভালুক টোৱে যাতে কোনো সন্ত্ৰাস চলাব নোৱাৰে সেই ক্ষেত্ৰত চোকা নজৰ ৰাখিছে। আনহাতে ১৭ মে’ৰ সন্ধিয়া ভালুকটো ৰংদৈ দ-গাঁৱৰ আৰু গোহাঁই টিকা অঞ্চলত বাটৰুৱা ই প্ৰত্যক্ষ কৰিছে বুলি কোৱাত বন বিভাগৰ কৰ্মীয়ে সেই অঞ্চলত পহৰা দি আছে। উল্লেখযোগ্য যে বৰ্তমান বন বিভাগৰ কৰ্মী য়ে ভালুকটো বাহনা অঞ্চলত প্ৰত্যক্ষ কৰা নাই যদিও মাটিত ভালুকৰ খোজ দেখা পাইছে বুলি জনাইছে। ভালুকটো সেই অঞ্চলৰ হাবিত থকাটো নিশ্চিত বুলি ভাবি বন বিভাগে অনুভাষ যন্ত্ৰৰ দ্বাৰা ৰাইজক নিৰাপদ স্থানত থাকিব লৈ সতৰ্কবাণী শুনাইছে বুলি বন বিভাগৰ পৰা জানিব পাৰি।

# অসম সত্ৰ মহাসভাৰ যোৰহাট জিলা সমিতি গঠন

**অসম বাৰ্তা, যোৰহাট, ১৯ মে’ ঃ** ৰাজনৈতিক আৰু সাম্প্ৰদায়িক চিন্তা-স্বাৰ্থ পৰিহাৰ কৰি মহাপুৰুষীয়া পৰম্পৰা ৰক্ষা তথা সৰ্বজনীন শান্তি-সম্প্ৰীতি ৰক্ষাৰ উদ্দেশ্য ১৯১৫ চনতে প্ৰতিষ্ঠা হোৱা অসম সত্ৰ মহাসভাৰ এখন সাধাৰণ সভা ১৭ মে’ ত যোৰহাটৰ ৰজাবাৰীৰ অসম সত্ৰ মহাসভাৰ মুখ্য কাৰ্যালয়ৰ চন্দ্ৰকান্ত মহন্ত প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সাংবিধানিক ভাবে ৬ খলপীয়া গঠন প্ৰণালীৰে গঠিত অসম সত্ৰ মহাসভাৰ যোৰহাট জিলা সমিতি গঠন কৰিবলৈ কেন্দ্ৰীয় সমিতিৰ দ্বাৰা গঠিত আহ্বায়ক সমিতিৰ আহ্বানত অনুষ্ঠিত সাধাৰণ সভাত সভাপতিত্ব কৰে অসম সত্ৰ মহাসভাৰ কাৰ্যকৰী সভাপতি ভৱানন্দ গোস্বামীয়ে। বন্তী প্ৰজ্বলন আৰু ঘোষা পঠেৰে আৰম্ভ কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আহ্বায়ক পৰাগজ্যোতি দত্তই। সত্ৰ মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক প্ৰধান কুসুম কুমাৰ মহন্তই সভাত মহাসভাৰ বিভিন্ন দিশ সম্পৰ্কে বক্তব্য প্ৰদান কৰি যোৰহাট জিলা সমিতি গঠনৰ প্ৰক্ৰিয়াৰ বিষয়ে ব্যাখ্যা কৰে। সাধাৰণ সভাত দেৱেন্দ্ৰ দেৱ গোস্বামীক সভাপতি, দুলাল মহন্তক কাৰ্যকৰী সভাপতি, ৰঞ্জনপ্ৰতিম বৰা, পৱন মহন্ত, শিৱ প্ৰসাদ মহন্ত, ভৈৰৱ মহন্ত, ড° দেৱানন্দ দেৱ গোস্বামীক উপ সভাপতি, অনন্ত দাসক সম্পাদক, দীপাঙ্কৰ মহন্ত, দেৱজ্যোতি নেওগ, অজয় মহন্ত, অশোক কুমাৰ মহন্তক সহকাৰী সম্পাদক, দীপক গোস্বামী, ডিম্বেশ্বৰ বৰা, অনন্ত কুমাৰ মহন্ত, মৃদুপৱন মহন্তক সাংগঠনিক সম্পাদক, ভৰত মহন্তক সাংস্কৃতিক সম্পাদক প্ৰশান্ত হাজৰিকাক সহকাৰী সাংস্কৃতিক সম্পাদক আৰু শৰৎ মহন্ত, ৰাতুল গোস্বামী, শিখা গোস্বামী, পৰী গোস্বামী, জ্বলি দত্তক সদস্যা-সদস্যা ৰূপে লৈ যোৰহাট জিলা সমিতিখন গঠন কৰে।

# মাকুমত আদিবাসী-চাহ জনগোষ্ঠীৰ তিনি সমাজৰ কৃতী ছাত্ৰ-ছাত্ৰী সকললৈ অভিনন্দন

**অসম বাৰ্তা, মাকুম, ১৯ মে’ ঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীসকলক মাকুম অঞ্চলৰ বিভিন্ন দল সংগঠনে ছাত্ৰ-ছাত্ৰীসকলৰ দুগুণ উৎসাহ বৃদ্ধিৰ কাৰণে প্ৰত্যেক বছৰে মাকুম অঞ্চলত অভিনন্দন জ্ঞাপন অনুষ্ঠান অনুষ্ঠিত কৰি ছাত্ৰ- ছাত্ৰী বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰি আহিছে। বিগত বৰ্ষসমূহৰ দৰে এই বৰ্ষতো বিভিন্ন দল সংগঠনে সুকীয়া ভাৱে সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰী সকলক অভিনন্দন জ্ঞাপন কৰিছে। ঠিক তেনেদৰে আজি মাকুমৰ তিনিটাকৈ স্থানত আদিবাসী-চাহ জনগোষ্ঠীৰ তিনিখন সমাজ যেনে কুৰ্মী, গোৱালা আৰু কৰ্মকাৰ-লোহাৰ সমাজৰ কৃতী ছাত্ৰ-ছাত্ৰী সকললৈ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত কৰি বিশেষ ভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অসম গোৱালা জাতি সন্মিলনীৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত আৰু সমূহ আঞ্চলিক সমিতিৰ সহযোগত মাকুম যুগল কিশোৰ কেযান ভৱনত গোৱালা সমাজৰ কৃতী ছাত্ৰ ছাত্ৰী সকললৈ বিগত বৰ্ষৰ দৰে ২০২৫-২৬ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা গোৱালা সমাজৰ কৃতী ছাত্ৰ-ছাত্ৰী সকললৈ এক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। পতাকা উত্তোলন, স্মৃতি তৰ্পণ, প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলিৰে অনুষ্ঠানৰ কাৰ্যসূচীৰে আৰম্ভ হয়। পতাকা উত্তোলন কৰে অসম গোৱালা জাতি সন্মিলন তিনিচুকীয়া জিলা সমিতিৰ সভাপতি চন্দন গোৱালাই, স্মৃতি তৰ্পণ, প্ৰাণৰ শিল্পী জুবিনগাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে অসম গোৱালা জাতি সন্মিলন তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক প্ৰাঞ্জল গোৱালাই। তাৰ পাছতে অনুষ্ঠানলৈ আমন্ত্ৰণ কৰি অনা কেইবাগৰাকী ব্যক্তিৰ সৈতে ছাত্ৰ-ছাত্ৰী সকলে কেৰিয়াৰ সম্পৰ্কীয় এক অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলে অনাগত দিনত কেনেদৰে আগবাঢ়ি যাব লাগিব সেই দিশত বিতংভাৱে অৱগত কৰা হয়। পৰৱৰ্তী মূল কাৰ্যসূচী মুঠ ৪২ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত বিশিষ্ট ব্যক্তি হিচাপে অসম গোৱালা জাতি সন্মিলনীৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মৃদুল গোৱালা প্ৰমুখ্যে কৰি বহু কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। তাৰ সমান্তৰালভাৱে মাকুমস্থিত বনমালি শইকীয়া সাহিত্য সভা ভৱনত তিনিচুকীয়া জিলা কুৰ্মি সমাজ আৰু তিনিচুকীয়া জিলা কুৰ্মি মহিলা পৰিষদৰ যুটীয়া উদ্যোগত ২০২৫-২৬ শিক্ষা বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা, উচ্চতৰ মাধ্যমিক পৰীক্ষা, স্নাতক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা তিনিচুকীয়া জিলা কুৰ্মি সমাজৰ ৬০ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু অসম চৰকাৰৰ বিভিন্ন বিভাগত নিযুক্তি লাভ কৰা ১০ গৰাকী চাকৰিয়ালক অভিনন্দন জ্ঞাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে তিনিচুকীয়া জিলা কুৰ্মি সমাজৰ সভাপতি প্ৰকাশ কুৰ্মিয়ে কুৰ্মি সমাজৰ পতাকা উত্তোলন কৰে আৰু তিনিচুকীয়া জিলা কুৰ্মি সমাজৰ সম্পাদক দেবাৰু কুৰ্মি আৰু তিনিচুকীয়া জিলা কুৰ্মি মহিলা পৰিষদৰ সভানেত্ৰী অৰ্চনা কুৰ্মি আৰু সম্পাদিকা মূলেশ্বৰী কুৰ্মিয়ে স্মৃতি তৰ্পণ কৰে। তিনিচুকীয়া




জিলা কুৰ্মি সমাজৰ সভাপতি প্ৰকাশ কুৰ্মিয়ে পৰিচালনা কৰা অভিনন্দন অনুষ্ঠানত চি.আৰ.চি.চি. সন্তোষ ওঝা, বৰগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক অমৃত ৰাজখোৱা, অসম কুৰ্মি সমাজৰ সাধাৰণ সম্পাদক প্ৰবিন কুৰ্মি, অসম চাহ জনজাতী ছাত্ৰ সন্থা কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য প্ৰাঞ্জল বৰাইক, অসম চাহ জনজাতি ছাত্ৰ সন্থা তিনিচুকীয়া জিলা সমিতিৰ সভাপতি জগত নায়ক, সহকাৰী লোক অভিযোজক মমতা কুৰ্মি, অসম কুৰ্মি মহিলা পৰিষদৰ উপ-সভানেত্ৰী বেলিমাই কুৰ্মি, অসম কুৰ্মি সমাজৰ উপ-সভাপতি যোগেশ্বৰ কুৰ্মি, অসম যুৱ ছাত্ৰ পৰিষদৰ সহকাৰী সম্পাদক ভৱেন কুৰ্মি, অসম চাহ জনজাতী ছাত্ৰ সন্থা মাকুম শাখাৰ সভাপতি ৰবি কুৰ্মি, অসম কুৰ্মি মহিলা পৰিষদৰ সাংগঠনিক সম্পাদিকা দেৱলতা কুৰ্মিয়ে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায়। তিনিচুকীয়া জিলা কুৰ্মি সমাজৰ সহকাৰী সম্পাদক গৌতম কুৰ্মি আৰু তিনিচুকীয়া জিলা কুৰ্মি সমাজৰ শিক্ষা সম্পাদক দুলেশ্বৰ কুৰ্মিয়ে অনুষ্ঠানটিৰ আগ ধৰে। উদীয়মান শিল্পী লীনা কুৰ্মিয়ে সৃষ্টিশীল নৃত্য পৰিৱেশন কৰাৰ লগতে দিব্যজ্যোতি কুৰ্মিয়ে কবিতা আবৃত্তি আৰু স্নিগ্ধা কুৰ্মিয়ে গীত পৰিৱেশন কৰে। সভাৰ অন্তত অভিনন্দন অনুষ্ঠানলৈ বিভিন্ন স্থানৰ পৰা আমন্ত্ৰণ ৰক্ষা কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰি তোলাত সংবাদ মাধ্যমৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰে অসম কুৰ্মি সমাজৰ সাধাৰণ সম্পাদক প্ৰবিন কুৰ্মি আৰু তিনিচুকীয়া জিলা কুৰ্মি সমাজৰ সম্পাদক দেবাৰু কুৰ্মিয়ে। ইপিনে মাকুম বেতজান চাহ বাগিচাৰ জগন্নাথ দক্ষতা বিকাশ আৰু সামূহিক কেন্দ্ৰতো বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সদৌ অসম কৰ্মকাৰ-লোহাৰ সমাজ তিনিচুকীয়া জিলা সমিতি ও মহিলা সমিতিৰ উদ্যোগত তথা সমূহ আঞ্চলিক সমিতি, প্ৰাথমিক প্ৰাথমিক সমিতি আৰু স্থানীয় ৰাইজৰ সহযোগত ২০২৫-২৬ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীলৈ এই বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মাকুম মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মালবিকা ভূঞা ফুকন, সদৌ অসম কৰ্মকাৰ-লোহাৰ সমাজৰ কেন্দ্ৰীয় যুটীয়া সম্পাদক শিৱ কুমাৰ কৰ্মকাৰ, প্ৰচাৰ সম্পাদক মুন্না কৰ্মকাৰ, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি সত্যনাৰায়ণ কৰ্মকাৰ, সম্পাদক জগদেৱ কৰ্মকাৰ, আটুৱা তিনিচুকীয়া জিলাৰ সমিতিৰ কল্যাণী খাড়ীয়া প্ৰমুখ্যে কৰি গণ্য-মান্য ব্যক্তি সকলে। ছাত্ৰ-ছাত্ৰী সকলক ভৱিষ্যত দিনৰ অনুপ্ৰেৰণামূলক ভাষণ প্ৰদান কৰে আমন্ত্ৰিত অতিথি সকলে। কৃতীমান ছাত্ৰ-ছাত্ৰী সকলক গামোচা সহ একোখনিকৈ সম্বৰ্ধনা পত্ৰ প্ৰদান কৰা হয়। আমি আমাৰ সমাজৰ সকলো ছাত্ৰ-ছাত্ৰী সকলক শিক্ষাৰ দিশত আগুৱাই নিবলৈ আমি সকলো ধৰণৰ প্ৰচেষ্টা ইতিমধ্যে হাতত লৈছোঁ বুলি সদৌ অসম কৰ্মকাৰ-লোহাৰ সমাজৰ কেন্দ্ৰীয় যুটীয়া সম্পাদক শিৱ কুমাৰ কৰ্মকাৰ আৰু তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক জগদেৱ কৰ্মকাৰে সংবাদ মাধ্যমৰ আগত মত প্ৰকাশ কৰে।

# সমনীয়াৰ সৈতে বেকী নদীত গা ধুবলৈ গৈ প্ৰাণ হেৰুৱালে কাটাঝাৰ পথাৰৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ শামিম মণ্ডলে

**অসম বাৰ্তা, বৰপেটাৰোড, ১৯ মে’ ঃ** বৰপেটাৰোড আৰক্ষী থানাৰ অন্তৰ্গত কাটাঝাৰত আজি এক মৰ্মান্তিক ঘটনা সংঘটিত হয়। সমনীয়াৰ সৈতে বেকী নদীত গা ধুবলৈ গৈ অকাল মৃত্যুক সাৱটি লয় ষষ্ঠ শ্ৰেণীৰ এজন ছাত্ৰই। মৃত ছাত্ৰজনক স্থানীয় কাটাঝাৰ পথাৰ নিবাসী খাদেম মণ্ডলৰ কনিষ্ঠ পুত্ৰ শামিম মণ্ডল বুলি চিনাক্ত কৰা হৈছে। প্ৰাপ্ত বাতৰি মতে, আজি দিনৰ ভাগত শামিম মণ্ডলে আন কেইবাজনো সমনীয়াৰ সৈতে ঘৰৰ কাষৰে বৈ যোৱা বেকী নদীলৈ গা ধুবলৈ গৈছিল। কিন্তু গা ধুই থকা অৱস্থাতে হঠাৎ গভীৰ পানীত সোমাই পৰে ছাত্ৰজন। সমনীয়াৰ মাজত হাহাকাৰ লাগি পৰাত স্থানীয় ৰাইজ ঘটনাস্থলীত উপস্থিত হয় আৰু উদ্ধাৰ অভিযান আৰম্ভ কৰে। প্ৰায় ৩০ মিনিটৰো অধিক সময় নদীৰ পানীত অভিযান চলোৱাৰ অন্তত শামিমৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ঘটনাৰ খবৰ পাই বৰপেটাৰোড আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয় আৰু মৰোণোত্তৰ পৰীক্ষাৰ বাবে চিকিৎসালয়ত প্ৰেৰণ কৰে। এজন উদীয়মান ছাত্ৰৰ এনে আকস্মিক আৰু কৰুণ মৃত্যুত সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পৰিছে।

# চামগুৰি তিনিআলিত ড্ৰাগছসহ এজনক আটক




**অসম বাৰ্তা, পুৰণিগুদাম, ১৯ মে’ ঃ** নগাঁও জিলাৰ চামগুৰি তিনিআলিত আজি চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই ড্ৰাগছসহ এজন লোকক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী পৰিদৰ্শক অৰূপ পাঠকৰ নেতৃত্বত এটা আৰক্ষীৰ দলে আজি এক গোপন খবৰৰ ভিত্তিত চামগুৰি তিনিআলিত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। পৰৱৰ্তী সময়ত আৰক্ষীৰ দলটোৱে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই থকাৰ সময়ত বৰমা অঞ্চলৰ দিশৰ পৰা ড্ৰাগছ ক্ৰয় কৰি আনি থকা অৱস্থাত চামগুৰি তিনিআলিত কুঠৰী অঞ্চলৰ নিবাসী বাবুলউদ্দিন নামৰ ড্ৰাগছ সৰবৰাহকাৰীজনক আটক কৰাৰ লগতে ৮টা ড্ৰাগছ ভৰ্তি কণ্টেনাৰ জব্দ কৰে। আৰক্ষীয়ে আজি আটক কৰা ড্ৰাগছ সৰবৰাহকাৰী জনক আৰু অধিক তথ্যৰ বাবে চামগুৰি আৰক্ষী থানাত জেৰা অব্যাহত ৰাখিছে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।

# নাহৰকটীয়াৰ ৰে’লৱে কলনিত চোৰৰ দপদপনি

**অসম বাৰ্তা, নাহৰকটীয়া, ১৯ মে’ ঃ** যোৱা কিছুদিনৰ পৰা চুৰৰ ৰম্যভূমিত পৰিণত হৈছে নাহৰকটীয়া। কিছুদিন পূৰ্বে নাহৰকটীয়া বিভিন্ন অঞ্চলৰ পৰা চুৰে ধাৰাবাহিক অভিযান চলাই কেইবাটাও ঘৰৰ পৰা লুটি নিছিল দৈনিক ব্যৱহাৰ্য মূল্যৱান সামগ্ৰী। নাহৰকটীয়া আৰক্ষীয়ে ক্ষিপ্ৰতাৰে তালাচি চলাই ন টাকৈ গভাইট চুৰক গ্ৰেপ্তাৰ কৰি জেল হাজুতলৈ প্ৰেৰণ কৰিছে। যোৱা এসপ্তাহৰ ভিতৰতে নাহৰকটীয়া ৰে’লৱে কলনিৰ প্ৰায় পাঁচটা ঘৰৰপৰা অত্যাৱশ্যকীয় সা- সামগ্ৰী চুৰি কৰে। উল্লেখযোগ্য যে নাহৰকটীয়া ৰে’লৱে কলনিৰ শচীন কুমাৰ শ্বাহ, নিপেন সোণোৱাল, মাহাত্মা শ্বাহ, উমেশ দাস আৰু জনৈক আহমেদ নামৰ ব্যক্তি কেইজনৰ ঘৰৰ পৰা গেছ চিলিণ্ডাৰ, ম’বাইলকে ধৰি অত্যাধুনিক সামগ্ৰী চুৰি কৰি উধাও হয় ধুৰন্দৰ চুৰ কেইটা। নাহৰকটীয়া আৰক্ষীৰ তৎপৰতাত চুৰৰ বৃহৎ দল এটাক গ্ৰেপ্তাৰ কৰে যদিও চুৰি কাৰ্যৰ লগত জড়িত গভাইত চুৰ এতিয়াও নাহৰকটীয়াত তিঘিলঘিলাই আছে বুলি সন্দেহ প্ৰকাশ কৰিছে একাংশই। চুৰৰ দপদপনি নাহৰকটীয়াত কেতিয়া অন্ত পৰিব সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ’ব।

জনজাতীয় সমাজৰ শেষৰ গৰাকী সদস্য পৰ্য্যন্ত চৰকাৰী আঁচনিসমূহৰ উপলব্ধতা নিশ্চিত কৰাৰ বিশেষ পদক্ষেপ

# দৰং জিলাত কেন্দ্ৰীয় চৰকাৰৰ ‘জন ভাগিদাৰী, সবসে দূৰ, সবসে পহেলে’ অভিযানৰ জিলা পৰ্যায়ৰ আনুষ্ঠানিক শুভাৰম্ভণি

**অসম বাৰ্তা, দেওমৰনৈ, ১৯ মে’ ঃ** ভাৰত চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত আজিৰে পৰা সপ্তাহজোৰা কৈ আৰম্ভ হোৱা বিশেষ অভিযান “জন ভাগিদাৰী, সবসে দূৰ, সবসে পহেলে”ৰ সৈতে সামঞ্জস্যতা ৰক্ষা কৰি আজি ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে দৰং জিলাতো উক্ত অভিযানৰ জিলা পৰ্যায়ৰ শুভাৰম্ভনি অনুষ্ঠান আজি অনুষ্ঠিত হৈ যায়। দেশৰ সামগ্ৰিক আৰু অন্তৰ্ভুক্তিমূলক উন্নয়নৰ ধাৰাক সমাজৰ অন্তিম স্তৰলৈকে লৈ যোৱাৰ লক্ষ্যৰে ভাৰত চৰকাৰে এই চলিত ২০২৬ বৰ্ষত আৰম্ভ কৰা “জন ভাগীদাৰী — সবসে দূৰ, সবসে পহেলে” শীৰ্ষক এই দেশজোৰা IEC (অৰ্থাৎ তথ্য-শিক্ষা-যোগাযোগ) আৰু হিতাধিকাৰী পূৰ্ণতা অভিযান আৰম্ভ কৰি বিশেষকৈ জনজাতীয় সমাজক চৰকাৰী আঁচনি আৰু কল্যাণমূলক সুবিধাসমূহৰ সৈতে অধিক ফলপ্ৰসূভাৱে সংযোগ স্থাপন কৰাৰ উদ্দেশ্য তৎপৰ হৈ উঠিছে। ভাৰত চৰকাৰৰ জনজাতি বিষয়ক মন্ত্ৰালয়ৰ উদ্যোগত ৰূপায়িত এই বিশেষ অভিযানৰ অংশ হিচাপে আজি দৰং জিলাত জিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ সভাকক্ষত জিলা আয়ুক্ত আয়ুষী জৈনৰ সভাপতিত্ব অনুষ্ঠিত হোৱা এই জিলা পৰ্যায়ৰ শুভাৰম্ভণি অনুষ্ঠানৰ সঞ্চালন কৰে জিলা উন্নয়ন আয়ুক্ত দেৱজিৎ বৰুৱাই। জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়া কৰৱী শইকীয়া কৰণ, অতিৰিক্ত আয়ুক্তসকল, সংশি-ষ্ট বিভাগীয় মুৰব্বী, ৰাজহ চক্ৰ বিষয়া, খণ্ড উন্নয়ন বিষয়াকে ধৰি অন্যান্য সংশ্লিষ্ট সকলৰ উপস্থিতিত জিলা আয়ুক্ত গৰাকীয়ে “জন ভাগীদাৰী - সবসে দূৰ, সবসে পহেলে” অভিযানৰ মূল উদ্দেশ্য সম্পৰ্কে সকলোকে অৱগত কৰে আৰু সংশ্লিষ্ট বিভাগসমূহে পালন কৰিবলগীয়া দায়িত্ব সম্পৰ্কে আলোচনা কৰে আৰু এই অভিযান ৰূপায়ণৰ প্ৰস্তুতি ও পৰিকল্পনা সম্পৰ্কে বুজ লয়। এই অভিযান আজিৰে পৰা অৰ্থাৎ ১৮ মে’ৰ পৰা ২৫ মে’লৈকে জিলাখনৰ বিভিন্ন জনজাতীয় অধ্যুষিত অঞ্চলত অব্যাহত থাকিব। এই অভিযানৰ অধীনত গুৰুত্বপূৰ্ন চৰকাৰী আঁচনি সমূহৰ উপলদ্ধতা নিশ্চিতৰ যোগেদি স্বাস্থ্য, শিক্ষা, পুষ্টি, সামাজিক সুৰক্ষা, বিশুদ্ধ খোৱাপানী, জীৱিকা সৃষ্টিৰ সুযোগ, যোগাযোগ ব্যৱস্থা আদি মৌলিক সুবিধাসমূহ জনজাতীয় গাঁওসমূহত অধিক সুনিশ্চিত কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। লগতে দূৰৱৰ্তী আৰু পিছপৰা অঞ্চলত বসবাস কৰা যোগ্য হিতাধিকাৰীসকল যাতে কোনো চৰকাৰী আঁচনিৰ সুবিধাৰ পৰা বঞ্চিত নহয়, তাৰ বাবে ব্যাপক গণসচেতনতা, ক্ষেত্ৰ পৰ্যায়ৰ সংযোগ আৰু হিতাধিকাৰী পূৰ্ণতা কাৰ্যসূচী ৰূপায়ণ কৰা হ’ব। আজিৰ শুভাৰম্ভনি অনুষ্ঠানৰ পাছৰে পৰা অৰ্থাৎ ১৯ তাৰিখৰ পৰা বিভিন্ন বিভাগৰ তৰফৰ পৰা উন্নয়ন খণ্ড সমূহত সজাগতা অভিযান, অস্থায়ী আধাৰ কেন্দ্ৰৰ সেৱা, স্বাস্থ্য শিবিৰকে ধৰি বহুতো বিশেষ অভিযান আৰু শেষৰ দিনা অৰ্থাৎ ২৫ মে’ তাৰিখে সমগ্ৰ অভিযানৰ এক পৰ্যালোচনাৰ লগতে জিলা আয়ুক্তৰ সংবাদ মেল সম্বোধনেৰে এই অভিযানৰ অন্ত পৰিব। এই অভিযানৰ এক অন্যতম গুৰুত্বপূৰ্ণ দিশ হৈছে ৰাজহুৱা শুনানিৰ ব্যৱস্থা। এই ৰাজহুৱা শুনানি অনুষ্ঠানত জনসাধাৰণে চৰকাৰী সেৱা, সমস্যা আৰু সুবিধাসমূহ সম্পৰ্কে প্ৰত্যক্ষভাৱে মতামত আৰু অভিযোগ উপস্থাপন কৰাৰ সুযোগ লাভ কৰিব। অনুষ্ঠানৰ শেষত জিলা আয়ুক্তই সংশ্লিষ্ট সকলো বিভাগৰ পৰা এই অভিযান প্ৰকৃত ৰূপত সফল কৰি তুলিবলৈ পূৰ্ণ সহযোগিতাৰ আহবান কৰে আৰু সপ্তাহজোৰা অভিযান অন্ত পৰাৰ পাছতো জনজাতীয় ৰাইজৰ ওচৰলৈ চৰকাৰী আঁচনি সমূহ লৈ যোৱাটো সুনিশ্চিত কৰাৰ ধাৰা অব্যাহত ৰখাৰ পোষকতা কৰে। উল্লেখ্য যে আজিৰ এই শুভাৰম্ভনি অনুষ্ঠানত জিলাখনৰ জনজাতীয় গোট সমূহৰ প্ৰতিনিধি সকলো উপস্থিত থাকে।

# গোসাঁইগাঁৱৰ কচুগাঁৱত ধুমুহাৰ তাণ্ডৱ; ক্ষতিগ্ৰস্ত এলেকা পৰিদৰ্শন বিধায়ক ৰবিৰাম নাৰ্জাৰীৰ, তৎকালীন সাহায্যৰ আশ্বাস

**অসম বাৰ্তা, গোসাঁইগাঁও, ১৯ মে’ ঃ** দেওবাৰে সন্ধিয়া অহা এজাক প্ৰবল ধুমুহাই গোসাঁইগাঁও মহকুমাৰ বিভিন্ন অঞ্চলত ব্যাপক ক্ষতি সাধন কৰে। ৰাজ্যৰ আন প্ৰান্তসমূহৰ লগতে গোসাঁইগাঁৱৰ কচুগাঁও অঞ্চলতো ধুমুহাৰ তাণ্ডৱত বহু পৰিয়াল ক্ষতিগ্ৰস্ত হয়। হঠাৎ অহা জেঠ মাহৰ কালধুমুহাই গছ-গছনি উপৰাই নিয়াৰ লগতে বহু লোকৰ ঘৰ-দুৱাৰ ভাঙি পেলায়। ধুমুহাৰ ফলত বিদ্যুৎৰ খুঁটা আৰু তাঁৰ ছিঙি পৰাত বহু অঞ্চল অন্ধকাৰত ডুব যায়। ধুমুহাত ক্ষতিগ্ৰস্ত অঞ্চলসমূহ সোমবাৰে পৰিদৰ্শন কৰে গোসাঁইগাঁও সমষ্টিৰ বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে। তেওঁ কচুগাঁও অঞ্চলত উপস্থিত হৈ ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সৈতে কথা পাতে আৰু পৰিস্থিতিৰ বুজ লয়। লগতে ক্ষতিগ্ৰস্ত লোকসকলক তৎকালীনভাৱে সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। ইফালে ধুমুহাত আৰ্থিকভাৱে সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হয় এক নম্বৰ চেকাদানী গাঁৱৰ এজন যুৱ উদ্যোগপতি। গুণেশ্বৰ নাৰ্জাৰী নামৰ যুৱকজনে বেংকৰ পৰা দুই লাখ টকা ঋণ লৈ প্ৰায় চাৰি লাখ টকা ব্যয় কৰি এটা ব্ৰইলাৰ ফাৰ্ম স্থাপন কৰিছিল। ফাৰ্মখনত প্ৰায় ২০০৪টা ব্ৰইলাৰ কুকুৰা আছিল। কিন্তু দেওবাৰে সন্ধিয়াৰ ধুমুহাই মুহূৰ্ততে ফাৰ্মখন উৰুৱাই নিয়ে আৰু ব্যাপক ক্ষতি সাধন হয়। ধুমুহাৰ ফলত ফাৰ্মখনত থকা সকলো ব্ৰইলাৰ কুকুৰাৰ মৃত্যু হোৱাৰ লগতে আন বহু সামগ্ৰীও নষ্ট হয়। এই ঘটনাত গুণেশ্বৰ নাৰ্জাৰীৰ প্ৰায় চাৰি লাখ টকাৰ লোকচান হোৱা বুলি জানিব পৰা গৈছে। আকস্মিক এই বিপৰ্যয়ত হতাশাগ্ৰস্ত হৈপৰিছেপৰিয়ালটোৱে। স্থানীয় ৰাইজে চৰকাৰক ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে শীঘ্ৰে উপযুক্ত ক্ষতিপূৰণ আৰু সাহায্যৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনায়।

অৱসৰী চৰকাৰী বিষয়া তথা সংস্থাৰ আহ্বায়িকা বিভা দত্তক সম্বৰ্ধনা জ্ঞাপন

# নলবাৰীত একতাৰ এনাজৰী গ্ৰুপ পৰিয়ালৰ আদৰণীয় পদক্ষেপ

**অসম বাৰ্তা, নলবাৰী, ১৯ মে’ ঃ** নলবাৰীৰ পৰা সমগ্ৰ অসমৰ বিভিন্ন প্ৰান্তৰ লোকসকলৰ সামাজিক মাধ্যমৰে গঠণমূলক চিন্তা-চৰ্চাৰে জন্ম হোৱা এটা সংস্থা একতাৰ এনাজৰী মঞ্চ। আজি একতাৰ এনাজৰী মঞ্চৰ আহ্বায়ীকা বিভা দত্তৰ বাসগৃহলৈ সংস্থাৰ নলবাৰীৰ সদস্য সকল গৈ সম্বোৰ্ধনা জ্ঞাপন কাৰ্যসূচী এটা অনুষ্ঠিত কৰে। বিভা দত্ত যোৱা মাৰ্চ মাহৰ ৩১ তাৰিখে তেখেতৰ চাকৰি জীৱনৰ পৰাই অৱসৰ লৈছে। সেয়ে হে একতাৰ এনাজৰী মঞ্চৰ ফালৰ পৰাই তেখেতৰ কাজিপাৰাৰ বাসভৱনত গৈ সম্বৰ্ধনা এটা দি এক সুন্দৰ অনুষ্ঠান অনুষ্ঠিত কৰে। অনুষ্ঠানত একতাৰ এনাজৰী মঞ্চৰ মুখ্য আহ্বায়ক নৰেন ৰাজবংশী দিনেশ দাস, শেৱালি দাস, দ্বিজেন শৰ্মা, দিগম্বৰ বৰ্মন, হেমন্ত কুমাৰ বৰ্মন আহ্বায়ক সঞ্জয় দাস, সমন্বয়ক অৱন্তিকা দেৱী উপস্থিত থাকে।

গোলাঘাটৰ প্ৰবীণ সাংবাদিক দ্বীপেন দত্তক বিশেষ সম্বৰ্ধনা সদৌ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ

# শ্বহীদ সাংবাদিক পৰাগ কুমাৰ দাসৰ মৃত্যু বাৰ্ষিকী

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, গোলাঘাট, ১৯ মে’ ঃ** আজি গোলাঘাটত সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উদ্যোগত স্বহীদ পৰাগ কুমাৰ দাসৰ মৃত্যু বাৰ্ষিকী উপলক্ষে এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। শ্বহীদ সাংবাদিক পৰাগ কুমাৰ দাসৰ আদৰ্শক স্মৰণ কৰি সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে গোলাঘাটত আয়োজন কৰে এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান। এই অনুষ্ঠানত গোলাঘাটৰ প্ৰবীণ সাংবাদিক দ্বীপেন দত্তক ফুলাম গামোচা আৰু সম্বৰ্ধনা পত্ৰৰে সন্মান জনোৱা হয়। অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ



সম্পাদক নিপন গগৈ, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়া, সাংবাদিক মোস্তাক হুছেইন, সাংবাদিক পংকজ হাজৰিকা, সংগঠনটোৰ তথ্য আৰু প্ৰচাৰ সম্পাদক দেৱজিৎ বুঢ়াগোহাঁই, সাংবাদিক অভিজিৎ দুৱৰা, গোলাঘাট জিলা সমিতিৰ সভাপতি মাধুৰ্য দাস, সম্পাদক পৃথ্বীৰ নেওগ, সাংবাদিক চন্দন কৰ্মকাৰকে ধৰি বহু কেইজন বিশিষ্ট ব্যক্তি আৰু সংগঠনটোৰ বিষয়ববীয়াসকল।

## সম্পাদকীয়

# হিজাব অনুমতিৰ সিদ্ধান্তৰ বিৰোধিতাত ভিএইচপি

**ক**ৰ্ণাটক চৰকাৰে ৰাজ্যৰ বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত ছাত্ৰীসকলক হিজাব পৰিধানৰ অনুমতি প্ৰদান কৰাৰ সিদ্ধান্তক লৈ ন-কৈ বিতৰ্কই মূৰ দাঙি উঠিছে। বিশ্ব হিন্দু পৰিষদে (ভিএইচপি) এই সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰি নামি পৰিছে। সংগঠনটোৱে চৰকাৰৰ এই পদক্ষেপক 'তুষ্টিকৰণ ৰাজনীতি' আখ্যা দি ধৰ্মীয় উগ্ৰবাদক প্ৰসাৰিত কৰাৰ অভিযোগ উত্থাপন কৰিছে। ভিএইচপিৰ আঞ্চলিক সম্পাদক শৰণ পাম্পৱেলে যুৱ সম্প্ৰদায়ক প্ৰতিবাদত জড়িত হ'বলৈ আহ্বান জনোৱাৰ লগতে শিক্ষানুষ্ঠানসমূহত অনুশাসন আৰু সাজ-পোছাকৰ অভিন্নতা বজাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ দাবী কৰে যে চৰকাৰে হিজাবৰ অনুমতি দি শিক্ষাপ্ৰতিষ্ঠানৰ চৌহদৰ 'পবিত্ৰতা' ধ্বংস কৰিছে।

এই পৰিপ্ৰেক্ষিতত ভিএইচপিৰ বিৰোধিতাৰ যুক্তি কিমান সঠিক, সেই সন্দৰ্ভত গভীৰভাৱে চিন্তা কৰাৰ সময় আহি পৰিছে। প্ৰথমতে, শিক্ষানুষ্ঠানত অনুশাসন আৰু অভিন্ন সাজ-পোছাক এটা জটিল বিষয়। যদিও অভিন্নতাৰ জৰিয়তে সামাজিক সমতা আৰু একতাৰ বাণী প্ৰদান কৰিব পাৰি, তথাপি ব্যক্তিগত ধৰ্মীয় আচাৰ-অনুষ্ঠান আৰু স্বাধীনতাক অগ্ৰাধিকাৰ দিয়াটোও সমানে গুৰুত্বপূৰ্ণ। ভাৰতীয় সংবিধানে ২৫ নং অনুচ্ছেদত ধৰ্মীয় স্বাধীনতাৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিছে। সেই অনুসৰি, হিজাব পৰিধান কৰাটো বহু মুছলমান ছাত্ৰীৰ বাবে এক ধৰ্মীয় বাধ্যবাধকতা, ব্যক্তিগত পছন্দ নহয়। গতিকে চৰকাৰৰ সিদ্ধান্তটো আইনী আৰু সাংবিধানিক দিশৰ পৰা যুক্তিসংগত বুলি বিবেচিত হ'ব পাৰে।

অন্যহাতে, ভিএইচপিৰ দৰে সংগঠনৰ অভিযোগ যে এই সিদ্ধান্তই ধৰ্মীয় উগ্ৰবাদক প্ৰসাৰিত কৰিব, সেয়া সম্পূৰ্ণৰূপে সত্য বুলি কোৱাটো কঠিন। এটা নিৰ্দিষ্ট ধৰ্মীয় চিহ্নক অনুমতি দিলে সমাজত উগ্ৰবাদ বৃদ্ধি পায়—এনে ধাৰণাটোৰ কোনো বৈজ্ঞানিক বা সামাজিক প্ৰমাণ নাই। বৰঞ্চ, এই ধৰণৰ বিৰোধিতাই সংখ্যালঘু সম্প্ৰদায়ৰ মাজত নিচুৰ ভাব আৰু ভয়ৰ সৃষ্টি কৰি সাম্প্ৰদায়িক সম্প্ৰীতিৰ বাবে ডাঙৰ ভাবুকি কঢ়িয়াই আনিব পাৰে। ভিএইচপিয়ে দাবী কৰা অনুসৰি, কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে হিজাবৰ প্ৰতিবাদত গেৰুৱা বস্ত্ৰ পৰিধান কৰি শিক্ষাপ্ৰতিষ্ঠানলৈ যোৱাৰ পৰিকল্পনা কৰিছে। এই কাৰ্যটোৱে পৰোক্ষভাৱে শিক্ষাক্ষেত্ৰক সাম্প্ৰদায়িক ৰঙত ৰঞ্জিত কৰাৰ চেষ্টা বুলিহে ধৰা দিয়ে। যদি হিজাবে অনুশাসন ভংগ কৰে, তেন্তে গেৰুৱা বস্ত্ৰইও একে দৃষ্টিকোণৰ পৰা অনুশাসন ভংগ কৰা বুলি গণ্য কৰিব লাগে। প্ৰশ্ন হয় এই দ্বৈত মানদণ্ড কিয়?

স্বাভাৱিক মানুহৰ মনত এই পৰিস্থিতিত বহু প্ৰশ্নৰ উত্থাপন হয়। প্ৰথম প্ৰশ্নটো হ'ল—শিক্ষাপ্ৰতিষ্ঠানৰ সাজ-পোছাকৰ নীতি নিৰ্ধাৰণ কৰাৰ অধিকাৰ কাৰ? ৰাজ্য চৰকাৰৰ নে শিক্ষানুষ্ঠান পৰিচালনা সমিতিৰ? দ্বিতীয়তে, ধৰ্মীয় পোছাকৰ অনুমতিয়ে প্ৰকৃতাৰ্থত শিক্ষাৰ গুণগত মানদণ্ডক প্ৰভাৱিত কৰেনে নেকি? তৃতীয়তে, যদি এটা ধৰ্মীয় চিহ্নক অনুমতি দিয়া হয়, তেন্তে আন ধৰ্মৰ চিহ্ন বা প্ৰতীকৰ ক্ষেত্ৰতো একে নীতি প্ৰয়োগ কৰা উচিত নে? চতুৰ্থ প্ৰশ্নটো আটাইতকৈ জটিল—নিজা ধৰ্মীয় পৰিচয় বজাই ৰখাৰ অধিকাৰ আৰু সামাজিক ঐক্যৰ মাজৰ সীমাৰেখা ক'ত?

প্ৰকৃত সত্য এই যে শিক্ষাৰ মূল উদ্দেশ্য হৈছে জ্ঞান বিতৰণ, চিন্তাৰ বিকাশ আৰু মানৱীয় মূল্যবোধৰ পোষকতা কৰা। কোনো ছাত্ৰীয়ে হিজাব পিন্ধি পঢ়িবলৈ আহিলে যদি তেওঁৰ শিক্ষাগ্ৰহণৰ ক্ষমতা বা অন্য ছাত্ৰৰ শিকন প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি নকৰে, তেন্তে এই সিদ্ধান্তক ইমান নাটকীয়ভাৱে বিৰোধিতা কৰাৰ কোনো যুক্তি নাথাকে। ভিএইচপিয়ে যি 'তুষ্টিকৰণ ৰাজনীতি'ৰ কথা কৈছে, প্ৰকৃততে এনে বিৰোধিতা আৰু প্ৰতিবাদী সাংকেতিক কাৰ্যই সংখ্যালঘুসকলক বেছি মাত্ৰাত অসন্তুষ্ট কৰি তুষ্টিকৰণৰ ৰাজনীতিকহে ত্বৰান্বিত কৰিব পাৰে।

আৱশ্যক হৈছে জৰুৰীভাৱে সংলাপ আৰু সৌজন্যবোধ। সকলো পক্ষই মিলি এনে এটা সমাধান উলিওৱা উচিত যাতে ধৰ্মীয় স্বাধীনতাৰ লগতে শিক্ষানুষ্ঠানৰ শৃংখলা অটুট থাকে। ভিএইচপিৰ দৰে সংগঠনে উত্তেজনা বিয়পোৱাৰ সলনি শান্তিপূৰ্ণ ভাববিনিময়ৰ পথ বাচি লোৱা উচিত। শিক্ষাপ্ৰতিষ্ঠানৰ চৌহদ শিখন-শিকনৰ বাবে পবিত্ৰ স্থান, সাম্প্ৰদায়িক দ্বন্দ্বৰ বাবে নহয়। ৰাজ্য চৰকাৰে সকলো সম্প্ৰদায়ৰ ধৰ্মীয় অনুভূতিক সন্মান জনাই শান্তি বজাই ৰখা নীতি গ্ৰহণ কৰাটোৱেই উত্তম পন্থা। চৰমপন্থী মনোভাৱেৰে নহয়, সহানুভূতিৰে এই সমস্যাৰ সমাধান বিচাৰিব লাগে।

# সাম্প্ৰতিক সময়ত শিক্ষকৰ ভূমিকা

প্ৰসেনজিৎ কলিতা

**প্ৰা**চীন গুৰুকুল পদ্ধতিৰ পৰা বৰ্তমান ডিজিটেল শ্ৰেণীকোঠা বা অন্ লাইন শিক্ষা পদ্ধতিলৈ শিক্ষকেই শিক্ষাৰ মূল ভেটি হিচাপে বিবেচিত হৈ আহিছে। বৈদিক আৰু উপনিষদৰ যুগত শিক্ষকেই আটাইতকৈ উচ্চস্থান লাভকৰিছিল। গুৰুকুল শিক্ষা পদ্ধতিয়ে সামগ্ৰিক বিকাশত গুৰুত্ব দিছিল। য'ত শিষ্যসকলে গুৰুৰ লগতে থাকি কেৱল ধৰ্মশাস্ত্ৰ আৰু দৰ্শনেই নহয়, অনুশাসন, জীৱন দক্ষতা আৰু নৈতিক আচৰণৰ শিক্ষা গ্ৰহণ কৰিছিল। গুৰুসকল জ্ঞান আৰু নৈতিক কৰ্তৃত্বৰ অধিকাৰী হিচাপে দেখা গৈছিল। মহান দাৰ্শনিক চাণক্যই শিক্ষকৰ প্ৰভাৱশালী চৰিত্ৰৰ নিদৰ্শন দেখুৱাই গৈছে, যিয়ে কেৱল শিষ্যসকলক গঢ় দিয়াই নহয় সমগ্ৰ ৰাজ্যখনো গঢ়ে। সঁচা অৰ্থত শিক্ষকসকল ৰাষ্ট্ৰ নিৰ্মাতা। তেওঁলোকে শাসকসকলক আৰু নাগৰিকসকলক পথ প্ৰদৰ্শন কৰে।

মাদ্ৰাছা, পাঠশালা আৰু মন্দিৰৰ বিদ্যালয়ৰ আৰম্ভণিৰ লগে লগে শিক্ষকসকল হৈ পৰিছিল পৱিত্ৰ আৰু ব্যৱহাৰিক জ্ঞানৰ বিতৰক। তেওঁলোকে হয়তো বহুত ছাত্ৰ-ছাত্ৰীক সামৰি ল'ব পৰা নাছিল, কিন্তু ধৰ্ম, সংস্কৃতি, পৰম্পৰাৰ ব্যাখ্যাকাৰী হিচাপে এই বিষয়সমূহ অব্যাহত থকাৰ নিশ্চিতি প্ৰদান কৰিছিল। এনেদৰে তেওঁলোকে প্ৰবহমান ভাৰতীয় ঐতিহ্যৰ ধাৰা বহন কৰিছিল।

ঔপনিৱেশিক আগ্ৰাসনে ভাৰতীয় শিক্ষা ব্যৱস্থা অতি বেয়াকৈ গঢ় দিছিল। মিছনেৰী স্কুল, ইংৰাজী মাধ্যমৰ শিক্ষা প্ৰতিষ্ঠান আৰু আধুনিক বিশ্ববিদ্যালয় আদিয়ে পশ্চিমীয়া ভাৱনাৰ ফালে শিক্ষাৰ দিশটো গতি কৰাইছিল। তেনে সন্ধিক্ষণতে ৰাজা ৰামমোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, সাবিত্ৰী বাই, ফুলে আদিয়ে শিক্ষকৰ ভূমিকাটো সংস্কাৰকৰ ভূমিকালৈ পৰিৱৰ্তন কৰিছিল। শিক্ষকসকলৰ কৰ্ম শ্ৰেণীকোঠাতে আৱদ্ধ হৈ থকা নাছিল। বৰং ৰাজনৈতিক চেতনা আৰু সামাজিক পৰিৱৰ্তনৰ বাবে তেওঁলোক অগ্ৰসৰ হৈছিল।

স্বাধীনতাৰ পাছত শিক্ষকসকল গণতান্ত্ৰিক নাগৰিক আৰু ৰাষ্ট্ৰীয় পৰিচয় গঢ়োতা হ'বলৈ আগবাঢ়িছিল। বৈদিক যুগৰ পৰা অনুপ্ৰাণিত হৈ ৰাধাকৃষ্ণণ আয়োগে আৰু পৰৱৰ্তী সময়ত কোঠাৰি আয়োগে শিক্ষকসকলক ৰাষ্ট্ৰ নিৰ্মাতা হিচাপে কল্পনা কৰিছিল। তেওঁলোকৰ দায়িত্ব আছিল সাংবিধানিক প্ৰমূল্যক প্ৰতিপালন কৰা, বৈজ্ঞানিক মানসিকতা গঢ়ি তোলা আৰু বৈচিত্ৰ্যৰ মাজত ঐক্যৰ সৃষ্টি কৰা। শিক্ষকসকলক আধুনিকতা আৰু পৰম্পৰাৰ সেতু হিচাপে গণ্য কৰা হৈছিল। মুকলিকৈ প্ৰগতিৰ সমানে সংস্কৃতিৰ স'তে সংপৃক্ত এখন সমাজ নিৰ্মাণ কৰাৰ ভাৰ শিক্ষকসকলৰ আছিল।

সময় বাগৰাৰ লগে-লগে আন এক ধাৰণা স্পষ্ট হৈ পৰিছিল। শিক্ষকসকলে ক্ৰমান্বয়ে যান্ত্ৰিক পৰীক্ষাসূচী ব্যৱস্থাৰ ভিতৰত এক দিশদৰ্শী প্ৰশিক্ষক হৈ পৰিছিল। শিক্ষা পদ্ধতিটো দক্ষতাকেন্দ্ৰিক ৰূপৰেখাৰ পিনে ঢাল খাইছিল। 'কেনেকৈ কৰিব' তাতকৈ 'কি কৰিব' ধাৰণাত গুৰুত্ব আৰোপ কৰা হৈছিল। আধুনিক অৰ্থনীতিৰ বাবে নিয়োগযোগ্য দক্ষতাৰ প্ৰয়োজন, এই ধাৰণাই নৈতিক শিক্ষা যিয়ে সমৃদ্ধি গঢ় দিয়ে আৰু দিক্ নিৰ্ণয় কৰে তাৰ পৰা আঁতৰি অহা দেখা যায়। দক্ষতাই কৰ্ম কৰিবলৈ শিকায় কিন্তু মানবীয় প্ৰমূল্য? প্ৰমূল্যৰ উদ্দেশ্য থাকে। নৈতিক প্ৰমূল্যহীন শিক্ষাই প্ৰশিক্ষিত কৰ্মী সৃষ্টি কৰিব; কিন্তু প্ৰয়োজন অনুসাৰে দায়িত্বশীল মানৱ সৃষ্টি কৰিব নোৱাৰে। এই ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে (২০২০) ইং অসন্তুলন স্বীকাৰ কৰিছে আৰু শিক্ষাৰ মূল শক্তি দক্ষতা আৰু নৈতিকতাৰ ভিত্তিত শিক্ষাদানেৰে পূৰ্বৰ ধাৰণা স্থাপন কৰিব বিচাৰিছে। এইটো পুনৰাই কল্পনা কৰিছে যে শিক্ষকসকল কেৱল তথ্য

বিতৰক নহয়, সমালোচনামূলক অনুসন্ধানৰ সমন্বয়ক আৰু সামাজিক বিকাশৰ গুৰু। লগতে তেওঁলোকে নিজেই আজীৱন শিক্ষাৰত। অৱশ্যে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ প্ৰয়োগৰ ক্ষেত্ৰত এতিয়াও বহুতো বাধা আছে আৰু শিক্ষানীতিত উল্লেখ কৰা ধৰণে শিক্ষানুষ্ঠানসমূহৰ আন্তঃগাঁঠনি

ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ পদ পূৰণ আদি দিশো চাবলগীয়া।

বৰ্তমান তথ্য প্ৰযুক্তিৰ যুগত শিক্ষকসকল কেৱল ঘটনাৰ অভিভাৱক হৈ থকা নাই। তেওঁলোক অৰ্থৰ সংগ্ৰাহাধ্যক্ষ। বৰ্তমান সময়ত Google, Youtube আৰু Chat GPTৰ সহায়ত তৎক্ষণাৎ তথ্য আহৰণ কৰিব পৰা যায়, শিক্ষকৰ ভূমিকা হ'ল ছাত্ৰ-ছাত্ৰীক বিশ্বাসযোগ্য তথ্যৰ বাট দেখুওৱা। শুদ্ধ প্ৰশ্ন সুধিবলৈ আৰু বিশ্বৰ প্ৰকৃত সমস্যাত জ্ঞান প্ৰয়োগ কৰিবলৈ শিকোৱা। ইয়াতে এটা কথা উল্লেখ কৰিব লাগিব যে প্ৰযুক্তিৰ বিপুল সুবিধাৰ সময়ত বিভিন্ন ধৰণে তথ্য আহৰণ কৰি ছাত্ৰ-ছাত্ৰীসকল সমৃদ্ধ হৈ থকাটো নিত্যান্তই স্বাভাৱিক। গতিকে শিক্ষকসকল এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীতকৈ এঢাপ আগুৱাই থকাৰ প্ৰয়োজন। প্ৰজন্মৰ ব্যৱধান বা প্ৰযুক্তি প্ৰতিকূলৰ দোহাই দি আঁতৰি থাকিলেই সমস্যাৰ সমাধান নহয়।

আন এটা পৰিৱৰ্তন হ'ল শিক্ষা এতিয়া পৰম্পৰাগত শ্ৰেণীকোঠাত আৱদ্ধ হৈ থকা নাই। উচ্চস্তৰীয় আৰ্হি মুকলি Online পাঠ্যক্ৰম আৰু গোলকীয় সহযোগিতাই ভৌগোলিক সীমা মচি আনিছে। এই উদাৰ ৰূপান্তৰে নতুন চাহিদাৰ সৃষ্টি কৰিছে। সাম্প্ৰতিক সময়ত শিক্ষকসকল জড়িত হ'ব লাগিব প্ৰযুক্তিৰ সংযোজক, গোলকীয় সংলাপৰ সমন্বয়ক আৰু ডিজিটেল শিক্ষাৰ ন'াকাৰ হিচাপে। এই পৰিৱৰ্তনক বাধা দিয়া মানেই অপ্ৰাসংগিক হোৱা, ইয়াক আকোঁৱালি লোৱা মানেই ছাত্ৰ-ছাত্ৰীসকল প্ৰস্তুত হ'ব সীমাহীন ভৱিষ্যতৰ বাবে তদুপৰি বৰ্তমান 'শিক্ষণ' জ্ঞানৰ বাহিৰলৈ প্ৰসাৰিত হৈছে প্ৰতিযোগিতাই গঢ় দিয়া এটা পৰিৱেশত, সামাজিক মাধ্যম-হেঁচা, বৰ্ধিত মানসিক স্বাস্থ্য সচেতনতাত ছাত্ৰ-ছাত্ৰীসকলৰ এনেকুৱা শিক্ষকৰ প্ৰয়োজন যিজনৰ মানসিক চাপ বোধগম্য হয়, যিজনে সহনশীলতাক প্ৰতিপালন কৰে আৰু কৌতূহলক উৎসাহ যোগায়। গতিকে আৱেগিক বুদ্ধিমত্তা বিষয়বস্তুৰ পাণ্ডিত্যৰ সমানেই গুৰুত্বপূৰ্ণ। পালমৰা শিক্ষকৰ যান্ত্ৰিক আৰু নিষ্প্ৰাণ পাঠদানে ছাত্ৰ-ছাত্ৰীক আনন্দ দিয়াৰ পৰিৱৰ্তে যন্ত্ৰণাহে দিয়ে। অৱশ্যে এইটোও ল হ'ব পাৰে যে ছাত্ৰ-ছাত্ৰীৰ বিষণ্ণ, উদাস, ভাবলেশহীন মুখবোৰ ৰ দেখি শিক্ষকসকলেও যত্ন কৰি পঢ়ুৱাবলৈ বা বক্তৃতা দিবলৈ ক বিশেষ একো উৎসাহ অনুভৱ নকৰে। এই সমস্যাৰ সমাধান কিন্তু একমাত্ৰ শিক্ষক সকলেহে উলিয়াব পাৰে।

শিক্ষক সকল সমাজৰ আগশাৰীৰ ব্যক্তি, সমাজখনে শিক্ষক সকলক লক্ষ্য কৰি থাকে। এনেকুৱা বহুতো উদাহৰণ আছে দুই এজন শিক্ষকৰ অসামাজিক কাৰ্যৰ বাবে সমগ্ৰ শিক্ষক সমাজ লজ্জিত হ'ব লগা হৈছে। তথাপিও যিমান যি হ'লেও শিক্ষকৰ মান সমাজত সদায়ে থাকিব। শিক্ষক সকলেও মাজে মাজে আত্মবিশ্লেষণ কৰা ভাল, কিয়নো কৰ্মৰ ধাৰাবাহিকতা আৰু মৰ্যাদা ধৰি ৰখা বৰ কঠিন। যিখন সমাজত শিক্ষকতা কৰে সেইখন সমাজক অধ্যয়ন কৰা প্ৰয়োজন লগতে ছাত্ৰ ছাত্ৰী আৰু অভিভাৱকৰ মনস্তাত্বিক দিশটো জনাটো বৰ প্ৰয়োজন। কিয়নো সমাজখনে বহু ক্ষেত্ৰত শিক্ষক সকলক সুবিধা অসুবিধাৰ উমান নাপায়। ছাত্ৰ ছাত্ৰীৰ শৈক্ষিক ফলাফল অৱনমিত হ'লে পোনচাতে শিক্ষক সকলক দোষাৰোপ কৰা দেখা যায়। বৰ্তমান সময়ত শিক্ষক সকলৰ নিয়োগৰ ক্ষেত্ৰত আহি পৰা শ্ৰেণী বিভাজনেও তেওঁলোকৰ মাজত মানসিক অন্তৰ্দ্বন্দ্বৰ সৃষ্টি কৰিছে। লগতে অসমৰ দৰে ৰাজ্যত শিক্ষাৰ শিতানত বাজেটৰ পৰিমাণ বৰ কম। নতুন প্ৰজন্মৰ শিক্ষক সকলক বেছি সংখ্যকেই শিক্ষিত হিচাপে তৃতীয় বা চতুৰ্থ প্ৰজন্মৰ কিন্তু তেওঁলোকে শিকাই থকা ছাত্ৰ ছাত্ৰী সকলৰ অধিকাংশই প্ৰথম বা দ্বিতীয় প্ৰজন্মৰ।

এতিয়া উত্থাপিত প্ৰশ্ন হ'ল যে কেনেকৈ শিক্ষকসকলে ত এই চাহিদা পূৰণৰ বাবে আকাঙ্খিত মিনাৰত আৰোহণ কৰিব? ইয়াৰ উত্তৰ লুকাই আছে সহযোগিতাৰ প্ৰতি থকা উৎসাহত য'ত নীতি নিৰ্ধাৰকসকল, উদ্যোগবোৰ আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহে হাতে হাত ধৰি শিক্ষকসকলৰ লগত কাম কৰিব। ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০য়ে সপোন দেখে নীৰৱছিন্ন - পেচাদাৰী উন্নয়নৰ। জীৱন ব্যাপি শিক্ষা উদ্যোগিক প্ৰচাৰ আৰু বাধাহীন ডিজিটেল সঁজুলিৰ সুবিধাই নিশ্চয় শিক্ষণ পৰিস্থিতিতন্ত্ৰৰ মেৰুদণ্ড সৃষ্টি কৰিব। এইটো নিশ্চিত কৰা সমানেই জটিল যে শিক্ষণৰ দায়িত্ব অধিক বোজা সদৃশ নহয়। লগতে ইয়াৰ বাবে সন্তুলিত ছাত্ৰ-ছাত্ৰী শিক্ষকৰ অনুপাত, গৱেষণাৰ বাবে পৰ্যাপ্ত সময় আৰু শৈক্ষিক সমৃদ্ধকৰণ নিশ্চিত হ'ব লাগিব। শিক্ষকসকলক অৰ্পণ কৰিব লাগিব পাঠ্যক্ৰম যুগুত কৰাৰ স্বাধীনতা, পাঠ্য তালিকাৰ ন'া প্ৰস্তুতকৰণৰ মুক্ততা, শিক্ষাবিদ্যা উদ্ভাৱনৰ স্বাধীনতা আৰু অনুমোদিত ৰূপৰেখাৰ গণ্ডিত পাঠ বাছনি লগতে মূল্যাঙ্কনবোৰ। অনা শৈক্ষিক কৰ্মৰ পৰা পাৰ্যমানে আঁতৰাই ৰাখিব লাগিব এই স্বাধীনতা যেতিয়া স্বচ্ছ স্বীকৃতিৰ পদ্ধতিৰে বান্ধ খাব, পাৰিশ্ৰমিক, পদোন্নতি আৰু নেতৃত্ব দিয়াৰ সুবিধাৰ লগত তেতিয়া শিক্ষকসকল ৰূপান্তৰশীল কৰ্মত নিয়োজিত হ'বলৈ স্বাভাৱিকতে উৎসাহিত হ'ব।



শিক্ষক সকল সমাজৰ আগশাৰীৰ ব্যক্তি, সমাজখনে শিক্ষক সকলক লক্ষ্য কৰি থাকে। এনেকুৱা বহুতো উদাহৰণ আছে দুই এজন শিক্ষকৰ অসামাজিক কাৰ্যৰ বাবে সমগ্ৰ শিক্ষক সমাজ লজ্জিত হ'ব লগা হৈছে। তথাপিও যিমান যি হ'লেও শিক্ষকৰ মান সমাজত সদায়ে থাকিব। শিক্ষক সকলেও মাজে মাজে আত্মবিশ্লেষণ কৰা ভাল, কিয়নো কৰ্মৰ ধাৰাবাহিকতা আৰু মৰ্যাদা ধৰি ৰখা বৰ কঠিন। যিখন সমাজত শিক্ষকতা কৰে সেইখন সমাজক অধ্যয়ন কৰা প্ৰয়োজন লগতে ছাত্ৰ ছাত্ৰী আৰু অভিভাৱকৰ মনস্তাত্বিক দিশটো জনাটো বৰ প্ৰয়োজন। কিয়নো সমাজখনে বহু ক্ষেত্ৰত শিক্ষক সকলক সুবিধা অসুবিধাৰ উমান নাপায়। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ফলাফল অৱনমিত হ'লে পোনচাতে শিক্ষক সকলক দোষাৰোপ কৰা দেখা যায়। বৰ্তমান সময়ত শিক্ষক সকলৰ নিয়োগৰ ক্ষেত্ৰত আহি পৰা শ্ৰেণী বিভাজনেও তেওঁলোকৰ মাজত মানসিক অন্তৰ্দ্বন্দ্বৰ সৃষ্টি কৰিছে। লগতে অসমৰ দৰে ৰাজ্যত শিক্ষাৰ শিতানত বাজেটৰ পৰিমাণ বৰ কম। নতুন প্ৰজন্মৰ শিক্ষক সকলক বেছি সংখ্যকেই শিক্ষিত হিচাপে তৃতীয় বা চতুৰ্থ প্ৰজন্মৰ কিন্তু তেওঁলোকে শিকাই থকা ছাত্ৰ ছাত্ৰী সকলৰ অধিকাংশই প্ৰথম বা দ্বিতীয় প্ৰজন্মৰ।

# ৰাজহ সংগ্ৰহ নে সামাজিক ব্যাধিৰ আমন্ত্ৰণ?

নিৰঞ্জন দাস

**ব**ৰ্তমান সময়ত এখন সুস্থ আৰু সৱল সমাজ গঢ়াৰ যি প্ৰত্যাহ্বান, তাৰ মাজতে শেহতীয়াকৈ সংবাদ মাধ্যমত প্ৰকাশ পোৱা এক খবৰে সচেতন মহলক বিশেষভাৱে চিন্তিত কৰি তুলিছে। গোলাঘাট জিলাত গাঁৱে-ভূঞে বিলাতী সুৰাৰ সুলভতা বৃদ্ধি কৰাৰ উদ্দেশ্যে ৬৫ খনকৈ দেশীয় সুৰাৰ দোকানক আই এম এফ এল অফ-শ্বপৰ অনুজ্ঞাপত্ৰলৈ ৰূপান্তৰ কৰাৰ যি প্ৰক্ৰিয়া চলিছে, সেয়া কেৱল এক প্ৰশাসনিক সিদ্ধান্তই নহয়, বৰঞ্চ এক গভীৰ সামাজিক সংকটৰ আগজাননী। চৰকাৰী পক্ষই ইয়াক আইনৰ দোহাই দি বৈধতা প্ৰদান কৰিব বিচাৰিলেও, ইয়াৰ আঁৰত লুকাই থকা সামাজিক পৰিণতি হ'ব পাৰে অতি ভয়াৱহ।

চৰকাৰী তথ্য অনুসৰি, আবকাৰী নীতি ২০১৬-ৰ নিয়ম ৬১৪, চাব ৰোল ৯ ৰ আধাৰত এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। চৰকাৰী কোষাগাৰলৈ ৰাজহ বৃদ্ধি কৰাটো যিকোনো চৰকাৰৰে লক্ষ্য হ'ব পাৰে, কিন্তু প্ৰশ্ন হয়— মাত্ৰ কেইটামান টকাৰ অতিৰিক্ত ৰাজহ সংগ্ৰহ কৰাৰ বাবে এটা প্ৰজন্মৰ ভৱিষ্যতক বাজি লগাব পাৰিনে? অভিযোগ উঠিছে যে একোখন দেশীয় সুৰাৰ দোকানক বিলাতী সুৰাৰ দোকানলৈ সলনি কৰিবলৈ চৰকাৰে প্ৰতিখনৰ বাবদ ২ লাখ টকাকৈ সংগ্ৰহ কৰিছে। ৰাজহৰ এই অংক যিমানেই আকৰ্ষণীয় নহওক কিয়, ইয়াৰ বিনিময়ত সমাজত যি সুৰাসক্ত পৰিৱেশৰ সৃষ্টি হ'ব, তাৰ আৰ্থিক আৰু মানসিক ক্ষতিৰ জোখ কোনে ল'ব?

গোলাঘাটৰ দৰে এখন জিলাত বৰ্তমান সুৰাৰ বিপণীৰ সংখ্যা বৃদ্ধি পাই ১০০ খনৰ ওচৰা-উচৰি হৈছেগৈ। জনমূৰি সুৰাৰ দোকানৰ এই অনুপাত যিকোনো সভ্য সমাজৰ বাবে এক উদ্বেগজনক তথ্য। উন্নয়নৰ মাপকাঠী যদি সুৰাৰ দোকানৰ সংখ্যাৰে জোখা হয়, তেন্তে সেই উন্নয়ন যে ধ্বংসাত্মক, সেয়া নিশ্চিত।

**নিৰ্বাচনী ধামখুমীয়া আৰু স্বচ্ছতাৰ প্ৰশ্ন ঃ**

আটাইতকৈ ৰহস্যজনক আৰু আচৰিত বিষয়টো হ'ল অনুমোদনৰ সময়ছোৱা। নিৰ্বাচনী আচৰণ বিধি বলবৎ হৈ থকাৰ মাজতে ৰাজনৈতিক হেঁচাত জিলা প্ৰশাসনে এই বৃহৎ সংখ্যক আবেদনত অনুমোদন জনোৱাৰ যি তথ্য পোহৰলৈ আহিছে, সি প্ৰশাসনৰ নিৰপেক্ষতাকো প্ৰশ্নবোধকৰ মাজলৈ ঠেলি দিছে। যদিও জিলা আয়ুক্তৰ কাৰ্যালয়ে এই বাতৰিক "ভিত্তিহীন" বুলি নস্যাৎ কৰিছে, তথাপিও বাস্তৱ ক্ষেত্ৰত গাঁৱৰ পদূলিয়ে পদূলিয়ে সুৰাৰ দোকান মুকলি কৰাৰ যি প্ৰতিযোগিতা চলিছে, তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। চৰকাৰী জাননীত এই প্ৰক্ৰিয়া ২০২৫ চনৰ এপ্ৰিলৰ পৰাই চলি থকা বুলি কোৱা হৈছে যদিও নিৰ্বাচনৰ সময়ত ই লাভ কৰা তীব্ৰতাই জনমানসত চৰকাৰৰ মনোভাৱক লৈ সন্দেহৰ উদ্ৰেক কৰিছে।

সুৰাৰ সহজলভ্যতাই কেৱল এজন ব্যক্তিক পঙ্গু নকৰে, ই গোটেই পৰিয়ালটোক নিঃস্ব কৰি পেলায়। বিশেষকৈ গ্ৰাম্য অঞ্চলৰ দুখীয়া শ্ৰমিক শ্ৰেণীৰ লোকসকল যেতিয়া দেশী সুৰাৰ পৰা অধিক নিচাযুক্ত বিলাতী সুৰাৰ প্ৰতি আসক্ত হ'ব, তেতিয়া তেওঁলোকৰ কষ্টোপাৰ্জিত ধনৰ সিংহভাগ সুৰাৰ নামতেই ব্যয় হ'ব। ইয়াৰ ফলত ঘৰুৱা হিংসা বৃদ্ধি পাব, সুৰাসক্ত স্বামীৰ দ্বাৰা নিৰ্যাতিত মহিলাৰ সংখ্যা বাঢ়িব আৰু পিতৃৰ দুৰ্বলতাৰ বাবে শিশুৰ শিক্ষা তথা পুষ্টিৰ অধিকাৰ খৰ্ব হ'ব। সমাজত মদৰ বেহা যিমানেই বাঢ়িব, সিমানেই চুৰি-ডকাইতি, পথ দুৰ্ঘটনা আৰু বিশৃংখলতা বৃদ্ধি পোৱাটো স্বাভাৱিক।

যি সময়ত অসমৰ যুৱ প্ৰজন্মক কৰ্মসংস্থাপন, নতুন চিন্তা আৰু দক্ষতা বৃদ্ধিৰ জৰিয়তে আগুৱাই নিব লাগে, সেই সময়ত তেওঁলোকৰ হাতত সুৰাৰ বটল সহজলভ্য কৰি তোলাটো চৰকাৰৰ এক চৰম দায়িত্বহীনতা। সুৰাৰ এই দপদপনিয়ে যুৱক-যুৱতীসকলক শাৰীৰিক আৰু মানসিকভাৱে স্থবিৰ কৰি পেলাব। সমাজৰ মেৰুদণ্ড স্বৰূপ এই প্ৰজন্মটো যদি নিচাতে বিভোৰ হৈ থাকে, তেন্তে এখন 'সৱল অসম'ৰ সপোন কেনেকৈ পূৰণ হ'ব?

চৰকাৰে বুজি পোৱা উচিত যে ৰাজহ সংগ্ৰহৰ বাবে সমাজখনক "সুৰাৰ আস্থান"লৈ ৰূপান্তৰ কৰাটো কোনো উন্নয়নৰ লক্ষণ নহয়। ৰাজহৰ নামত যুৱ প্ৰজন্মৰ ভৱিষ্যতৰ সৈতে হেতালি খেলাটো শীঘ্ৰে বন্ধ হোৱা উচিত। এখন দেশ বা ৰাজ্যৰ প্ৰকৃত সম্পদ হ'ল তাৰ মানৱ সম্পদ, সুৰাৰ পৰা অহা ৰাজহ নহয়। অনাগত দিনত যদি এই প্ৰক্ৰিয়া ৰোধ কৰা নহয়, ই এক ভয়াবহ সামাজিক বিস্ফোৰণৰ ৰূপ ল'ব। ইতিহাসৰ ওচৰত আজিৰ নীতি-নিৰ্ধাৰকসকল সদায় দোষী হৈ ৰ'ব। চৰকাৰৰ নীতি জনমুখী হ'ব লাগে, জনধ্বংসী নহয়। গোলাঘাটৰ সচেতন ৰাইজ তথা সমগ্ৰ অসমৰ নাগৰিক, সমাজ সচেতন লোকসকল একত্ৰিত হৈ এই সামাজিক ব্যাধিৰ বিৰুদ্ধে মাত মতাৰ সময় সমাগত।

# তথ্য আৰু জ্ঞানৰ সংগমস্থল ঃ কিয় পঢ়িব লাগে আলোচনী?

পদ্ম মৰাণ

**মা**নুহৰ বৌদ্ধিক উত্তৰণৰ ইতিহাসত অধ্যয়নৰ ভূমিকা অপৰিসীম। সভ্যতাই যেতিয়াই অগ্ৰগতিৰ পথত খোজ দিছে, তেতিয়াই জ্ঞান অন্বেষণৰ ন-ন দুৱাৰ মুকলি হৈছে। এই জ্ঞান চৰ্চাৰ এক শক্তিশালী আৰু পৰিচিত মাধ্যম হৈছে আলোচনী। কিতাপ আৰু বাতৰি কাকতৰ মাজৰ যিখন এক সুকীয়া জগত, সেই জগতখনেই হ'ল আলোচনীৰ পৃথিৱী। বৰ্তমানৰ অতি দ্ৰুত আৰু তথ্য-প্ৰযুক্তিনিৰ্ভৰ সময়ত আমি যিমানেই ডিজিটেল মাধ্যমৰ ওপৰত নিৰ্ভৰশীল নহওঁ কিয়, এখন ভাল আলোচনী পঢ়াৰ যি মাদকতা আৰু প্ৰয়োজনীয়তা, তাক কোনো কৃত্ৰিম যন্ত্ৰই কেতিয়াও পূৰণ কৰিব নোৱাৰে। আলোচনী কেৱল কাগজৰ সমষ্টি নহয়, ই হ'ল তথ্য আৰু জ্ঞানৰ এক বিৰল সংগমস্থল।

বাতৰি কাকতত আমি দিনটোৰ ঘটি যোৱা তাৎক্ষণিক ঘটনাবোৰৰ বিৱৰণ পাওঁ। কিন্তু সেই ঘটনাবোৰৰ গভীৰ বিশ্লেষণ, সাহিত্যিক সোৱাদ আৰু বিচিত্ৰ বিষয়ক তথ্যৰ বাবে আলোচনীৰ বিকল্প নাই। এখন আলোচনীত একেলগে সাহিত্য, বিজ্ঞান, ৰাজনীতি, ক্ৰীড়া, স্বাস্থ্য আৰু সমাজতত্ত্বৰ দৰে ভিন্ন স্বাদৰ লেখাৰ সমাবেশ ঘটে, যিয়ে পাঠকৰ মনৰ দিগন্ত বহল কৰাত সহায় কৰে। এজন সচেতন পাঠকৰ বাবে আলোচনী হ'ল জ্ঞানৰ এক খিৰিকী, যাৰ জৰিয়তে তেওঁ বিশ্বব্ৰহ্মাণ্ডৰ পৰা আৰম্ভ কৰি নিজৰ সমাজখনৰ অন্তৰালৰ খবৰবোৰো এক সুকীয়া দৃষ্টিৰে চাবলৈ শিকে।

আলোচনী পঢ়াৰ আটাইতকৈ ডাঙৰ লাভটো হ'ল ইয়াৰ পৰিসৰ। যিকোনো এটা নিৰ্দিষ্ট বিষয়ৰ ওপৰত ইয়াত যথেষ্ট গৱেষণামূলক আৰু তথ্যসমৃদ্ধ লেখা প্ৰকাশ পায়। ধৰা হওক, বৰ্তমানৰ পৰিৱেশ তন্ত্ৰৰ পৰিৱৰ্তন বা কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ-এই বিষয়বোৰৰ ওপৰত বাতৰি কাকতত হয়তো এটা চমু বাতৰি ওলাব পাৰে, কিন্তু এখন আলোচনীত সেই বিষয়টোৰ ইতিহাসৰ পৰা আৰম্ভ কৰি ভৱিষ্যতৰ প্ৰভাৱলৈকে সকলোবোৰ অতি সূক্ষ্মভাৱে আলোচনা কৰা হয়। ইয়াৰ ফলত এজন পাঠকৰ বিচাৰ-বুদ্ধি আৰু বিশ্লেষণাত্মক ক্ষমতা বৃদ্ধি পায়। বিশেষকৈ ছাত্ৰ-ছাত্ৰী আৰু তৰুণ প্ৰজন্মৰ বাবে আলোচনী পঢ়াটো এক বৌদ্ধিক কচৰৎ স্বৰূপ। ই তেওঁলোকক কেৱল পাঠ্যপুথিৰ মাজত আৱদ্ধ নাৰাখি পৃথিৱীখনক বহলকৈ বুজাত সহায় কৰে।

সৃষ্টিশীলতাৰ বিকাশৰ ক্ষেত্ৰতো আলোচনীৰ ভূমিকা অনন্য। এখন আলোচনীত যিদৰে প্ৰতিষ্ঠিত লেখকৰ লেখা থাকে, ঠিক সেইদৰে ন-লিখকৰ বাবেও ই এখন বিশাল মঞ্চ প্ৰদান কৰে। নতুন নতুন চিন্তাধাৰা, কবিতা, চুটিগল্প বা ভ্ৰমণ কাহিনীৰ জৰিয়তে আলোচনীয়ে পাঠকৰ কল্পনা শক্তিৰ পৰিধি বৃদ্ধি কৰে। আজিৰ যান্ত্ৰিক যুগত আমি যিমান বেছি স্ক্ৰীণৰ মাজত আবদ্ধ হৈ পৰিছোঁ, সিমানেই আমাৰ গভীৰ চিন্তাৰ ক্ষমতা হ্ৰাস পাইছে। চুটি চুটি 'পোষ্ট' বা 'ৰিলচ' চাই আমি আমাৰ মগজুক ক্ষন্তেকীয়া আমোদ দিছোঁ সঁচা, কিন্তু দীৰ্ঘম্যাদী জ্ঞানৰ বাবে এখন আলোচনীৰ পৃষ্ঠা লুটিয়াই নিবিষ্ট মনেৰে পঢ়াৰ কোনো বিকল্প নাই। পঢ়াৰ এই অভ্যাসটোৱে আমাৰ একাগ্ৰতা বৃদ্ধি কৰাৰ লগতে আমাক ধৈৰ্যশীল কৰি তোলে।

ভাষা চৰ্চাৰ ক্ষেত্ৰতো আলোচনীৰ গুৰুত্ব অনস্বীকাৰ্য। এখন উন্নতমানৰ আলোচনীত শুদ্ধ শব্দ চয়ন আৰু বাক্য গাঁথনিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়। নিয়মিত আলোচনী পঢ়িলে এজন ব্যক্তিৰ শব্দ ভাণ্ডাৰ বৃদ্ধি পায় আৰু ভাষাৰ ওপৰত দখল আহে। বিশেষকৈ আমাৰ অসমীয়া ভাষাৰ প্ৰসাৰ আৰু সংৰক্ষণৰ ক্ষেত্ৰত 'অৰুণোদই'ৰ দিনৰে পৰা আজিলৈকে আলোচনীসমূহে যি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে, সেয়া অতুলনীয়। ভাষাটোৰ আধুনিক ৰূপটোৰ সৈতে পৰিচিত হ'বলৈ হ'লে সাম্প্ৰতিক সময়ৰ আগশাৰীৰ আলোচনীসমূহৰ সৈতে সম্পৰ্ক থকাটো অতি প্ৰয়োজনীয়।

সামাজিক দায়বদ্ধতাৰ ক্ষেত্ৰতো আলোচনীৰ এক বিশেষ ভূমিকা আছে। বহুতো আলোচনীত সমাজৰ অন্ধবিশ্বাস, কুসংস্কাৰ বা জ্বলন্ত সমস্যাবোৰৰ ওপৰত নিৰ্ভীকভাৱে আলোকপাত কৰা হয়। এনে লেখাবোৰে পাঠকৰ মনত যুক্তিবাদী চিন্তাৰ উদয় কৰে আৰু সমাজ পৰিৱৰ্তনৰ এজন সক্ৰীয় অংশীদাৰ হ'বলৈ অনুপ্ৰাণিত কৰে। ইয়াৰ উপৰিও স্বাস্থ্য সচেতনতা, পৰিৱেশ সংৰক্ষণ আৰু আইন সম্পৰ্কীয় বিভিন্ন তথ্যবোৰে এজন সাধাৰণ মানুহক সজাগ কৰি তোলাত সহায় কৰে। বৰ্তমানৰ ডিজিটেল যুগত ছপা মাধ্যমৰ ভৱিষ্যতক লৈ প্ৰশ্ন উত্থাপন হ'লেও, আলোচনীৰ প্ৰাসংগিকতা কেতিয়াও শেষ নহয়। ইণ্টাৰনেটত তথ্যৰ অভাৱ নাই, কিন্তু সেই তথ্যবোৰ কিমান নিৰ্ভৰযোগ্য তাক লৈ সদায় সন্দেহ থাকে। আনহাতে, এখন আগশাৰীৰ আলোচনীৰ লেখাৰ অন্তৰালত এজন সম্পাদক আৰু এটা দক্ষ দলৰ কঠোৰ পৰিশ্ৰম থাকে। প্ৰতিটো তথ্য পৰীক্ষা কৰিহে ইয়াত স্থান দিয়া হয়। সেয়েহে আলোচনীৰ পৰা পোৱা জ্ঞান অধিক নিৰ্ভৰযোগ্য আৰু সুসংহত।

আমাৰ ব্যস্ত জীৱনৰ অৱসৰৰ এক শ্ৰেষ্ঠ সংগী হ'ল আলোচনী। একাপ চাহৰ সৈতে বা ভ্ৰমণৰ সময়ত এখন আলোচনীৰ পৃষ্ঠাত চকু ফুৰালে যি মানসিক প্ৰশান্তি পোৱা যায়, সেয়া মোবাইলৰ পৰ্দাত সম্ভৱ নহয়। ই আমাক যান্ত্ৰিকতাৰ পৰা আঁতৰাই আনি এখন বৌদ্ধিক জগতৰ সৈতে সংযোগ স্থাপন কৰি দিয়ে। যিসকলে নিয়মিত আলোচনী পঢ়াৰ অভ্যাস কৰে, তেওঁলোকৰ ব্যক্তিত্বত এক সুকীয়া গাম্ভীৰ্য ফুটি উঠে। তেওঁলোকে যিকোনো বিষয়তে যুক্তিপূৰ্ণভাৱে কথা ক'ব পাৰে আৰু লোকচক্ষুৰ অগোচৰ বহুতো সত্যক সহজতে অনুধাৱন কৰিব পাৰে।

গতিকে, তথ্য আৰু জ্ঞানৰ এই বিৰল সংগমস্থলখনক আমি হেৰাই যাবলৈ দিব নালাগে। এখন ভাল আলোচনী পঢ়াটো কেৱল সময় কটোৱাৰ মাধ্যম নহয়, এয়া হ'ল নিজক প্ৰতিদিনাই অলপ অলপকৈ গঢ়ি তোলাৰ এক প্ৰক্ৰিয়া। যিখন সমাজে আলোচনী পঢ়াৰ পৰম্পৰা জীয়াই ৰাখে, সেই সমাজৰ বৌদ্ধিক ভেটি সদায় মজবুত হৈ থাকে। সেয়েহে আহক, আমি নিজেও আলোচনী পঢ়োঁ আৰু নতুন প্ৰজন্মকো এই অভ্যাসৰ প্ৰতি উৎসাহিত কৰোঁ। কাৰণ জ্ঞানৰ পোহৰ অবিহনে সভ্যতাই আগবাঢ়িব নোৱাৰে আৰু সেই পোহৰৰ অন্যতম শক্তিশালী উৎস হ'ল এখন ভাল আলোচনী।

বিশিষ্ট লেখক, অনুবাদক, সুবক্তা তথা বুদ্ধিজীৱী দিগন্ত বিশ্ব শৰ্মাৰ সাৰগৰ্ভ ভাষণ

# সৰুপথাৰ মহাবিদ্যালয়ত 'ভাৰতীয় জ্ঞান পৰম্পৰা' বিষয়ক বিশেষ বক্তৃতানুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, সৰুপথাৰ, ১৯ মে'** ঃ সৰুপথাৰ মহাবিদ্যালয়ত সোমবাৰে "ভাৰতীয় জ্ঞান পৰম্পৰা" বিষয়ক এখন বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়। ভাৰতীয় জ্ঞান পৰম্পৰা (INDIAN KNOWLEDGE SYSTEM) বিষয়ক বিশেষ বক্তৃতানুষ্ঠানৰ বিষয় আছিল, "Introduction to Indian Knowledge System and India's Three Powers." সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগত আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ (IQAC)ৰ সহযোগত সোমবাৰে সৰুপথাৰ মহাবিদ্যালয়ৰ মুহীকান্ত তামোলী প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় উক্ত বক্তৃতানুষ্ঠান। অসমৰ এগৰাকী বিশিষ্ট লেখক, অনুবাদক, সুবক্তা তথা বুদ্ধিজীৱী দিগন্ত বিশ্ব শৰ্মা সমল ব্যক্তি হিচাপে উপস্থিত থাকি ভাৰতীয়া জ্ঞান পৰম্পৰা বিষয়ক বক্তৃতা প্ৰদান কৰে। বক্তৃতানুষ্ঠানৰ লগত সংগতি ৰাখি সৰুপথাৰ মহাবিদ্যালয় মহিলা কোষৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ 'শতভিষা', তৃতীয় সংখ্যা উন্মোচন কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভাৰতীয় সভ্যতা, সংস্কৃতি আৰু জ্ঞানচৰ্চাৰ প্ৰাচীন ঐতিহ্যৰ প্ৰতি আগ্ৰহ সৃষ্টিৰ উদ্দেশ্যে আয়োজিত এই অনুষ্ঠানত জনপ্ৰিয় বক্তা আৰু সুদক্ষ লেখক দিগন্ত বিশ্ব শৰ্মাই মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে অতিথিগৰাকীক উষ্ম আদৰণি জনোৱাৰ লগতে সম্বৰ্ধনা জনায়। মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্ৰত দত্তই আঁত ধৰা অনুঠানটোত অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰি কয় যে, আধুনিকতাৰ দৌৰত নতুন প্ৰজন্মই নিজৰ ঐতিহ্য, সংস্কৃতি আৰু জ্ঞানভাণ্ডাৰৰ পৰা ক্ৰমে আঁতৰি গৈছে। সেয়েহে ভাৰতীয় জ্ঞান পৰম্পৰাৰ গুৰুত্ব সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক সজাগ কৰি তোলাটো সময়ৰ দাবী। সুদক্ষ লেখক তথা বক্তাগৰাকীয়ে নিজৰ বিস্তৃত ভাষণত ভাৰতীয় জ্ঞান পৰম্পৰাক বিশ্ব সভ্যতাৰ সৈতে ৰজিতা খুৱাই বিশ্লেষণ আগবঢ়ায়। তেওঁ ভাষণ প্ৰসংগত কয় যে, ভাৰতীয় সভ্যতাই হাজাৰ হাজাৰ বছৰৰ পৰাই শিক্ষা, বিজ্ঞান, দৰ্শন, চিকিৎসা, সাহিত্য, সংগীত, যোগ আৰু আধ্যাত্মিকতাৰ ক্ষেত্ৰত বিশ্বক পথ প্ৰদৰ্শন কৰি আহিছে। বেদ, উপনিষদ, ৰামায়ণ, মহাভাৰত, গীতা আদি গ্ৰন্থসমূহ কেৱল ধৰ্মীয় গ্ৰন্থ নহয়, বৰং জীৱন-দৰ্শন আৰু নৈতিক শিক্ষাৰ ভাণ্ডাৰ বুলিও তেওঁ মন্তব্য কৰে। তেওঁ ভাষণত আৰ্যভট্ট, কৌটিল্য,



পাণিনি আদি মহান মনীষীৰ অৱদানৰ কথাও বিশেষভাৱে উল্লেখ কৰে। তেওঁৰ ভাষণৰ মাজেৰে যোগ, ধ্যান, আয়ুৰ্বেদ আৰু প্ৰাকৃতিক জীৱনশৈলীৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। তেওঁ উল্লেখ কৰে যে, আজিৰ বিশ্বত ভাৰতীয় যোগ আৰু আয়ুৰ্বেদে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো বিপুল জনপ্ৰিয়তা লাভ কৰিছে, যিয়ে ভাৰতীয় জ্ঞান পৰম্পৰাৰ মহত্ত্ব পুনৰ প্ৰতিষ্ঠা কৰিছে। সমল ব্যক্তি দিগন্ত বিশ্ব শৰ্মাই নিজৰ ভাষণৰ মাজত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অনন্য সৃষ্টি "তোৰ মোৰে আলোকৰে যাত্ৰা" এক সুগভীৰ আৰু বিস্তৃত বিশ্লেষণ দাঙি ধৰে। জ্যোতিপ্ৰসাদৰ সাহিত্যত লুকাই থকা বিশ্বজনীন মানৱতাবাদ আৰু আলোকৰ যাত্ৰাক তেওঁ ভাৰতীয় মূল দৰ্শন তথা সনাতন চেতনাৰ সৈতে অতি সুন্দৰকৈ সাঙুৰি বিশ্লেষণ কৰে। সমল ব্যক্তিগৰাকীৰ এই সাৰগৰ্ভ আলোচনা আৰু প্ৰাণস্পৰ্শী বক্তৃতাই সভাত উপস্থিত থকা ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলক নতুন চিন্তাৰে উদ্বুদ্ধ আৰু গভীৰভাৱে অনুপ্ৰাণিত কৰে।

চিকিৎসালয়খন কাৰ্যক্ষম কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰলৈ দাবী; ৰাজহুৱা সভাৰ অভিযোগ খণ্ডন অধীক্ষক ডাঃ হিমাংশু বুজৰবৰুৱাৰ

# মাজুলীৰ আয়ুৰ্বেদিক চিকিৎসালয়ত অধীক্ষকৰ সংবাদমেল

**অসম বাৰ্তা, মাজুলী, ১৯ মে'** ঃ অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ দিনত প্ৰতিষ্ঠিত মাজুলীৰ প্ৰধান চিকিৎসা প্ৰতিষ্ঠান 'মাজুলী জিলা আয়ুৰ্বেদিক চিকিৎসালয়' সন্দৰ্ভত স্থানীয় ৰাইজৰ এখন সভাত চিকিৎসালয়খনৰ পয়ালগা অৱস্থাৰ অৱসান বিচাৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি সংবাদ মাধ্যমত অৱগত কৰি মুখ্য মন্ত্ৰী, স্থানীয় বিধায়ক তথা জিলা প্ৰশাসনক স্মাৰকপত্ৰ দাখিল কৰাৰ বিষয়ে সদৰি কৰিছিল। তদুপৰি আন্তঃগাঁথনি উন্নয়ন আৰু স্থায়ী চিকিৎসক নিযুক্তিৰ দাবী, আদি কেইবাটাও বিষয়ত অধীক্ষক গৰাকীৰ ওপৰত অভিযোগ উত্থাপন কৰিছিল যোৱা ১৪ মে তাৰিখে। মুখ্যমন্ত্ৰী আৰু বিধায়কৰ উদাসীনতাৰ বাবেই চিকিৎসালয়খনৰ এনে দুৰৱস্থা হ'বলগীয়া হোৱা, আৰম্ভণিতে চমক সৃষ্টি কৰি আঠজনকৈ সুদক্ষ চিকিৎসক নিয়োগ কৰা হৈছিল যদিও বৰ্তমান মাত্ৰ দুজন চিকিৎসকে সেৱা আগবঢ়াই থকা বুলিও সভাত অংশগ্ৰহণ কৰা লোক সকলে অভিযোগ উত্থাপন কৰিছিল। চিকিৎসালয়খনত ৪টাকৈ চিকিৎসক পদৰ লগতে গাণনিক বিষয়া, ঔষধ বিতৰক, নাৰ্চ আৰু পৰীক্ষাগাৰৰ কৰ্মীৰ পদ আজিও খালী হৈ আছে। প্ৰথমে অধীক্ষকসহ আঠজনকৈ দক্ষ চিকিৎসক নিযুক্তি দিয়া হৈছিল যদিও এতিয়া নামতহে চিকিৎসালখনৰ ঘৰকেইটা আছেগৈ বুলি ৰাম কুমাৰ পেগুৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত ৰাইজে অভিযোগ কৰে যে চিকিৎসক আৰু কৰ্মচাৰীৰ অভাৱৰ লগতে প্ৰশাসনিক অনিয়মৰ বাবে চিকিৎসালয়খনত চিকিৎসা সেৱা সম্পূৰ্ণৰূপে বিঘ্নিত হৈ পৰিছে। ইয়াৰ সমান্তৰালভাৱে, অলপতে চিকিৎসালয়খনক কেন্দ্ৰ কৰি একাংশ লোকে আয়োজন কৰা ৰাজহুৱা সভাত উত্থাপিত হোৱা বিভিন্ন অভিযোগ আজি চিকিৎসলয়খনিৰ অধীক্ষক গৰাকীয়ে আয়োজন কৰা এক সংবাদ মেলত অভিযোগ সমূহ সম্পূৰ্ণ ৰূপে নস্যাৎ কৰে। সংবাদ মেলৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষ আৰু মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি অতি শীঘ্ৰে ইয়াত স্থায়ী চিকিৎসক নিযুক্তিৰ দাবী জনোৱা হয় বুলি উল্লেখ কৰে অধীক্ষক হিমাংশু বুজৰবৰুৱাই। শেহতীয়াভাৱে চিকিৎসালয়খনৰ ব্যৱস্থাপনা আৰু কৰ্মচাৰীসকলক লক্ষ্য কৰি একাংশ মহলে যি ৰাজহুৱা সভা পাতি ভিত্তিহীন অভিযোগ উত্থাপন কৰিছিল, তাক আজিৰ সংবাদ মেলত স্পষ্টভাৱে খণ্ডন কৰা হয়। কৰ্তৃপক্ষই জনায় যে চিকিৎসালয়খনে সীমিত সম্পদৰ মাজতো সেৱা আগবঢ়াই আহিছে আৰু কোনো ধৰণৰ অনিয়মক প্ৰশ্ৰয় দিয়া হোৱা নাই। মাজুলীৰ দৰে নদী দ্বীপৰ জনসাধাৰণৰ স্বাস্থ্য সুৰক্ষাৰ স্বাৰ্থত আয়ুৰ্বেদিক চিকিৎসালয়খনক পূৰ্ণাংগ ৰূপত সক্ৰিয় কৰি তুলিবলৈ মুখ্যমন্ত্ৰীলৈ এখন সবিশেষ আবেদন তথা স্মাৰক পত্ৰ প্ৰেৰণ কৰাৰ কথা সংবাদ মেলত উল্লেখ কৰে। দিনৰ ১১-৩০ বজাৰ পৰা অধীক্ষকৰ কাৰ্যালয়ত অনুষ্ঠিত এই সংবাদ মেলত চিকিৎসা কৰ্মী, বিষয়ববীয়া, সংবাদকৰ্মীসকল উপস্থিত থাকে। চিকিৎসালয়খনৰ সৰ্বাংগীণ উন্নয়নৰ বাবে সকলো পক্ষকে উৰাবাতৰিত ভোল নগৈ গঠনমূলক সহযোগিতা আগবঢ়াবলৈ অধীক্ষক গৰাকীয়ে আহ্বান জনায়। ইফালে অধীক্ষক জনে সংবাদ মাধ্যম সংবাদ মাধ্যমত প্ৰকাশ কৰা বক্তব্য স্থানীয় ৰাইজে মানি লব পৰা নাই বুলি সংবাদ মাধ্যমক অৱগত কৰে।

# বগীনদী-চাউলধোৱা অঞ্চলত এন এইচ পি চিৰ পৰা চুৰি চিমেণ্টৰ অবাধ বেহা

চুৰি চিমেণ্টসহ চাৰিজনক আটক

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১৯ মে'** ঃ লখিমপুৰ জিলাৰ বৃহত্তৰ বগীনদী-চাউলধোৱা অঞ্চলত এন এইছ পি চিৰ কাম কৰিবলৈ অনা চিমেণ্ট চুৰি কৰি এটা চক্ৰই কম দামত বিভিন্ন সৰু-বৰ উদ্যোগ তথা ব্যক্তি নিৰ্বিশেষক বিক্ৰী কৰি আহিছে। এই চিমেণ্টৰ বস্তাত 'বিক্ৰীৰ বাবে নহয় 'বুলি স্পষ্টভাৱে লিখা আছে। কিন্তু বগীনদী, চাউলধোৱা-কাটৰি চাপৰি, বচাচুককে ধৰি একাংশ অসাধু ব্যক্তিয়ে এই চিমেণ্টৰ অবাধ বেহা চলাই আহিছে। এই কাৰ্যত এন এইচ পি চিৰ কোনো লোকো জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। উল্লেখযোগ্য যে, এই ক'লা বেপাৰ বহুদিন ধৰি চলিব আহিছে যদিও কালিহে এখন চিমেণ্ট কঢ়িওৱা বাহন জব্দ কৰাৰ লগতে চাৰিজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। কালি সন্ধিয়া প্ৰায় ৬-৩০ মান বজাত এ এছ ০৭ চি চি ২৮৬৫ নম্বৰৰ বলেৰ' পিকআপ বাহনখন বগীনদীত অবৈধ চিমেণ্ট বিক্ৰী কৰিবলৈ আনোতে আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হোৱাৰ লগতে চাৰি সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। এই বেহাৰ লগত দীৰ্ঘদিনৰ পৰা জড়িত থকা চাৰি আটক কৰা ব্যক্তি হৈছে বগীনদী থানাৰ অন্তৰ্গত ভোগাবিল গাঁৱৰ মোহন বসুমতাৰীৰ পুত্ৰজনক বসুমতাৰী, একে গাঁৱৰে তুলাৰাম খাখলাৰীৰ পুত্ৰ পদ্ম খাখলাৰী, পিউপিল স্বৰ্গীয়াৰীৰ পুত্ৰ মনোজ স্বৰ্গীয়াৰী আৰু খলিহামাৰীৰ দুৰ্গা চৰণ দলেৰ পুত্ৰ দিবাকৰ দলে।

# বৰপেটা বিধানসভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক দীপক কুমাৰ দাসক ৰাজহুৱা সম্বৰ্ধনা

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৯ মে'** ঃ বৰপেটা বিধানসভা সমষ্টিৰ নৱ-নিৰ্বাচিত বিধায়ক দীপক কুমাৰ দাসক আজি বৰপেটা জিলা পুথিভঁৰালত ৰাজহুৱা সম্বৰ্ধনা জনোৱা হয়। বৰপেটা জিলা পুথিভঁৰালত আয়োজিত এক অনুষ্ঠানত বিধানসভা সমষ্টিটোৰ অন্তৰ্গত বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠানে তেওঁক সম্বৰ্ধনা জনায়। বৰপেটা, সুন্দৰীদিয়া আৰু পাটবাউসী সত্ৰৰ সত্ৰীয়া আৰু সত্ৰাধিকাৰৰ উপস্থিতিত অনুষ্ঠিত এই কাৰ্যসূচীৰ পাছত বিধায়ক দাসে পৰ্যটনৰ বিপুল সম্ভাৱনা থকা বৰপেটা সমষ্টিটোক পৰ্যটনৰ অন্যতম কেন্দ্ৰ ৰূপে গঢ়ি তোলাৰ নিজৰ সপোনৰ কথা উল্লেখ কৰে। বিধায়ক গৰাকীয়ে কয় যে বৰপেটা যিদৰে সত্ৰীয়া সংস্কৃতিৰ অন্যতম প্ৰাণকেন্দ্ৰ, তেনেদৰে সৰ্থেবাৰী কাঁহ শিল্পৰ বাবে বিখ্যাত। তেনেদৰে লচিমা হ'ল ভাৰতৰ স্বাধীনতা আন্দোলনৰ অন্যতম ঘাটি আছিল। এই সকলোবোৰক লৈ পৰ্যটনক নতুন মাত্ৰা দিব পাৰি। সমষ্টিটোত অব্যাহত থকা বেদখল উচ্ছেদৰো হুংকাৰ দিয়ে নৱ নৱ নিৰ্বাচিত বিধায়ক দীপক কুমাৰ দাসে। উচ্ছেদৰ পূৰ্বে বেদখলকাৰীক নিজে নিজে আঁতৰি যাবলৈ তেওঁ আজিৰ এই অনুষ্ঠানৰ পৰাই সকীয়াই দিয়ে। বৰপেটাত সংহত জিলা আয়ুক্তৰ কাৰ্যালয় স্থাপনৰ স্থান ইতিমধ্যে চিনাক্ত কৰা হৈছে বুলিও বিধায়ক গৰাকীয়ে মন্তব্য কৰে। বিধায়ক নিৰ্বাচিত হোৱা বাবে দাসক সমষ্টিটোৰ ডেৰশৰো অধিক দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে শুভেচ্ছা জনায়।

# গাঁওপ্ৰধান প্ৰসন্ন কুমাৰ কলিতাৰ অকাল বিয়োগত পশ্চিম দৰঙত শোকৰ ছাঁ

**অসম বাৰ্তা, পাথৰিঘাট, ১৯ মে'** ঃ দৰঙৰ ঐতিহাসিক পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত দগীয়াপাৰা গাঁৱৰ গাঁওপ্ৰধান প্ৰসন্ন কুমাৰ কলিতা ৫৭ বছৰ বয়সত অকালতে দুৰাৰোগ্য কৰ্কটৰোগত আক্ৰান্তহৈ ৰবিবাৰে নিজগৃহতেই শেষনিশ্বাস ত্যাগ কৰে। সকলো কৰ্মতে সিদ্ধহস্ত, হাস্য ৰসিক, অমায়িক, প্ৰসৰ বুদ্ধি সম্পন্ন প্ৰয়াত কলিতাদেৱে দৰং জিলা গাঁওপ্ৰধান সন্থা, পাথৰিঘাট গাওঁপ্ৰধান সন্থা, খটৰা শাখা কলিতা সন্মিলন, দগীয়াপৰা মিলন জ্যোতি সংঘ, দগীয়াপাৰা বিষ্ণু মন্দিৰৰ লগতে আন বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত থকাৰ উপৰিও দগীয়াপাৰাৰ লগতে দাতিকাষৰীয়া অঞ্চলসমূহত শিক্ষা, সংস্কৃতি, সাহিত্য সকলো দিশতে অৰিহণা যোগাই ৰাইজক সততে উপকাৰ সাধন কৰিছিল। প্ৰয়াত কলিতাই মৃত্যুৰ সময়ত এই ইহসংসাৰত পত্নী, এগৰাকী পুত্ৰ, এগৰাকী জী, ককায়েক বৌয়েক, ভাই, ভাই-বোৱাৰী, ভনিয়েকসহ অজস্ৰ গুণমুগ্ধক এৰি যায়। প্ৰয়াত প্ৰসন্ন কলিতাৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগেই অসংখ্য গুণমুগ্ধই কলিতাৰ বাসগৃহত ভিৰ কৰাৰ লগতে কলিতাৰ মৃত্যুত ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া, দৰং জিলা গাওঁ প্ৰধান সন্থা, পাথৰিঘাট গাওঁ প্ৰধান সন্থা, দগীয়াপাৰা মিলন জ্যোতি সংঘ, দগীয়াপাৰা বিষ্ণু মন্দিৰ, দগীয়াপাৰা জ্ঞান দায়িনী সংঘ, দগীয়াপাৰা শিৱমন্দিৰ, দগীয়াপাৰা নামঘৰ, দৰং জিলা কলিতা সন্মিলন খটৰা শাখা, খটৰা সত্ৰ পৰিচালনা সমিতিৰ সম্পাদক গংগাৰাম বৈশ্যৰ, সংবাদসেৱী পংকজ কুমাৰ ডেকা, সুনীল চহৰীয়াৰ লগতে বহুতো অনুষ্ঠান-প্ৰতিষ্ঠান আৰু অলেখ গুণমুগ্ধই শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

প্ৰাক্তন সভাপতি তথা ধিং সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক মেহবুব মুক্তাৰক সম্বৰ্দ্ধনা

# মৈৰাবাৰী প্ৰেছ ক্লাৱৰ নতুন সমিতি গঠন

**অসম বাৰ্তা, মৈৰাবাৰী, ১৯ মে'** ঃ মৈৰাবাৰী প্ৰেছ ক্লাবৰ উদ্যোগত দেওবাৰে মৈৰাবাৰী প্ৰেছ ক্লাবৰ সভাগৃহত বাহাৰুল ওলোম চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত হয় এখন সাধাৰণ সভা। সম্পাদক শ্বৰিফুল হকে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা সভা খনত সৰ্বসন্মতি ক্ৰমে পুৰণা সমিতিখন ভংগ কৰি বাহাৰুল উলুম চৌধুৰীক সভাপতি, বদৰুজ জামান আক্তাৰক কাৰ্যকৰী সভাপতি, আৰু শ্বৰিফুল হকক সম্পাদক হিচাপে লৈ এখন ৩১ জনীয়া বলিষ্ঠ সমিতি গঠন কৰি দিয়া হয়। সমিতি গঠনৰ পাছত পুনৰ সাংবাদিক সকল মিলিত হয় এখন সম্বৰ্ধনা সভাত। একেজন সভাপতিৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভা খনত প্ৰেছ ক্লাৱৰ সদস্য সকলৰ লগতে উপস্থিত থাকে প্ৰেছ ক্লাৱৰ প্ৰাক্তন সভাপতি তথা ধিং বিধানসভা সমষ্টিৰ নৱ-নিৰ্বাচিত বিধায়ক মেহবুব মুক্তাৰ, সমাজ কৰ্মী জুলফি আহমেদ, জ্যেষ্ঠ সাংবাদিক প্ৰণৱ গোস্বামী আৰু ছাইফুল ইছলামকে ধৰি কেবাজনো অতিথি। গাম্ভীৰ্যপূৰ্ণ সম্বৰ্ধনা সভা খনত উষ্ম সম্বৰ্দ্ধনা জনোৱা হয় নৱ নিৰ্বাচিত বিধায়ক মেহবুব মুক্তাৰক। উল্লেখ্য যে, মেহবুব মুক্তাৰ দীৰ্ঘদিন ধৰি মৈৰাবাৰী প্ৰেছ ক্লাবৰ সভাপতি হিচাপে সক্ৰিয়ভাৱে কাৰ্যনিবাহ কৰিছিল। তেওঁ অঞ্চলটোৰ সংবাদ জগতৰ লগতে বিভিন্ন সামাজিক উন্নয়নমূলক কৰ্মৰাজীৰ সৈতে ওতপ্ৰোতভাৱে জড়িত আছিল। শেহতীয়াভাৱে তেওঁ ধিং সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ পিছত মৈৰাবাৰী প্ৰেছ ক্লাবৰ তৰফৰ পৰা তেওঁৰ এই সফলতাক প্ৰশংসা কৰি আৰু ভৱিষ্যত কৰ্মজীৱনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰি এই সম্বৰ্দ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। অনুষ্ঠানত মৈৰাবাৰী প্ৰেছ ক্লাবৰ বৰ্তমানৰ বিষয়ববীয়া আৰু সদস্যসকলে বিধায়কগৰাকীক ফুলাম গামোচা, জাপি, শৰাই আৰু সম্বৰ্দ্ধনা পত্ৰৰে আনুষ্ঠানিকভাৱে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। সভাত উপস্থিত থকা কেবাজনো জ্যেষ্ঠ সাংবাদিকে বক্তব্য ৰাখি মুক্তাৰৰ সাংবাদিক জীৱনৰ কৰ্মৰাজিৰ ওপৰত আলোকপাত কৰে। ভাষণ প্ৰসঙ্গত জ্যেষ্ঠ সাংবাদিক প্ৰণৱ গোস্বামীয়ে মেহবুব মুক্তাৰৰ প্ৰশংসা কৰি কয় যে - মেহবুব মুক্তাৰ কেৱল এজন সফল সাংবাদিক। আৰু এতিয়া ৰাজনীতিবিদ হিচাপেও তেওঁৰ সফলতা লাভ যে কৰিব সেয়া নিশ্চিত। তেওঁ এগৰাকী নিষ্ঠাৱান সাংবাদিকৰ সমান্তৰালকৈ সমাজকৰ্মীও আছিল। প্ৰেছ ক্লাবৰ সভাপতি হিচাপে তেওঁৰ কাৰ্যকালত মৈৰাবাৰী অঞ্চলৰ সংবাদ মাধ্যমে এক নতুন মাত্ৰা লাভ কৰিছিল। এতিয়া বিধায়ক হিচাপে তেওঁ ধিং সমষ্টিৰ সামগ্ৰিক উন্নয়নৰ বাবে কাম কৰি যাব বুলি আমাৰ দৃঢ় বিশ্বাস। সম্বৰ্ধনা সভা খনত মেহবুব মুক্তাৰে সম্বৰ্দ্ধনা গ্ৰহণ কৰি আৱেগিক হৈ পৰে। বিধায়ক মেহবুব মুক্তাৰে মৈৰাবাৰী প্ৰেছ ক্লাবৰ প্ৰতি গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰে। বিধায়ক গৰাকীয়ে কয় যে - মৈৰাবাৰী প্ৰেছ ক্লাৱ মোৰ বাবে এটা পৰিয়ালৰ দৰে। ইয়াতেই মই সমাজৰ সুখ-দুখক নিচেই কাষৰ পৰা দেখিবলৈ আৰু বুজিবলৈ শিকিছোঁ। ৰাইজে মোক যি দায়িত্ব দিছে, মই তাৰ মৰ্যাদা ৰক্ষা কৰিবলৈ চেষ্টা কৰিম। ধিং সমষ্টিৰ বান-খহনীয়া সমস্যা, শিক্ষা, স্বাস্থ্য আৰু যাতায়ত ব্যৱস্থাৰ উন্নতিকৰণেই মোৰ প্ৰথম লক্ষ্য হ'ব। তেওঁ মৈৰাবাৰী প্ৰেছ ক্লাবৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে সদায় সহায়ৰ হাত আগবঢ়াব বুলিও প্ৰতিশ্ৰুতি দিয়ে। সম্বৰ্দ্ধনা সভাখনৰ শেষত মৈৰাবাৰী প্ৰেছ ক্লাবৰ সভাপতি বাহাৰুল উলুম চৌধুৰীয়ে সভাপতিৰ মন্তব্যত মুক্তাৰৰ সাংবাদিক জীৱনৰ ত্যাগক সোঁৱৰণ কৰে। সদৌ শেষত সম্পাদক শ্বৰিফুল হকে শলাগৰ শৰাই আগবঢ়াই। উল্লেখ্য যে এই সভাতে নৱনিৰ্বাচিত সভাপতি গৰাকীকো সম্বৰ্ধনা পত্ৰৰে সতীৰ্থ সকলে শুভেচ্ছা জ্ঞাপন কৰে। কাৰ্যসূচীৰ অন্তত সাংবাদিক সতীৰ্থ সকলৰ সৈতে বিধায়ক মেহবুব মোক্তাৰে এটি প্ৰীতি ভোজত অংশগ্ৰহণ কৰে।

# ৰূপহীত অবৈধ গাড়ী টেঁগুৰ বিৰুদ্ধে শিক্ষক সমাজ

**অসম বাৰ্তা, ৰূপহীহাট, ১৯ মে'** ঃ ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত নিতৌ সৃষ্টি হৈ আহিছে ব্যাপক যান-জঁটৰ। বিদ্যালয়খনৰ সন্মুখত আৰু কাষত বছৰৰ পিছত বছৰ ধৰি চলি আহিছে ই-ৰিস্কা, টেম্পু, মেজিকৰ অবৈধ ষ্টেণ্ড। নগাঁও-নলতলী ৰাজ্যিক ঘাইপথৰ কাষত অৱস্থিত ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত পুৱাৰে পৰা নিশা পৰ্যন্ত সৃষ্টি হোৱা অভাৱনীয় যানজঁটৰ বাবেই প্ৰায়েই সংঘটিত হৈ আহিছে সৰু বৰ দুৰ্ঘটনাৰ। বিগত সময়ত আহত, নিহত হৈছে কেইবাজনো ছাত্ৰ ছাত্ৰীৰ। প্ৰায় বাৰ শ ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি থকা বিদ্যালয়খনৰ গাতে গঢ় লৈ উঠা দুটাকৈ অবৈধ ষ্টেণ্ডৰ বাবেই ছাত্ৰ-ছাত্ৰী সকলৰ অহা যোৱাৰ ক্ষেত্ৰত ব্যাপক সমস্যাৰ সন্মুখীন হৈ আহিছে। শেহতীয়াকৈ বিদ্যালয়খনৰ সন্মুখতে এগৰাকী ছাত্ৰীক এখন সৰু গাড়ীয়ে খুন্দিয়াই থৈ যোৱাৰ পাছত ছাত্ৰীগৰাকীক প্ৰথমে ৰূপহী মডেল হস্পিটেলত ভৰ্তি কৰোৱা হয় যদিও অৱস্থা অতি সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে নগাঁও মেডিকেল কলেজ হস্পিটেলত ভৰ্তি কৰোৱা হয়। যাৰ বাবে বিদ্যালয়খনৰ শৈক্ষিক তত্ত্বাৱধায়ক সমিতিৰ হৈ একাংশ শিক্ষকে কাষ চাপিছে স্থানীয় ৰূপহীহাট আৰক্ষীৰ। শিক্ষক সমাজে জিলা আৰক্ষী অধীক্ষক, জিলা পৰিবহণ বিষয়া, কলিয়াবৰ সম জিলা আৰক্ষী অধীক্ষকৰ হাততো ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ সুৰক্ষা বিচাৰি দাবী পত্ৰ দাখিল কৰিব বুলি সংবাদ মাধ্যমৰ আগত জানিব দিয়ে। যানজঁট নিয়ন্ত্ৰণ কৰি ছাত্ৰ-ছাত্ৰীক দুৰ্ঘটনাৰ কবলৰ পৰা ৰক্ষা কৰিবলৈ দাবী জনালে শিক্ষক সমাজে। একাংশ প্ৰভাৱশালী লোকৰ পৃষ্ঠপোষকতাত চলি থকা অবৈধ যাত্ৰীবাহী সৰু বৰ গাড়ীৰ ষ্টেণ্ড দুটা বিদ্যালয়ৰ কাষৰ পৰা আঁতৰাই দিয়াৰো দাবী তুলিলে শিক্ষকসকলে।

৩০ গৰাকী ৰোগীক ঔষধ আৰু পৰিপুষ্টি খাদ্য-সামগ্ৰী বিতৰণ

# বকোৰ ষষ্ঠপুৰত প্ৰধানমন্ত্ৰী যক্ষ্মা ৰোগমুক্ত অভিযান ও সজাগতা সভা আয়োজন

**অসম বাৰ্তা, বকো, ১৯ মে'** ঃ অসম চৰকাৰৰ দ্বাৰা গঠিত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত আজি কামৰূপ জিলাৰ বকোৰ ষষ্ঠপুৰত প্ৰধানমন্ত্ৰী যক্ষ্মা (টিবি) ৰোগমুক্ত অভিযান আৰু সজাগতা সভা অনুষ্ঠিত হয়। ৰাভা হাছং পৰিষদৰ বকো পৰিষদীয় সমষ্টিৰ অন্তৰ্গত ষষ্ঠপুৰৰ বডোছা ক্লাৱত এক মনোজ্ঞ পৰিবেশত আয়োজন কৰে যক্ষ্মা ৰোগ মুক্ত অভিযান আৰু সজাগতা সভাখন। বকো পৰিষদৰ কাৰ্য্যবাহী সদস্য সুমিত ৰাভাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সজগতা সভাত বৃহত্তৰ অঞ্চলটোৰ প্ৰায় ৩০ গৰাকী টি বি ৰোগীক ঔষধ আৰু পৰিপুষ্টি খাদ্য সামগ্ৰীৰ টোপোলা বিতৰণ কৰে। ইফালে যক্ষ্মা ৰোগ মুক্ত অভিযানৰ সজাগতা সভাত ৰাভা হাছং পৰিষদৰ অধ্যক্ষ সোণাৰাম ৰাভা; কাৰ্য্যবাহী সদস্য অৰ্জুন চেত্ৰী, ৰাভা হাছং পৰিষদৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ কাৰ্যবাহী সদস্য প্ৰবোধ কলিতা, সাধাৰণ সদস্যা মিনতি বড়ো, বি কে ডব্লিউ এ চিৰ কাৰ্য্যবাহী সদস্য দশৰথ বড়ো, মহকুমা স্বাস্থ্য বিষয়া ডাঃ ধ্ৰুৱ বৰুৱা, বকো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ জ্যেষ্ঠ যক্ষ্মা ৰোগ চিকিৎসা পৰিদৰ্শক ধ্ৰুৱজ্যোতি মেধিৰ উপৰিও ৰাভা হাছং যৌথ মঞ্চৰ বহুকেইজন বিষয় ববীয়া আৰু বহু সংখ্যক বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰে। ইফালে যক্ষ্মা ৰোগ অৰ্থাৎ টিবি ৰোগ প্ৰতিৰোধ তথা মুক্ত অভিযান আৰু সজাগতা সভাত সংশ্লিষ্ট ৰোগ বিধৰ ওপৰত আলোকপাত কৰি সজাগতাৰ ফলত এই ৰোগ বিধৰ চিকিৎসাৰ উপায় আছে বুলি জানিব দিয়ে। ইয়াৰ পিছতে এই ৰোগীক ঔষধ আৰু পৰিপুষ্টি খাদ্য সামগ্ৰীৰ টোপোলা বিতৰণ কৰি প্ৰবোধ কলিতাই কয় যে- সমগ্ৰ ৰাভা হাছং এলেকাত এই সজাগতা অভিযান পালন কৰা হৈছে আৰু ২০২৮ চনৰ আগে আগে ৰাভা হাছং পৰিষদ এলেকাত যক্ষ্মা ৰোগ নিৰ্মূল কৰা হ'ব। লগতে ৰাইজক সজাগ হ'বলৈ আহ্বান জনায়।

# অৱসৰপ্ৰাপ্ত কৰ্মচাৰীক একত্ৰিত কৰি এটা শক্তিশালী সংগঠন গঢ়ি তোলাৰ লক্ষ্যৰে চৰকাৰী পেন্সনাৰ সন্থাৰ সভা

**অসম বাৰ্তা, সৰুপথাৰ, ১৯ মে'** ঃ সোমবাৰে সৰুপথাৰ ৰেডক্ৰছ ভৱনত ধৰ্মেশ্বৰ দুৱৰাৰ সভাপতিত্বত চৰকাৰী পেন্সনাৰ সন্থাৰ সৰুপথাৰ সম-জিলা সমিতি গঠনৰ উদ্দেশ্যে এখন গুৰুত্বপূৰ্ণ সাধাৰণ সভা অনুষ্ঠিত হৈ যায়, য'ত আহ্বায়কসকলৰ হৈ দিলীপ কোঁৱৰে সভাৰ মূল উদ্দেশ্য ব্যাখ্যা কৰি কয় যে অসমৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত থকা সকলো চৰকাৰী বিভাগৰ উচ্চ স্তৰৰ পৰা নিম্ন স্তৰলৈকে ৰাজ্য চৰকাৰৰ অধীনস্থ আটাইবোৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীক একত্ৰিত কৰি এটা শক্তিশালী সংগঠন গঢ়ি তোলাই ইয়াৰ মূল লক্ষ্য আৰু এই সন্থাৰ জৰিয়তে পেন্সনাৰসকলৰ বিভিন্ন সমস্যাসমূহ সমাধান কৰাৰ লগতে সকলোৰে একগোট হৈ সমাজৰ সৰ্বাংগীণ মংগলৰ বাবে কাম কৰি যাব বুলি সংকল্প গ্ৰহণ কৰা হয়। চৰকাৰী পেন্সনাৰ সন্থা, অসমৰ কেন্দ্ৰীয় সমিতিৰ সদস্য ধীৰেণ শইকীয়া, গোলাঘাট জিলা শাখাৰ সভাপতি পুষ্পেন্দ্ৰ গোহাঁই, সম্পাদক হৰেণ শইকীয়া আৰু কোষাধ্যক্ষ প্ৰফুল্ল গোস্বামীৰ দৰে বিশিষ্ট বিষয়ববীয়াসকলৰ সন্মানীয় উপস্থিতিত অনুষ্ঠিত হোৱা এই সাধাৰণ সভাতে সৰ্বসন্মতিক্ৰমে ধৰ্মেশ্বৰ দুৱৰাক সভাপতি, ৰাজেন কুমাৰ গোহাঁইক উপ-সভাপতি, দিলীপ কোঁৱৰক সম্পাদক, হৰেণ কলিতা আৰু নগেন গোহাঁইক যুটীয়া সম্পাদক তথা তিলক ডেকাক কোষাধ্যক্ষ হিচাপে দায়িত্ব অৰ্পণ কৰি সৰ্বমুঠ ২৫ জনীয়া এখন শক্তিশালী পূৰ্ণাংগ সম-জিলা সমিতি গঠন কৰা হয়।

# শ্বহীদ তিলক ডেকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিদায়ী সভা অনুষ্ঠিত

**অসম বাৰ্তা, বেৰেজীয়া, ১৯ মে'** ঃ মৰিগাঁও জিলাৰ বাৰপুজীয়া নিজমিকিৰ গাঁৱৰ শ্বহীদ তিলক ডেকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ডিম্বেশ্বৰ মেধি ডাঙৰীয়াই যোৱা ২৮ ফেব্ৰুৱাৰী তাৰিখে অৱসৰ গ্ৰহণ কৰে। তদুপলক্ষে ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক পূৰ্ণিমা দেৱীৰ নেতৃত্বত বিদ্যালয় কৰ্তৃপক্ষ আৰু ছাত্ৰ-ছাত্ৰী সকলে আজি ১৮ মে' ২০২৬ তাৰিখে শিক্ষা গুৰু গৰাকীক আনুষ্ঠানিকভাৱে বিদায়ী সম্ভাষণ জনাবলৈ এক বিশেষ অনুষ্ঠানৰো আয়োজন কৰে। বিদ্যালয় খনিৰ পৰিচালনা সমিতিৰ সভাপতি পুলিন চন্দ্ৰ বৰদলৈৰ সঞ্চালনাত অনুষ্ঠিত সভা খনিৰ আৰম্ভণিতেই দশম মানৰ ছাত্ৰ-ছাত্ৰী সকলে এটি সমবেত সংগীত পৰিৱেশন কৰে। সহকৰ্মী আৰু ছাত্ৰ-ছাত্ৰী সকলোৰে শ্ৰদ্ধাৰ প্ৰধান শিক্ষক গৰাকীক এক আবেগিক পৰিৱেশৰ মাজত




বিদায়ী সম্ভাষণ জনায়। কোনোৱে শৰাই, কোনোৱে গামোচা-চেলেং, কোনোৱে গ্ৰন্থ, কোনোৱে গছৰ পুলি, কোনোৱে স্মাৰক, সম্বৰ্ধনা পত্ৰ আদি আগবঢ়াই শিক্ষাগুৰু জনৰ পৰা আশীৰ্বাদ গ্ৰহণ কৰি এক শোকাকুল পৰিৱেশ সৃষ্টি কৰে। অনুষ্ঠানটিত উপস্থিত থাকি বক্তব্য ৰাখে পৰিচালনা সমিতিৰ উপ-সভাপতি শ্ৰীমন্ত কুমাৰ ডেকা, বাৰপূজীয়া শাখা সাহিত্য সভাৰ সভাপতি ডাঃ প্ৰদীপ কুমাৰ ডেকা, জেষ্ঠ নাগৰিক সন্থাৰ সভাপতি দুলেন চন্দ্ৰ ডেকা আৰু সম্পাদক প্ৰনৱ ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক দুলাল সেনাপতি, প্ৰদীপ নাথ আদি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি। অনুষ্ঠানটিৰ সঙ্গতি ৰাখি সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিশেষ সফলতা প্ৰদৰ্শন কৰা বিদ্যালয় খনিৰ সাত গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনাই বিদ্যালয় কৰ্তৃপক্ষই। শিক্ষক ৰাতুল নাথ আৰু অঞ্জলি দেৱীয়ে সমগ্ৰ অনুষ্ঠানটি আঁত ধৰি সফল ৰূপায়ণৰ বাবে সকলোকে কৃতজ্ঞতা জনায়।

# বিৰোধী দলপতি পদক লৈ কংগ্ৰেছত দুটা শিবিৰ

অধিষ্ঠিত কৰাৰ সম্ভাৱনা প্ৰবল। উল্লেখযোগ্য যে পূৰ্বতে ১২৬ জনীয়া অসম বিধানসভাত অন্ততঃ ২১ গৰাকী বিধায়ক থকা দলেহে বিৰোধী দলপতিৰ মৰ্যাদা লাভ কৰিছিল। কিন্তু শেহতীয়াকৈ নিয়ম সংশোধন হোৱাত এতিয়া ১৩ গৰাকী বিধায়ক থকা বিৰোধী দলেও বিৰোধী দলপতি পদ লাভৰ বাট মুকলি হৈছে। অৱশ্যে এই সিদ্ধান্ত সম্পূৰ্ণৰূপে বিধানসভাৰ অধ্যক্ষৰ ওপৰত নিৰ্ভৰশীল। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত মুখ্য বিৰোধী দল কংগ্ৰেছে ১৯ গৰাকী বিধায়ক লাভ কৰিছে। এই পৰিপ্ৰেক্ষিতত কংগ্ৰেছ নিশ্চিতভাৱে বিৰোধী দলপতিৰ পদ লাভ কৰিব। কিন্তু বৰ্তমান চৰ্চাৰ মূল বিষয় হৈছে— কাক এই গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত কৰা হ'ব। এই সন্দৰ্ভত স্বাভাৱিকতে সমস্যাত পৰিছে বিৰোধী দলটো। পূৰ্বেই উল্লেখ কৰা মতে, কংগ্ৰেছৰ ১৯ গৰাকী বিধায়কৰ ভিতৰত ১৮ গৰাকী মুছলমান সম্প্ৰদায়ৰ। নাওবৈচা সমষ্টিৰ বিধায়ক ডাঃ জয়প্ৰকাশ দাস হৈছে কংগ্ৰেছ দলৰ একমাত্ৰ হিন্দু ধৰ্মৰ প্ৰতিনিধি। প্ৰথমবাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হোৱা জয়প্ৰকাশ দাস ৰাজনীতিত যথেষ্ট পুৰণি যদিও বিধায়ক হিচাপে একেবাৰে নতুন। ইয়াৰ পূৰ্বে তেওঁ শক্তিশালী প্ৰতিদ্বন্দ্বিতা কৰিও দুটা বিধানসভা নিৰ্বাচনত পৰাজিত হৈছিল। এনএছইউআই আৰু যুৱ কংগ্ৰেছৰ মজিয়া গৰকি অহা জয়প্ৰকাশ দাসক যদি বিৰোধী দলপতি পদত অধিষ্ঠিত কৰা হয়, তেন্তে আন বিধায়কসকলে তেওঁৰ নিৰ্দেশ মানি চলিবনে নোৱাৰে, তাৰ ওপৰতো দলৰ ভিতৰত চৰ্চা আৰম্ভ হৈছে। ইফালে কংগ্ৰেছৰ ১৯ গৰাকী বিধায়কৰ ভিতৰত আটাইতকৈ জ্যেষ্ঠ হৈছে ধুবুৰী জিলাৰ অন্তৰ্গত বীৰসিং জাৰুৱা সমষ্টিৰ বিধায়ক ৱাজেদ আলী চৌধুৰী। তেওঁৰ উপৰিও জ্যেষ্ঠতাৰ ক্ষেত্ৰত ছমৰীয়াৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ, পাকাবেতবাৰীৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰ আৰু ৰূপহীহাটৰ বিধায়ক নুৰুল হুদাও আছে। গতিকে জ্যেষ্ঠতাৰ ভিত্তিত বিধায়ক নিযুক্তি দিয়া হ'লে ৱাজেদ আলী চৌধুৰীৰ সম্ভাৱনাই বেছি। তথাপি লক্ষণীয় যে ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ সৈতে ৱাজেদ আলী চৌধুৰীৰ ৰাজনৈতিক সম্পৰ্ক সিমান অনুকূল নহয়। এনে পৰিস্থিতিত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে নাওবৈচাৰ একমাত্ৰ হিন্দু বিধায়ক জয়প্ৰকাশ দাসক নে বীৰসিং জাৰুৱাৰ ৱাজেদ আলী চৌধুৰীক বিৰোধী দলপতিৰ পদত অধিষ্ঠিত কৰে, সেই সন্দৰ্ভত গভীৰ উৎকণ্ঠা বিৰাজ কৰিছে। ইতিমধ্যে কংগ্ৰেছৰ নিৰ্বাচিত ১৯ গৰাকী বিধায়কে দলৰ হাইকমাণ্ডৰ সৈতে আলোচনা কৰি বিৰোধী দলপতি নিৰ্বাচনৰ কৰ্তৃত্ব প্ৰদেশ কংগ্ৰেছ সভাপতি গৌৰৱ গগৈক অৰ্পণ কৰিছে। বৰ্তমান গৌৰৱ গগৈ নতুন দিল্লীত আছে। তেওঁ দিল্লীৰ কংগ্ৰেছ নেতৃত্বৰ সৈতে আলোচনা কৰি অহা ২১ মে'ৰ পূৰ্বেই এজন বিধায়কক বিৰোধী দলপতি পদত অধিষ্ঠিত কৰাৰ সম্ভাৱনা আছে। বিৰোধী দলপতিৰ প্ৰসংগক লৈ কংগ্ৰেছৰ ভিতৰতে সংঘাত আৰম্ভ হৈছে। প্ৰদেশ কংগ্ৰেছৰ এগৰাকী জ্যেষ্ঠ মুখপাত্ৰই জনোৱা অনুসৰি, বিৰোধী দলপতি নিৰ্বাচন সন্দৰ্ভত ২০ মে'ত ৰাজীৱ ভৱনত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হ'ব। নৱনিৰ্বাচিত সকলো বিধায়ক উপস্থিত থকা এই বৈঠকতে বিধায়িনী দলৰ নেতা নিৰ্বাচিত কৰা হ'বদলৰ একাংশ নেতাই একমাত্ৰ হিন্দু বিধায়ক জয়প্ৰকাশ দাসক বিধায়িনী দলৰ নেতা নিৰ্বাচিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আনহাতে দলৰ একাংশই সংখ্যালঘু সম্প্ৰদায়ৰ এগৰাকী জ্যেষ্ঠ বিধায়কক বিধায়িনী দলৰ নেতা হিচাপে বিচাৰিছে। ফলত এই বিষয়টোক লৈ দলটোত দুটা শিবিৰৰ সৃষ্টি হৈছে। কংগ্ৰেছৰ এই পৰিস্থিতিত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে এআইইউডিএফ দলে। কংগ্ৰেছৰ বিধায়িনী দলৰ নেতা হিচাপে একমাত্ৰ হিন্দু বিধায়কগৰাকীকে নিৰ্বাচিত কৰাৰ বাবে ইতিমধ্যে আহ্বান জনাইছে এআইইউডিএফৰ নেতা বদৰুদ্দিন আজমলে। চৰ্চিত এই বিষয়টোৰ ওপৰত কংগ্ৰেছৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে কয়, "দলৰ হাইকমাণ্ডে চূড়ান্ত সিদ্ধান্ত ল'ব। তেওঁলোকে যিগৰাকী বিধায়কক বিধায়িনী দলৰ নেতা হিচাপে দায়িত্ব দিয়ে, আমি সকলোৱে তেওঁকে মানি ল'ম।" নাওবৈচাৰ বিধায়ক ডাঃ জয়প্ৰকাশ দাসে কয়, "আমাৰ দলৰ নেতৃত্বই যি সিদ্ধান্ত লয়, তাত আমি ১৯ গৰাকী বিধায়কৰ সম্পূৰ্ণ সমৰ্থন আছে। আমি ইতিমধ্যে দলৰ সভাপতিক অৱগত কৰিছো। বিৰোধী দলপতি যাকে দিয়া নহওক, আমি সকলো তেওঁৰ পক্ষত আছো। আমাৰ দায়িত্ব হ'ব তেওঁক সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱা।" বিৰোধী দলপতিৰ ক্ষেত্ৰত উত্থাপিত হিন্দু-মুছলমান প্ৰসংগত তেওঁ কয়, "মই আগতে কৈছো, আমাক হিন্দু বা মুছলমান বুলি বিধায়কৰ প্ৰমাণপত্ৰ দিয়া নাই। নিৰ্বাচন আয়োগে আমাক নাওবৈচাৰ বিধায়ক বুলি চাৰ্টিফিকেট দিছে, তাত হিন্দু-মুছলমান উল্লেখ নাই। হিমন্ত বিশ্ব শৰ্মাকে ধৰি আমি ১২৬ গৰাকী বিধায়ক, ইয়াত হিন্দু-মুছলমানৰ কথা নাই। বিজেপিয়ে এই লৈ এটা নেৰেটিভ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে। এইটো বিজেপিৰ পুৰণা এজেণ্ডা, যিয়ে কাম নকৰে। অসমৰ ৩.৪০ কোটি মানুহৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ বিৰোধী হিচাপে যি কৰিবলগীয়া আছে, আমি ১৯ গৰাকী বিধায়কে সেইখিনি কৰিম বুলি আলোচনা কৰিছো।" অন্যহাতে, কংগ্ৰেছৰ জ্যেষ্ঠ বিধায়ক ৱাজেদ আলী চৌধুৰীয়ে কয়, "বিৰোধী দলপতি কোন হ'ব, তাৰ বাবে আমাৰ ১৯ গৰাকী বিধায়কৰ মাজত কোনো মতবিৰোধ নাই। দলৰ নেতৃত্বই যাক দায়িত্ব দিয়ে আমি সকলোৱে মানি ল'ম। ইয়াত হিন্দু-মুছলমানৰ কোনো কথা নাই। আমি ১৯ গৰাকী বিধায়কে বিধানসভাত বিৰোধীৰ ভূমিকা সঠিকভাৱে পালন কৰিম।" জয়প্ৰকাশ দাসে মুখ্যমন্ত্ৰীক নাওবৈচাৰ উন্নয়নৰ প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ আহ্বান জনাই কয়, "নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নাওবৈচাৰ উন্নয়নৰ বাবে ১০০ কোটি টকা প্ৰদান কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। সেয়ে মই মুখ্যমন্ত্ৰীক আহ্বান জনাম, তেওঁ যি বক্তব্য ৰাখিছে, সেয়া আখৰে আখৰে পালন কৰক। নাওবৈচাৰ উন্নয়নৰ বাবে তেওঁ দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰক।"

# ৰাহুল গান্ধীৰ প্ৰশ্ন- মোদীজী, আপোনাৰ ব্যক্তিগত

টুইটাৰ নামেৰে জনাজাত এ' যোগে দিয়া এক পোষ্টত ৰাহুল গান্ধীয়ে কয়, 'আজিকালি আমি বহুত ভাল খবৰ পাওঁ। মোদী জী, নৰৱেই তেওঁলোকৰ পেঞ্চন ফাণ্ডৰ ক'লা তালিকাৰ পৰা আদানিক আঁতৰাবলৈ কৰা আপোনাৰ ব্যক্তিগত অনুৰোধ মানি লৈছেনে?' পোষ্টটোৰ লগত তেওঁ দুটা বাতৰিৰ ছবিও সংলগ্ন কৰে। প্ৰথমটো যোৱা ২৭ ফেব্ৰুৱাৰীৰ, য'ত উল্লেখ আছিল যে নৰৱেৰ ছোভাৰেইন ৱেলথ ফাণ্ডে আদানি গ্ৰীণ এনাৰ্জিক নিজৰ পৰ্টফলিঅ'ৰ পৰা বাদ দিছে। দ্বিতীয়টো ১৮ মে'ৰ বাতৰি, য'ত ৪৩ বছৰৰ পাছত এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ ঐতিহাসিক নৰৱে ভ্ৰমণৰ কথা লিখা আছিল। চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহতে বিশ্বৰ আটাইতকৈ ডাঙৰ ১.২ ট্ৰিলিয়ন ডলাৰৰ ছোভাৰেইন ৱেলথ ফাণ্ডটোৱে আদানি গ্ৰীণ এনাৰ্জি লিমিটেডক বিত্তীয় অপৰাধৰ সৈতে জড়িত থকাৰ অভিযোগ উল্লেখ কৰি নিজৰ পৰ্টফলিঅ'ৰ পৰা বাদ দিয়াৰ সিদ্ধান্ত লৈছিল। নৰ্গেছ বেংকে নিজৰ ৱেবছাইটত প্ৰকাশ কৰা মতে, ইয়াৰ আগতে ২০২৪ চনৰ মে' মাহত আদানি পোৰ্টছ এণ্ড স্পেচিয়েল ইকনমিক জ'ন লিমিটেডক বাদ দিয়া হৈছিল। এতিয়া আদানি গ্ৰীণকো একে তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। এই সিদ্ধান্তৰ কাৰণ হিচাপে দুৰ্নীতি বা আন কোনো গুৰুতৰ বিত্তীয় অপৰাধ দৰ্শোৱা হৈছিল যদিও কোনো বিতং ব্যাখ্যা আগবঢ়োৱা নাছিল। উল্লেখযোগ্য যে ২০২০ চনৰ জুলাই মাহত নৰ্গেছ বেংকে প্ৰথমবাৰৰ বাবে আদানি গ্ৰীণৰ শ্বেয়াৰ ক্ৰয় কৰিছিল। তেতিয়া প্ৰতিটো শ্বেয়াৰৰ মূল্য আছিল ৩৪১ টকা। যোৱা ২৭ ফেব্ৰুৱাৰীত বাদ দিয়াৰ সময়ত এই শ্বেয়াৰৰ মূল্য বৃদ্ধি পাই ৯৪৪ টকালৈ গৈছিল। এই পৰিস্থিতিত কোম্পানীটোৱে তৎক্ষণাত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাছিল যদিও উদ্যোগটোৰ একাংশ বিষয়াই কয় যে জীৱাশ্ম ইন্ধনৰ পুঁজিৰে পৰিচালিত এক ফাণ্ডে নবীকৰণযোগ্য শক্তি কোম্পানী এটাৰ বিৰুদ্ধে এক নেতিবাচক ধাৰণা সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে।

# নাগৰিকত্ব নিয়মত কঠোৰতা;

কৰিব লাগিব যে তেওঁলোকৰ ওচৰত পাকিস্তান, বাংলাদেশ বা আফগানিস্তান চৰকাৰে জাৰি কৰা কোনো পাছপ'ৰ্ট আছে নে নাই। কেৱল সেয়াই নহয়, ভাৰতীয় নাগৰিকত্ব লাভ কৰাৰ পিছত ১৫ দিনৰ ভিতৰত এই পাছপ'ৰ্টসমূহ চৰকাৰৰ ওচৰত জমা দিয়াও বাধ্যতামূলক কৰা হৈছে। গৃহ মন্ত্ৰালয়ে জাৰি কৰা চৰকাৰী জাননী অনুসৰি, 'নাগৰিকত্ব (সংশোধন) নিয়ম, ২০২৬'-ত এটা নতুন নিয়ম সংযোজন কৰা হৈছে। ইয়াৰ অধীনত আবেদনকাৰীৰ ওচৰত উক্ত তিনিখন দেশৰ কোনো বৈধ বা ম্যাদ উকলি যোৱা পাছপ'ৰ্ট থাকিলে সেই তথ্য জনোৱা বাধ্যতামূলক। আবেদনকাৰীয়ে পাছপ'ৰ্টৰ নম্বৰ, জাৰি কৰা তাৰিখ আৰু স্থান, লগতে ম্যাদ উকলি যোৱাৰ তাৰিখসহ সকলো বিৱৰণ চৰকাৰক দিব লাগিব। ভাৰতীয় নাগৰিকত্ব মঞ্জুৰ হোৱাৰ পিছত এই পাছপ'ৰ্টসমূহ ডাক বিভাগৰ জ্যেষ্ঠ ডাক অধীক্ষক বা জিলা ডাক অধীক্ষকৰ ওচৰত অৰ্পণ কৰিব লাগিব। চৰকাৰী ৰাজপত্ৰত এই নিয়মসমূহ প্ৰকাশ পোৱাৰ তাৰিখৰ পৰাই ই কাৰ্যকৰী হ'ব। উল্লেখযোগ্য যে নাগৰিকত্ব সংশোধনী আইন (চিএএ)ৰ অধীনত ৩১ ডিচেম্বৰ, ২০১৪ চনৰ পূৰ্বে ভাৰতত প্ৰৱেশ কৰা পাকিস্তান, বাংলাদেশ আৰু আফগানিস্তানৰ ছয়টা অ-মুছলিম সম্প্ৰদায়ৰ লোকক নাগৰিকত্ব প্ৰদানৰ সুবিধা দিয়া হয়। গৃহ মন্ত্ৰালয়ৰ এজন বিষয়াই জানিবলৈ দিয়া মতে, এই নতুন সংশোধনীৰ মূল উদ্দেশ্য হৈছে নাগৰিকত্ব প্ৰদানৰ প্ৰক্ৰিয়াত পৰীক্ষা-নিৰীক্ষা অধিক শক্তিশালী কৰা আৰু সঠিক ৰেকৰ্ড বজাই ৰখা। ইয়াৰ উপৰিও ইলে'ক্ট্ৰনিক অভাৰচিজ চিটিজেন অব ইণ্ডিয়া (ই-অচিআই) কাৰ্ড, অনলাইন আবেদন ব্যৱস্থা আৰু নাবালক শিশুৰ দ্বৈত পাছপ'ৰ্ট সম্পৰ্কীয় নিয়মসমূহো আগতকৈ অধিক কঠোৰ কৰা হৈছে। উল্লেখনীয় যে পশ্চিম বংগৰ বিধানসভা নিৰ্বাচন সমাপ্ত হোৱাৰ পিছতেই এই চৰকাৰী জাননী জাৰি কৰা হৈছে। পশ্চিম বংগৰ মতুৱা সম্প্ৰদায়ৰ বহু লোকৰ ওচৰত প্ৰয়োজনীয় নথি-পত্ৰ নথকা বুলি জনা গৈছে। এই সম্প্ৰদায়টোক বিজেপিৰ এটা ডাঙৰ সমৰ্থক গোট হিচাপে গণ্য কৰা হয়। বিভিন্ন জিলাত স্থাপন কৰা নাগৰিকত্ব সাহায্য শিবিৰসমূহত দলীয় কৰ্মীসকলে আবেদনকাৰীসকলক ফৰ্ম পূৰণ আৰু প্ৰয়োজনীয় নথি সংগ্ৰহ কৰাত সহায় কৰি আহিছিল। কিন্তু মতুৱা সম্প্ৰদায়ৰ কিছুমান সদস্যই নিজৰ বাংলাদেশী মূল পৰিচয় প্ৰকাশ কৰিবলগীয়া হোৱা বিষয়টোক লৈ উদ্বিগ্নতা প্ৰকাশ কৰিছে। লগতে আবেদন প্ৰক্ৰিয়াত সহায়ৰ বাবে মাচুল দিবলগীয়া হোৱা বুলিও তেওঁলোকে ক্ষোভ প্ৰকাশ কৰিছে।

# এনটিএত ব্যাপক সাল-সলনি; চাৰিজন জ্যেষ্ঠ বিষয়াক নিযুক্তি

ক্ষোভৰ মাজতে শিক্ষা মন্ত্ৰালয়ৰ নিৰ্দেশত কেইবাটাও গুৰুত্বপূৰ্ণ সংস্কাৰৰ কথা ঘোষণা কৰা হৈছে। এনটিএই স্পষ্টকৈ জানিবলৈ দিছে যে পৰীক্ষাৰ সুৰক্ষা আৰু ডিজিটেল ব্যৱস্থা আগতকৈ বহুত বেছি শক্তিশালী কৰা হ'ব। ইয়াৰ অংশ হিচাপে সংস্থাটোলৈ চাৰিজন জ্যেষ্ঠ বিষয়াক নিযুক্তি দিয়া হৈছে। নিযুক্তিপ্ৰাপ্তসকলৰ ভিতৰত দুজন যুটীয়া সচিব পৰ্যায়ৰ আৰু দুজন সঞ্চালক পৰ্যায়ৰ বিষয়া অন্তৰ্ভুক্ত। তেওঁলোকৰ প্ৰধান দায়িত্ব হ'ল সংস্থাটোৰ স্বচ্ছতা বৃদ্ধি কৰা, প্ৰশাসনিক সংস্কাৰ ৰূপায়ণ কৰা আৰু সমগ্ৰ পৰীক্ষা ব্যৱস্থাটোৰ ওপৰত কঠোৰ নজৰ ৰখা। নতুন নিযুক্তিৰ লগতে প্ৰথমবাৰৰ বাবে এনটিএই কাৰিকৰী, বিত্ত আৰু মানৱ সম্পদ বিভাগৰ বাবে সুকীয়া বিশেষজ্ঞ বিষয়া নিযুক্তিৰ প্ৰক্ৰিয়াও আৰম্ভ কৰিছে। সংস্থাটোৱে চীফ টেকন'লজী অফিচাৰ (চিটিঅ'), চীফ ফাইনেন্স অফিচাৰ (চিএফঅ') আৰু জেনেৰেল মেনেজাৰ-এইচআৰৰ দৰে গুৰুত্বপূৰ্ণ পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছে। এই পদসমূহৰ বাবে নিযুক্তিৰ অধিসূচনা জাৰি কৰা হৈছে আৰু আবেদনৰ অন্তিম তাৰিখ অধিসূচনা জাৰি হোৱাৰ পোন্ধৰ দিনৰ ভিতৰত ৰখা হৈছে। এই পৰিৱৰ্তনসমূহৰ ভিতৰত সৰ্বাধিক চৰ্চিত হৈ পৰিছে চীফ টেকন'লজী অফিচাৰ (চিটিঅ') পদটো। এতিয়াৰ পৰা পৰীক্ষা ব্যৱস্থাৰ সমগ্ৰ কাৰিকৰী সুৰক্ষা এজন জ্যেষ্ঠ কাৰিকৰী বিষয়াৰ প্ৰত্যক্ষ তত্ত্বাৱধানত থাকিব। এই বিষয়াজনে আৰ্টিফিচিয়েল ইণ্টেলিজেন্স (এআই) ভিত্তিক নিৰীক্ষণ ব্যৱস্থা, বায়'মেট্ৰিক পৰীক্ষণ, ফেচ অথেনটিকেচন, চাইবাৰ সুৰক্ষা আৰু প্ৰশ্নকাকতৰ সুৰক্ষাৰ দৰে ব্যৱস্থাসমূহ উন্নত আৰু শক্তিশালী কৰিব। সংস্থাটোৰ মতে, এতিয়াৰে পৰা প্ৰশ্নকাকত প্ৰস্তুত কৰাৰ স্তৰৰ পৰা আৰম্ভ কৰি ইয়াৰ ছপা আৰু পৰিবহণলৈকে প্ৰতিটো স্তৰতে কাৰিকৰী সুৰক্ষা প্ৰয়োগ কৰা হ'ব। লগতে এআই আৰু ডাটা এনালাইটিৰ জৰিয়তে সন্দেহজনক কাৰ্যকলাপৰ ওপৰত নিৰন্তৰ নজৰ ৰখা হ'ব। পৰীক্ষাকেন্দ্ৰসমূহত বায়'মেট্ৰিক চিনাক্তকৰণ ব্যৱস্থা আৰু অধিক শক্তিশালী কৰা হ'ব বুলিও জানিবলৈ দিয়া হৈছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা এনটিএই প্ৰতি বছৰে দেশজুৰি এক কোটিতকৈও অধিক ছাত্ৰ-ছাত্ৰীৰ বাবে বিভিন্ন প্ৰৱেশ পৰীক্ষা পৰিচালনা কৰে। এনে পৰিস্থিতিত শেহতীয়া বিতৰ্কই সংস্থাটোৰ বিশ্বাসযোগ্যতাৰ ওপৰত গুৰুতৰ প্ৰভাৱ পেলাইছিল। চৰকাৰ আৰু এনটিএই এতিয়া স্পষ্ট বাৰ্তা দিব বিচাৰিছে যে অনাগত সময়ত পৰীক্ষা প্ৰক্ৰিয়া সম্পূৰ্ণ সুৰক্ষিত, স্বচ্ছ আৰু বিশ্বাসযোগ্য কৰি তোলা হ'ব। এই লক্ষ্যতে উক্ত প্ৰশাসনিক আৰু কাৰিকৰী সংস্কাৰসমূহ ৰূপায়ণ কৰা হৈছে।

# নিৰ্ধাৰিত সময়ত পেঞ্চন নিষ্পত্তি নকৰিলে বিষয়াৰ

থকা বিষয়াসকলৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইয়াৰ লগতে তেওঁলোকক আৰ্থিক জৰিমনাও বিহা হ'ব বুলি জানিবলৈ দিয়া হৈছে। ৰাজ্য চৰকাৰে পেঞ্চন সম্পৰ্কীয় আন কেইবাটাও সৰলীকৃত প্ৰক্ৰিয়াও আৰম্ভ কৰিছে। এই সন্দৰ্ভত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এক বিবৃতি দি স্পষ্ট কৰে যে চৰকাৰে প্ৰাক্তন কৰ্মচাৰীসকলৰ প্ৰতি সম্পূৰ্ণৰূপে জবাবদিহী হৈ থাকিব। তেওঁ লগতে কয় যে কোনো বিষয়া যদি অহেতুকভাৱে পেঞ্চন নিষ্পত্তি প্ৰক্ৰিয়া দীৰ্ঘসূত্ৰী কৰে, তেন্তে তেওঁৰ বিৰুদ্ধে কঠোৰ শাস্তিমূলক ব্যৱস্থা লোৱাৰ উপৰি আৰ্থিক জৰিমনাও ধাৰ্য কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে চৰকাৰে ইতিমধ্যে পেঞ্চন প্ৰক্ৰিয়াকৰণ সৰল আৰু স্বচ্ছ কৰিবলৈ একাধিক পদ্ধতিৰ সংস্কাৰ সাধন কৰিছে। এই পদক্ষেপসমূহৰ ফলত প্ৰাক্তন কৰ্মচাৰীসকলে নিৰ্দিষ্ট সময়সীমাৰ ভিতৰতে নিজৰ প্ৰাপ্য পেঞ্চন লাভ কৰিব বুলি আশা ব্যক্ত কৰা হৈছে।

# অসমত ২০-৩০ বছৰলৈ

ৰণ কৌশল সম্পৰ্কে আলোচনা কৰা হয়। সভাখনত বিজেপি দলৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ শতাধিক কংগ্ৰেছ দলৰ নেতা কৰ্মী কংগ্ৰেছ দল ত্যাগ কৰি বিজেপি দলত যোগদান কৰে। বিজেপি দলত যোগদান কৰা সকলক পিযুষ হাজৰিকাই দলীয় টুপী আৰু গামোচাৰে আদৰি লয়। সভাৰ অন্তত সংবাদ মাধ্যমৰ আগত কংগ্ৰেছৰ বিৰুদ্ধে কেইবাটাও বিস্ফোৰক মন্তব্য কৰে পিযুষ হাজৰিকাই। অসমত ২০-৩০ বছৰলৈকে কংগ্ৰেছ আৰু আহিব নোৱাৰে। নিৰ্বাচনৰ সময়ত সংখ্যালঘু মানুহক নানা প্ৰলোভন কংগ্ৰেছে ভোট আদায় কৰি নিয়ে ফলত উন্নয়নৰ ক্ষেত্ৰত সমষ্টিটো পিছুৱাই যায়। ৰূপহীহাট সমষ্টিও উন্নয়নৰ ক্ষেত্ৰত বহু পিছুৱাই গৈছে। অসমৰ সংখ্যালঘু ৰাইজে যেতিয়া বুজিব তেতিয়া এআইইউডিএফৰ দৰে অসমৰ পৰা কংগ্ৰেছ দলো নাইকিয়া হৈ যাব। আগন্তুক নগাঁও লোকসভা নিৰ্বাচনত সংখ্যালঘু ৰাইজে বিজেপি দলৰ প্ৰাৰ্থীক বিপুল ভোটত জয়ী কৰাব বুলি আশাবাদী প্ৰাক্তন মন্ত্ৰী পিযুষ হাজৰিকা। ৰূপহীহাটত থানাৰ দালাল, ৰাজহ চক্ৰৰ দালাল আৰু পঞ্চায়তৰ দালালৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰিব বুলি সংবাদ মাধ্যমৰ আগত মত প্ৰকাশ কৰে। সভাখনত নগাঁও লোকসভা নিৰ্বাচনৰ বিজেপি দলৰ সম্ভাব্য প্ৰাৰ্থী সুৰেশ বৰা, বিজেপি অসম প্ৰদেশৰ সম্পাদক ৰাতুল শৰ্মা, এএছটিচিৰ উপাধ্যক্ষ প্ৰণৱজোতি লহকৰ, আৰু নগাঁও জিলা বিজেপিৰ সভাপতি সুৱৰ্ণ সিং উপস্থিত থাকে।

# চামগুৰিৰ ৰেকাপাহাৰৰ

হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। বন বিভাগৰ এক সূত্ৰই জানিবলৈ দিয়া মতে, ৰেকাপাহাৰ অঞ্চলৰ লেংটেং ২ নং বস্তিৰ হোলাত যোৱা নিশা এজনী বনৰীয়া হাতীৰ মৃতদেহ স্থানীয় লোকে প্ৰত্যক্ষ কৰি বন বিভাগক খবৰ দিয়ে। পৰৱৰ্তী সময়ত শালনা বনাঞ্চলিক কাৰ্যালয় আৰু শালবাৰী উপ-খণ্ড বন কাৰ্যালয়ৰ বন বিভাগৰ লোক উক্ত স্থানত উপস্থিত হৈ ৰহস্যজনকভাৱে মৃত্যু হোৱা বনৰীয়া হাতীজনী প্ৰত্যক্ষ কৰি তদন্ত আৰম্ভ কৰে। বনৰীয়া হাতীক বাধা দিবৰ কাৰণে কোনো দুৰ্বৃত্তই বৈদ্যুতিক তাঁৰ সংযোগ কৰাৰ ফলত বনৰীয়া হাতীজনী বৈদ্যুতিক তাঁৰত লাগি মৃত্যু হোৱা বুলি বন বিভাগৰ এক সূত্ৰই জানিবলৈ দিয়ে। বন বিভাগে হাতীজনীৰ মৃত্যু হোৱা সন্দৰ্ভত পৰৱৰ্তী সময়ত অনুসন্ধান চলাই লেংটেং ২ নং বস্তিৰ তথা হাতীজনী মৃত্যু হোৱা স্থানৰ সমীপৰ চাত্তাৰ উদ্দিন নামৰ লোকজনক আটক কৰাৰ লগতে তেওঁ লুকুৱাই থোৱা অৱস্থাত বৈদ্যুতিক তাঁৰ সমূহ বন বিভাগে জব্দ কৰে বুলি বন বিভাগৰ এক সূত্ৰই জানিবলৈ দিয়ে। বন বিভাগে আজি আটক কৰা চাত্তাৰ উদ্দিন নামৰ লোকজনক আৰু অধিক তথ্যৰ বাবে শালনা বনাঞ্চলিক কাৰ্যালয়ত জেৰা অব্যাহত ৰাখিছে বুলি বন বিভাগৰ এক সূত্ৰই জানিবলৈ দিয়ে। যোৱা নিশা মৃত অৱস্থাত উদ্ধাৰ হোৱা বনৰীয়া হাতীজনী আজি পশু বিভাগৰ চিকিৎসকে মৰণোত্তৰ পৰীক্ষা কৰাৰ পিছত উক্ত স্থানৰ সমীপতে পুটি থোৱা হয় বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চলত প্ৰৱেশ কৰা বনৰীয়া হাতীৰ জাকে আজি কিছুদিন ধৰি শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত বিভিন্ন স্থানত বিচৰণ কৰি এক আতংকময় পৰিস্থিতি সৃষ্টি কৰিছে। শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত গ্ৰামাঞ্চল সমূহত বনৰীয়া হাতীয়ে নিশা হ'লেই উপদ্ৰৱ চলাই আহিছে। চামগুৰিৰ গ্ৰামাঞ্চলত বন্যহস্তীয়ে উপদ্ৰৱ চলাই বহুলোকৰ বাসগৃহৰ লগতে ধানৰ ভঁৰাল আৰু পাকঘৰ ভাঙি তহিলং কৰাৰ লগতে খাদ্যবস্তুৰো অনিষ্ট সাধন কৰিছে। শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ উদমাৰী উপ-খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত গ্ৰামাঞ্চল সমূহত বৰ্তমান বনৰীয়া হাতীয়ে বহুলোকৰ বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰাৰ লগতে বাৰীৰ কলগছ, নাৰিকল গছ আদিৰ লগতে বড়ো ধানৰ খেতি সমূহ খোৱাৰ লগতে গছকি-ফেনেকি তহিলং কৰিছে। দিনৰ ভাগত ঘন জংঘলত সোমাই থাকি নিশা হ'লেই পথাৰ আৰু গঞ্জা ৰাইজৰ বাৰীত সোমাই বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাই আহিছে। বনৰীয়া হাতীয়ে উপদ্ৰৱ চলোৱা অঞ্চল সমূহত বন বিভাগৰ লোক উপস্থিত হৈ ব'ম ফুটাই হাতী খেদোৱাৰ চেষ্টা কৰে যদিও বিফল হয়। বন বিভাগে এইক্ষেত্ৰত উচিত ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলত পূৰ্বতকৈ বনৰীয়া হাতীৰ উপদ্ৰৱ বৃদ্ধি পাইছে বুলি অভিযোগ উঠিছে। স্থানীয় ভুক্তভোগী ৰাইজে অতি সোনকালে বন বিভাগৰ লগতে প্ৰশাসনক বনৰীয়া হাতী খেদোৱাৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে।

# অগ্নিবীৰ, জেচিঅ' আৰু

নিযুক্তি প্ৰক্ৰিয়াৰ অন্তৰ্ভুক্ত সৰ্বভাৰতীয় অনলাইন উমৈহতীয়া প্ৰৱেশ পৰীক্ষা (চিইই)ৰ তাৰিখ নিৰ্ধাৰণ কৰা হৈছে। নাৰেংগীস্থিত সেনা নিযুক্তি কাৰ্যালয়ে (এআৰঅ') আজি প্ৰকাশ কৰা এক বিবৃতিমতে, আগন্তুক ১ জুনৰ পৰা ১২ জুনলৈ এই পৰীক্ষা অনুষ্ঠিত হ'ব। ইতিমধ্যে এই নিযুক্তি প্ৰক্ৰিয়াত সফলতাৰে পঞ্জীয়ন কৰা প্ৰাৰ্থীসকলৰ বাবে পৰীক্ষা আৰম্ভ হোৱাৰ দিনটোৰ পৰা ১৪ দিন আগতেই প্ৰৱেশ পত্ৰ (এডমিট কাৰ্ড) উপলব্ধ হ'ব। প্ৰাৰ্থীসকলে ভাৰতীয় সেনাৰ আনুষ্ঠানিক নিযুক্তি ৱেবছাইট www.joinindianarmy.nic.in-ৰ পৰা নিজৰ প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। কাৰ্যালয়খনে সকলো পঞ্জীয়নভুক্ত প্ৰাৰ্থীক ৩১ মে'ৰ ভিতৰতে প্ৰৱেশ পত্ৰৰ মুদ্ৰিত কপি সংগ্ৰহ কৰি ৰাখিবলৈ নিৰ্দেশ দিছে। কাৰণ উক্ত উমৈহতীয়া প্ৰৱেশ পৰীক্ষাত অংশগ্ৰহণ কৰিবলৈ প্ৰৱেশ পত্ৰ অতি আৱশ্যকীয়। প্ৰাৰ্থীসকলক পৰীক্ষা সম্পৰ্কীয় শেহতীয়া তথ্য আৰু বিশদ নিৰ্দেশনাৰ বাবে ভাৰতীয় সেনাৰ উপৰ্যুক্ত ৱেবছাইট নিয়মিতভাৱে পৰিদৰ্শন কৰিবলৈও পৰামৰ্শ দিয়া হৈছে। উল্লেখযোগ্য যে অগ্নিবীৰ আঁচনি হৈছে যুৱক-যুৱতীসকলৰ বাবে প্ৰৱৰ্তন কৰা এক স্বল্পম্যাদী নিযুক্তি ব্যৱস্থা। এই আঁচনিৰ অধীনত নিযুক্তিৰ সময়কাল চাৰি বছৰ। চাৰি বছৰৰ সেৱা সম্পূৰ্ণ কৰাৰ পিছত প্ৰতিটো বেটছৰ পৰা সৰ্বোচ্চ ২৫ শতাংশ অগ্নিবীৰক স্থায়ী কেডাৰ হিচাপে নিযুক্তি দিয়া হয়। অগ্নিবীৰ হিচাপে নিযুক্তি পাবলৈ এজন প্ৰাৰ্থীৰ বয়স কমেও ১৭.৫ বছৰ আৰু সৰ্বাধিক ২১ বছৰ হ'ব লাগে। কিন্তু বিশেষ প্ৰযুক্তিগত বা ফাৰ্মা সম্পৰ্কীয় ক্ষেত্ৰসমূহৰ বাবে এই বয়সৰ সীমা ২৩-২৫ বছৰলৈকে বৃদ্ধি কৰা হয়। এজন অগ্নিবীৰে সাধাৰণ কৰ্তব্য (জিডি), প্ৰযুক্তি, কাৰ্যালয় সহায়ক, ভঁৰাল ৰক্ষক বা ট্ৰেডমেন হিচাপে কাৰ্যনিৰ্বাহ কৰে। সেৱা সময় সম্পূৰ্ণ হোৱাৰ পাছত তেওঁলোকে 'সেৱা নিধি' নামৰ এক বিস্তৃত ছেভাৰেন্স পেকেজ লাভ কৰে যদিও সামৰিক পেঞ্চনৰ সুবিধা তেওঁলোকলৈ প্ৰযোজ্য নহয়। জুনিয়ৰ কমিছনড অফিচাৰ (জেচিঅ') বা অন্যান্য পদ (অ'আৰ)ই ভাৰতীয় সেনাৰ স্থায়ী আৰু নিয়মীয়া কেডাৰক বুজায়। এই পদসমূহত স্থায়ী সেৱা, পেঞ্চনৰ সুবিধা আৰু সম্পূৰ্ণ কেৰিয়াৰ অগ্ৰগতিৰ ব্যৱস্থা থাকে। অ'আৰ পদৰ অধীনত তালিকাভুক্ত সদস্যসকলে সেনাবাহিনীত চিপাহী হিচাপে প্ৰৱেশ কৰে আৰু অনা-কমিছনড ৰেংক যেনে হাবিলদাৰ হিচাপে সেৱা আগবঢ়ায়।

# কৰ্ণাটকত হিজাবৰ অনুমতি

বিশ্ব হিন্দু পৰিষদৰ আঞ্চলিক সম্পাদক শৰণ পাম্পৱেলে মঙলবাৰে যুৱ সম্প্ৰদায়ক এই পদক্ষেপৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ আহ্বান জনায়। তেওঁ অভিযোগ কৰে যে চৰকাৰৰ এই সিদ্ধান্ত 'তুষ্টিকৰণ ৰাজনীতি'ৰ সামিল আৰু ই ধৰ্মীয় উগ্ৰবাদক প্ৰসাৰিত কৰাত সহায় কৰে। মাংগালুৰু চহৰৰ বিশ্বশ্ৰীস্থিত ভিএইচপি কাৰ্যালয়ত অনুষ্ঠিত এক সভাত ভাষণ দি পাম্পৱেলে কয়, শিক্ষানুষ্ঠানসমূহত অনুশাসন আৰু সাজ-পোছাকৰ অভিন্নতা বজাই ৰখা অত্যাৱশ্যক। লগতে ৰাজ্য চৰকাৰে হিজাবৰ অনুমতি দি শিক্ষাপ্ৰতিষ্ঠানৰ চৌহদৰ পবিত্ৰতা ধ্বংস কৰাৰ অভিযোগও উত্থাপন কৰে। আঞ্চলিক সম্পাদকগৰাকীয়ে দাবী কৰে যে চৰকাৰৰ এই নীতিৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ইতিমধ্যে একাংশ ছাত্ৰ-ছাত্ৰীয়ে গেৰুৱা বস্ত্ৰ লৈ বিদ্যালয়-মহাবিদ্যালয়ত পঢ়াৰ পৰিকল্পনা কৰিছে। তেওঁ কয় যে ভিএইচপি আৰু অন্যান্য হিন্দু সংগঠনে এনে কাৰ্যক সম্পূৰ্ণ সমৰ্থন আগবঢ়াব। চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে আৰম্ভ হ'বলগীয়া এই প্ৰতিবাদক সংগঠনটোৱে সক্ৰিয়ভাৱে সমৰ্থন জনাব বুলিও স্পষ্ট কৰে পাম্পৱেলে। ইয়াৰ পূৰ্বে কৰ্ণাটকৰ কিছু অংশত পৰিলক্ষিত হোৱা হিজাব বিতৰ্কৰ প্ৰসংগ উল্লেখ কৰি পাম্পৱেলে কয় যে দক্ষিণ কানাড়া জিলাত এতিয়ালৈকে এনে ধৰণৰ কোনো ঘটনা সংঘটিত হোৱা নাই। তথাপি তেওঁ সকীয়াই দিয়ে যে যদিহে কোনো সংগঠনে হিজাব সম্পৰ্কীয় বিবাদ উত্থাপন কৰি জিলাখনত অশান্তিৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰে, তেন্তে হিন্দু সংগঠনসমূহে তাৰ তীব্ৰ বিৰোধিতা কৰিব।

# শ্ৰীৰামপুৰত উৰণীয়া

শ্ৰমিক গুৰুতৰভাৱে আহত হোৱাৰ বিপৰীতে ২০ জনতকৈও অধিক লোক কথমপি প্ৰাণ ৰক্ষা কৰে। প্ৰাপ্ত তথ্য অনুসৰি, শ্ৰীৰামপুৰত ৰে'লপথ অতিক্ৰম কৰাৰ বাবে এখন উৰণীয়া সেতু নিৰ্মাণৰ কাম চলি আছিল। সন্ধিয়াৰ ভাগত দুখন বিশাল ক্ৰেনৰ সহায়ত সেতুৰ দুটা পিলাৰৰ মাজত চতুৰ্থখন গাৰ্ডাৰ উঠাবলৈ চেষ্টা কৰাৰ সময়তে হঠাতে প্ৰায় ৩৫ মিটাৰ দীঘল গাৰ্ডাৰখন সোঁমাজতে ভাঙি তললৈ খহি পৰে। ইয়াৰ পূৰ্বে উক্ত পিলাৰ দুটাৰ মাজত তিনিখন গাৰ্ডাৰ স্থাপন কৰা হৈছিল। গাৰ্ডাৰ ভাঙি পৰাৰ লগে লগে সমগ্ৰ অঞ্চলটোত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। ঘটনাৰ পাছতে স্থানীয় ৰাইজৰ মাজত নিৰ্মাণকাৰী সংস্থা 'জে ইনফ্ৰাটেক প্ৰাইভেট লিমিটেড'ৰ বিৰুদ্ধে তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। খবৰ পাই আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে আৰু নিৰ্মাণ সংস্থাক কিছু জৰুৰী নিৰ্দেশনা দিয়ে। কিন্তু অতি পৰিতাপৰ বিষয় যে নিৰ্মাণকাৰী সংস্থাৰ কোনো শীৰ্ষ বিষয়া অথবা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ কোনো অভিযন্তা ঘটনাস্থলীত উপস্থিত হোৱা নাই। বৰ্তমান স্থানীয় ৰাইজে সমগ্ৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্ত দাবী কৰাৰ লগতে নিৰ্মাণৰ সঠিক মানদণ্ড বজাই ৰাখি উৰণীয়া সেতুৰ কাম সম্পূৰ্ণ কৰিবলৈ দাবী জনাইছে।

# আফগানিস্তান শৃংখলাৰ

ভাৰতীয় ক্ৰিকেট দল নিৰ্বাচন কৰা হয়। আফগানিস্তানৰ বিপৰীতে হ'বলগীয়া আগন্তুক টেষ্ট আৰু এদিনীয়া শৃংখলাৰ বাবে ঘোষণা কৰা দলটোত নিৰ্বাচকসকলে অনুভৱী আৰু যুৱ খেলুৱৈৰ এক সুন্দৰ সংমিশ্ৰণ ঘটাই ভাৰসাম্য ৰক্ষাৰ চেষ্টা কৰিছে। সৰ্বাধিক গুৰুত্বপূৰ্ণ কথাটো হ'ল, এদিনীয়া আৰু টেষ্ট দুয়োটা দলৰেই অধিনায়কত্বৰ দায়িত্ব অৰ্পণ কৰা হৈছে তাৰকা বেটছমেন শুভমন গীলক। তেওঁ এই শৃংখলাত ভাৰতক নেতৃত্ব দিব। নিৰ্ধাৰিত সূচী অনুসৰি, অহা ৬ জুনত মুলাণপুৰত একমাত্ৰ টেষ্ট মেচখন অনুষ্ঠিত হ'ব। তাৰ পিছত তিনিখনীয়া এদিনীয়া শৃংখলাৰ মেচসমূহ ক্ৰমে ১৪ জুনত ধৰ্মশালাত, ১৭ জুনত লক্ষ্ণৌত আৰু ২০ জুনত চেন্নাইত খেলা হ'ব সৰ্বমুঠ চাৰিগৰাকী নতুন খেলুৱৈক ভাৰতীয় দলত সুযোগ দিয়া হৈছে। শেহতীয়া আই পি এলত চমকপূৰ্ণ প্ৰদৰ্শন কৰা কিছুমান খেলুৱৈ এই তালিকাত অন্তৰ্ভুক্ত হৈছে। চাৰিগৰাকী নতুন খেলুৱৈ হ'ল—মানৱ সুথাৰ, গুৰনুৰ ব্ৰাৰ, হৰ্ষ ডুবে আৰু প্ৰিন্স যাদৱ। ইয়াৰে হৰ্ষ ডুবে আৰু গুৰনুৰ ব্ৰাৰে টেষ্ট আৰু এদিনীয়া দুয়োটা দলতে ঠাই লাভ কৰিছে। আনহাতে প্ৰিন্স যাদৱ কেৱল এদিনীয়া দলত আৰু মানৱ সুথাৰ কেৱল টেষ্ট দলত অন্তৰ্ভুক্ত হৈছে। এদিনীয়া দলটোত নীতিশ কুমাৰ ৰেড্ডী, ৱাশ্বিংটন সুন্দৰ, কুলদীপ যাদৱ আৰু অৰ্শদীপ সিঙৰ দৰে অভিজ্ঞ খেলুৱৈয়ো স্থান পাইছে। উল্লেখযোগ্য যে ঋষভ পণ্টে এইবাৰ এদিনীয়া দলত স্থান পোৱা নাই। কিন্তু সম্পূৰ্ণ ফিটনেছ ক্লিয়াৰেন্স লাভ কৰিলে ৰোহিত শৰ্মা আৰু হাৰ্দিক পাণ্ডিয়া এদিনীয়া শৃংখলাৰ বাবে উপলব্ধ হ'ব বুলি জানিব পৰা গৈছে। এদিনীয়া শৃংখলাত কে এল ৰাহুলে উইকেটৰক্ষকৰ মুখ্য দায়িত্ব পালন কৰিব। টেষ্ট দলত উপ-অধিনায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে কে এল ৰাহুলক। ইয়াৰ বিপৰীতে ঋষভ পণ্টৰ পৰা উপ-অধিনায়কৰ পদ কাঢ়ি লোৱা হৈছে। যশস্বী জয়ছোৱাল, ছাই সুদৰ্শন আৰু দেৱদত্ত পড়িক্কলৰ দৰে যুৱ বেটছমেনসকলৰ ওপৰত এই শৃংখলাত দলৰ এক ডাঙৰ দায়িত্ব থাকিব। টেষ্ট মেচখনত উইকেটকিপিং বিভাগ চম্ভালিব ঋষভ পণ্ট আৰু ধ্ৰুৱ জুৰেলে। বোলিং বিভাগত মহম্মদ চিৰাজ, প্ৰসিদ্ধ কৃষ্ণ আৰু কুলদীপ যাদৱৰ দৰে অভিজ্ঞ তাৰকাই নেতৃত্ব দিয়াৰ লগতে যুৱ বলাৰসকলেও নিজৰ প্ৰতিভা প্ৰমাণৰ সুযোগ পাব। ভাৰতীয় টেষ্ট দলত শুভমন গীল (অধিনায়ক), যশস্বী জয়ছোৱাল, কে এল ৰাহুল (উপ-অধিনায়ক), ছাই সুদৰ্শন, ঋষভ পণ্ট (উইকেটৰক্ষক), দেৱদত্ত পাড্ডিক্কল, নীতিশ কুমাৰ ৰেড্ডী, ৱাশ্বিংটন সুন্দৰ, কুলদীপ যাদৱ, মহম্মদ চিৰাজ, প্ৰসিদ্ধ কৃষ্ণ, মানৱ সুথাৰ, গুৰনুৰ ব্ৰাৰ, হৰ্ষ ডুবে, ধ্ৰুৱ জুৰেল (উইকেটৰক্ষক)। ভাৰতীয় এদিনীয়া দলত শুভমন গীল (অধিনায়ক), ৰোহিত শৰ্মা, বিৰাট কোহলী, শ্ৰেয়াস আয়াৰ (উপ-অধিনায়ক), কে এল ৰাহুল (উইকেটৰক্ষক), ইশান কিষাণ (উইকেটৰক্ষক), হাৰ্দিক পাণ্ডিয়া, নীতিশ কুমাৰ ৰেড্ডী, ৱাশ্বিংটন সুন্দৰ, কুলদীপ যাদৱ, আৰ্শদীপ সিং, প্ৰিন্স যাদৱ, প্ৰসিদ্ধ কৃষ্ণ, গুৰনুৰ ব্ৰাৰ, হৰ্ষ ডুবে।

# ১৯ জনীয়া HBS 2.0ৰ

লোৱাৰ লগতে মাত্ৰ চাৰিজন মন্ত্ৰীয়ে শপত গ্ৰহণ কৰে। তাৎক্ষণিকভাৱে মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে ২১ মে'ৰ পৰা অনুষ্ঠিত হ'বলগীয়া ষোড়শ অসম বিধানসভাৰ প্ৰথম অধিৱেশনৰ পিছতহে মন্ত্ৰীসভাৰ পূৰ্ণাংগ সম্প্ৰসাৰণ কৰা হ'ব। সেই ঘোষণাৰ মাজতে সোমবাৰে নিশা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা দিল্লীত উপস্থিত হয়। মঙলবাৰে পুৱাই তেওঁ অসম বিজেপিৰ প্ৰভাৰী বি এল সন্তোষক সাক্ষাৎ কৰে। তাৰ পিছত বিজেপিৰ মুখ্য কাৰ্যালয়ত ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকো সাক্ষাৎ কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। এই সাক্ষাৎকাৰসমূহতে অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ সম্পৰ্কীয় আলোচনা হোৱাৰ সম্ভাৱনা প্ৰবল। নিশালৈ মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকো সাক্ষাৎ কৰিব। আগন্তুক মন্ত্ৰীসভা সম্প্ৰসাৰণত যিসকল বিধায়কে মন্ত্ৰিত্ব লাভ কৰিব, সেই তালিকাত গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে এই সাক্ষাৎতে শেষ মোহৰ মাৰি অনাৰ সম্ভাৱনা থকা বুলি ৰাজনৈতিক মহলত চৰ্চা হৈছে। এতিয়া স্বাভাৱিকতে প্ৰশ্ন উত্থাপিত হৈছে যে ১৯ জনীয়া মন্ত্ৰীসভাত কোনে কোনে মন্ত্ৰিত্ব লাভ কৰিব। চৰ্চা অনুসৰি, ৰাজ্যৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ প্ৰতিনিধিৰ অন্তৰ্ভুক্তিৰে নিজৰ দ্বিতীয়খন মন্ত্ৰীসভা গঠনৰ বাবে সাজু হৈছে ড০ হিমন্ত বিশ্ব শৰ্মা। কিন্তু এইক্ষেত্ৰত তেওঁ তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। কাৰণ বিগত বাৰৰ ৬২জন বিধায়কৰ তুলনাত এইবাৰ বিজেপিৰ ৮২ গৰাকী বিধায়ক বিজয়ী হৈছে, যাৰ ফলত মন্ত্ৰিত্বপ্ৰত্যাশী বিধায়কৰ সংখ্যাও বহুগুণে বাঢ়িছে। ইতিমধ্যে ১২ মে'ত শপত গ্ৰহণ কৰা মন্ত্ৰীসকলৰ ভিতৰত অতুল বৰা আৰু অজন্তা নেওগ চুতীয়া জনগোষ্ঠীৰ। চাহ জনগোষ্ঠীৰ প্ৰতিনিধি হিচাপে অন্তৰ্ভুক্ত হৈছে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী। আনহাতে, বড়ো জনজাতিৰ প্ৰতিনিধি হিচাপে মন্ত্ৰীসভাত স্থান লাভ কৰিছে চৰণ বড়োৱে। এতিয়া আন জাতি-জনগোষ্ঠীৰ লগতে পাহাৰীয়া তথা বৰাক উপত্যকাৰ পৰা কোন কোন জনপ্ৰতিনিধি 'HBS 2.0'ত অন্তৰ্ভুক্ত হ'ব সেয়া নিৰ্ভৰ কৰিব মুখ্যমন্ত্ৰীয়ে নতুন দিল্লীত দলীয় নেতৃত্বৰ ওচৰত কেনে প্ৰস্তাৱ দাঙি ধৰে সেয়াৰ ওপৰত। মন্ত্ৰিত্বপ্ৰত্যাশী বিধায়কসকলৰ কোনজন অন্তৰ্ভুক্ত হ'ব, নাইবা কাৰ নাম কটা যাব—এই সিদ্ধান্ত সম্পূৰ্ণৰূপে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ যৌথ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰিব।

# পুনৰ বৃদ্ধি পেট্ৰ'ল-

আৰু ডিজেলৰ দাম বৃদ্ধি কৰা হৈছে। ইতিমধ্যে দাম বৃদ্ধিত পিষ্ট হৈ অহা জনতাই হাহাকাৰ কৰি থকাৰ মাজতে পুনৰ এই দাম বৃদ্ধিয়ে ৰাইজৰ মূৰত মাধমাৰ শোধাইছে। গুৱাহাটীৰ বাবে আজি প্ৰকাশিত নতুন মূল্য অনুসৰি, প্ৰতিলিটাৰ পেট্ৰ'লৰ দাম ৯১ পইচা বৃদ্ধি পাই ১০২.১১ টকা হৈছে। একেদৰে প্ৰতিলিটাৰ ডিজেলৰ দাম ৯৫ পইচা বাঢ়ি ৯৩.৪৪ টকালৈ উঠিছে। ইফালে সোমবাৰে কেন্দ্ৰীয় চৰকাৰে জানিবলৈ দিয়ে যে ইন্ধনৰ মূল্য আগন্তুক সময়ত কেতিয়া সংশোধন (অৰ্থাৎ বৃদ্ধি বা হ্ৰাস) কৰা হ'ব, সেই সম্পৰ্কে বৰ্তমান কোনো ভৱিষ্যদ্বাণী কৰিব পৰা নাযাব। পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ ওপৰত অনুষ্ঠিত এক আন্তঃমন্ত্ৰালয় বৈঠকত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই কয় যে চৰকাৰে পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিছে। কিন্তু পেট্ৰ'ল আৰু ডিজেলৰ দাম পুনৰ বৃদ্ধি হ'ব নে নাই, সেই সন্দৰ্ভত তেওঁ কোনো স্পষ্ট মন্তব্য কৰাৰ পৰা বিৰত থাকে। তাৰ পাছতে আজি মঙলবাৰৰ পৰা দেশত পুনৰ পেট্ৰ'ল-ডিজেলৰ দাম বৃদ্ধি কৰা হৈছে। জনতাৰ ক্ষোভৰ মাজতে চৰকাৰৰ এই পদক্ষেপে জ্বালানী মূল্যৰ অনিশ্চয়তা আৰু বঢ়াই তুলিছে। অদূৰ ভৱিষ্যতে দাম কিমান নিৰ্ণায়ক হ'ব পাৰে, সেয়া নিৰ্ভৰ কৰিব পশ্চিম এছিয়াৰ যুদ্ধৰ পৰিস্থিতি আৰু বিশ্ব বজাৰৰ গতিপথৰ ওপৰত।

# পুনৰ বিভাজিত হ'ব নেকি

প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰি স্পষ্টভাৱে জনায় যে বিষ্ণুজ্যোতি ৰায়ক অব্যাহতি দিয়াৰ সিদ্ধান্ত সংগঠনটোৰ অধিকাংশ বিষয়ববীয়াই মানি লোৱা নাই। কেন্দ্ৰীয় সম্পাদক অৰবিন্দ দাসে সভাপতি দ্বিপেন ৰায়ক দুদিনৰ ভিতৰত বিষ্ণুজ্যোতি ৰায়ৰ অব্যাহতি আদেশ প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনায়। অন্যথা সংগঠনটোৰ বৃহত্তৰ স্বাৰ্থৰ কথা বিবেচনা কৰি পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি সকীয়াই দিয়ে। উল্লেখযোগ্য যে অহা ২৭ মে' তাৰিখে আক্ৰাছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা আহ্বান জনাই সকলো জিলা সমিতিৰ লগতে কেন্দ্ৰীয় বিষয়ববীয়াসকলক উপস্থিত থাকবলৈ আহ্বান জনায়। এতিয়া কথা হ'ল যদি এই মতানৈক্য আলোচনাৰ জৰিয়তে সময়মতে সমাধান নহয়, তেন্তে আক্ৰাছু পুনৰ বিভাজন হব পাৰে বুলি ধাৰণা কৰিব পৰা যায়। অৱশ্যে সংগঠনটোৰ বহু নেতা-কৰ্মীয়ে আশাবাদ ব্যক্ত কৰে যে আলোচনাৰ মাধ্যমৰে সমাধান হ'ব আৰু সংগঠনটোৰ ঐক্য অক্ষুণ্ণ থাকিব। এতিয়া অপেক্ষা মাথোঁ ২৭ মে'ৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভাৰ ওপৰত। সেই সভাৰ সিদ্ধান্তই স্পষ্ট কৰিব আক্ৰাছু ঐক্যবদ্ধভাৱে আগবাঢ়িব নে পুনৰ গোট-গোটৰ খেলখন আৰম্ভ হ'ব।

# গোলকগঞ্জত কোচ ৰাজবংশী সাহিত্য সভাৰ ৩৪তম্ প্ৰতিষ্ঠা দিৱস

## লাইখুঁটা স্থাপনেৰে আৰম্ভ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, গোলকগঞ্জ, ১৯ মে’** ঃ ধুবুৰী জিলাৰ গোলকগঞ্জত অহা ২২ মে’, ২০২৬ শুকুৰবাৰে অনুষ্ঠিত হ’বলগীয়া কোচ ৰাজবংশী সাহিত্য সভাৰ ৩৪তম প্ৰতিষ্ঠা দিৱস উপলক্ষে ব্যাপক প্ৰস্তুতি চলিছে। অনুষ্ঠানৰ প্ৰস্তুতিৰ অংশ হিচাপে দেওবাৰে লাইখুঁটা স্থাপন কৰা হয়। লাইখুঁটা স্থাপন কৰে গোলকগঞ্জ পৌৰসভাৰ সভানেত্ৰী সাবিত্ৰী ৰায়, কেন্দ্ৰীয় কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড° দ্বিজেন্দ্ৰ নাথ ভকত আৰু জেষ্ঠ্য চিকিৎসক ডাঃ সোহনলাল আগৰৱালাই। গোলকগঞ্জস্থিত কোচ ৰাজবংশী সাহিত্য সভাৰ কাৰ্যালয় চৌহদত অনুষ্ঠিত হ’বলগীয়া এই অনুষ্ঠানত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হ’ব। কেন্দ্ৰীয় কোচ ৰাজবংশী সাহিত্য সভা, কেন্দ্ৰীয় কোচ ৰাজবংশী লেখিকা সভা, ধুবুৰী জিলা কোচ ৰাজবংশী সাহিত্য সভা, জিলা কোচ ৰাজবংশী লেখিকা সভা, গোলকগঞ্জ শাখা কোচ ৰাজবংশী সাহিত্য সভা আৰু শাখা কোচ ৰাজবংশী লেখিকা সভাৰ যৌথ উদ্যোগত অনুষ্ঠানটি আয়োজন কৰা হৈছে। আয়োজক সমিতিৰ ফালৰ পৰা জনোৱা মতে, অনুষ্ঠানৰ আৰম্ভণিতে সুৱচনী পূজা, পতাকা উত্তোলন, স্বহীদ বেদীত মাল্যাৰ্পণ আৰু কমতা ৰত্ন অম্বিকাচৰণ চৌধুৰীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হ’ব। ইয়াৰ পিছতে এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ’ব। শোভাযাত্ৰাৰ উদ্বোধন কৰিব সমজিলা আয়ুক্ত ইয়মকুম আই অজুকুম, আই.এ.এছ.-এ। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ হিচাপে “কোচ ৰাজবংশী জনজাতিৰ ইতিহাস আৰু লোকপিয়ল (Census)-২০২৬ত ৰাজবংশী ভাষাৰ অন্তৰ্ভুক্তিকৰণ” বিষয়ত এখন বিশেষ আলোচনী সভা অনুষ্ঠিত হ’ব। সভাখন সঞ্চালনা কৰিব ড° প্ৰতিমা নিয়োগীয়ে। আলোচনী সভাত ড° মাধব অধিকাৰী, অৱসৰপ্ৰাপ্ত কেপ্টেইন নলিনী ৰঞ্জন বৰ্মন, ড° ৰূপাঞ্জলি দেৱী, বলদেৱ ৰায়, ড° কৃষ্ণ কান্ত ৰায়, ড° উমেশ দাস, অলকেশ চন্দ্ৰ ৰায় আৰু পিনাকী ৰায় আদি বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। খোলা সভাত সভাপতিত্ব কৰিব কেন্দ্ৰীয় কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড° দ্বিজেন্দ্ৰ নাথ ভকতে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰিব সংগঠনটোৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মনে। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব গোলকগঞ্জ সমষ্টিৰ বিধায়ক অশ্বিনী ৰায় সৰকাৰ। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব জীৱেশ ৰায়, ড° পৰমানন্দ ৰাজবংশী, ৰূপম ৰায়, ভূপেন ৰায়, দীপ্তীময়ী চৌধুৰী, প্ৰণৱ নাৰায়ণ দেব আৰু হিতেশ্বৰ বৰ্মন। অনুষ্ঠানত বিভিন্ন বৰেণ্য সাহিত্যিকৰ দহখনকৈ উপন্যাস উন্মোচন কৰাৰ কথাও আয়োজকসকলে সদৰী কৰিছে। ইয়াৰ ভিতৰত “বৰ্ম” নামৰ এখন বিশেষ উপন্যাস উন্মোচন কৰা হ’ব বুলি জানিব পৰা গৈছে। সন্ধিয়াৰ ভাগত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। ইফালে অনুষ্ঠান সফল কৰি তুলিবলৈ অভ্যৰ্থনা সমিতিৰ সভাপতি মনিন্দ্ৰ নাথ ৰায়, সম্পাদক ভূপাল ৰায় প্ৰধানী, কাৰ্য্যকৰী সভাপতি বীৰেন্দ্ৰ নাথ ৰায়, কেন্দ্ৰীয় কোচ ৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মন, সম্পাদক পিনাকী ৰায়, কেন্দ্ৰীয় কোচ ৰাজবংশী লেখিকা সভাৰ সভানেত্ৰী নিবেদিতা ৰায়কে ধৰি আয়োজকসকলে ৰাইজৰ সহযোগিতা আৰু উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।

# নামখলাৰ বিশিষ্ট সমাজ সেৱক তথা ব্যৱসায়ী হৰিচন্দ্ৰ চহৰীয়াৰ বিয়োগ; দৰং-ওদালগুৰিত শোকৰ ছাঁ

**অসম বাৰ্তা, খৈৰাবাৰী, ১৯ মে’** ঃ দৰং জিলাৰ নামখলাৰ শালৈপাৰা নিৱাসী বিশিষ্ট সমাজ সংগঠক তথা নামখলাৰ বিশিষ্ট ব্যৱসায়ী হৰি চন্দ্ৰ চহৰীয়াৰ যোৱা কালি মৃত্যু হয়। মৃত্যুৰ আগ মুহূৰ্তলৈকে তেখেতে সমাজৰ হৈ বহু কামৰ লগত জড়িত হৈ আছিল। অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনীৰ দেওঁধনীঘাট শাখাৰ প্ৰাক্তন সম্পাদক, আঠিয়াবাৰী প্ৰথমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপনৰ সম্পাদক ইয়াৰ উপৰিও তেখেত নামখলা শ্ৰীশ্ৰীহৰি মন্দিৰ ৰাস পৰিচালনা সমিতিৰ বিভিন্ন দায়িত্ব পালন কৰিছিল। তেখেতে নামখলাৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত সমাজৰ এজন পথ পদৰ্শক আৰু কৰ্মপতু নিষ্ঠাবান ব্যক্তি আছিল। ৫৬ বছৰ বয়সত নিজা বাসগৃহত যোৱা নিশা হঠাৎ শ্বাস প্ৰশ্বাসত কষ্ট পায় অসুস্থ অনুভৱ হোৱাত পৰিয়ালৰ লোকে প্ৰথমে দেওঁমৰনৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰাই যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ পেৰন কৰিছিল। চিকিৎসালয় গৈ পোৱাৰ সময়তে শ্বাস-প্ৰশ্বাসত অসুবিধা হৈ তেখেত স্বৰ্গগামী হয়। তেখেতৰ মৃত্যুৰ খবৰ অঞ্চলটোত বিয়পি পৰাৰ লগে লগে বিভিন্ন জাতি ধৰ্মৰ অসংখ্য তেখেতেৰ গুনমুগ্ধই তেখেতৰ নিজা বাসগৃহত ভিৰ কৰেহি। তেখেতৰ নশ্বৰ দেহ চিকিৎসালয়ৰ পৰা পোনে পোনে শালৈপাৰৰ নিজা বাসগৃহত লৈ অনাৰ লগে লগে শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। তেখেতৰ গুণমুগ্ধৰ উপস্থিতিত এক শোকাকুল পৰিৱেশৰ মাজেৰে তেখেতক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তেখেতৰ মৃত্যুত অঞ্চলটোত গভীৰ শোঁকৰ চা পৰে। তেখেতৰ বিয়োগত অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলন, অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলন দেওধনীঘাট শাখা, নামখলা শ্ৰীশ্ৰীহৰি মন্দিৰ পৰিচালনা সমিতি, নামখলা বজাৰ ব্যৱসায়ী সন্থা, নামখলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী বৃন্দ, ৰামধেনু সাহিত্য চক্ৰ, নামখলা জেষ্ঠ্য নাগৰিক, নামখলা প্ৰেছ ক্লাব, নামখলা আদৰ্শ জাতীয় বিদ্যালয়ৰ, নামখলা চ’ক ব্যৱসায়ী সন্থা, কালজুৰি শ্ৰীশ্ৰীবিষ্ণু মন্দিৰ পৰিচালনা সমিতি, নামখলাৰ নেহৰুজ্যোতি সংঘৰ, নামখলা কলাকৃষ্ঠী পৰিষদৰ লগতে আলফা সমন্বয় সমিতিৰ উপৰিও বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লোকে শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। হৰি চন্দ্ৰ চহৰীয়াই মৃত্যুৰ সময়ত বৃদ্ধা মাতৃ পত্নী, এগৰাকী কন্যা, দাদা বৌৰ লগতে ভতিজা ভাতিজীৰ উপৰিও বহুতো আত্মীয় স্বজনক এৰি থৈ যায়।

# স্বেচ্ছাসেৱী অনুষ্ঠান তথা ৰক্তদাতা গ্ৰুপ ইউনিটি উই দ্যা ব্লাড ডনাৰ্চৰ সপ্তম বৰ্ষপূৰ্তি পালন



**অসম বাৰ্তা, মঙলদৈ, ১৯ মে’ ঃ** অসমৰ অন্যতম এটি স্বেচ্ছাসেৱী অনুষ্ঠান তথা ৰক্তদাতা গ্ৰুপ ইউনিটি উই দ্যা ব্লাড ডনাৰ্চ ৰ সপ্তম বৰ্ষপুৰ্তি অনুষ্ঠানটি ইং ১২ মে, ২০২৬ আৰু ১৭ মে, ২০২৬ তাৰিখত দুদিনীয়াকৈ অনুষ্ঠিত কৰে দৰঙত। ১২ মে, ২০২৬ তাৰিখে ছিপাঝাৰৰ কাৰ্য্যালয়ত বন্তি প্ৰজ্বলন, পতাকা উত্তোলন কাৰ্য্যসুচিৰ পিছত বাইক ৰেলি কৰি মঙলদৈ অসামৰিক চিকিৎসালয় আৰু দৰং কেঞ্চাৰ হস্পিতালত চিকিৎসাধীন হৈ থকা ৰোগীসকলৰ মাজত ফলমুল বিতৰণ কৰাৰ পিছতে মঙলদৈ ৰক্তভড়ালত ৰক্তদান শিবিৰ অনুষ্ঠিত কৰা কৰি ইউনিটি উই দ্যা ব্লাড ডনাৰ্চ ৰ সদস্য সকলে ৰক্তদান কৰে। ইং ১৭ মে, ২০২৬ তাৰিখে মঙলদৈ জিলা পুথিভড়াল প্ৰেক্ষাগৃহত বিভিন্ন বাৰেবৰণীয়া কাৰ্য্যসুচী অনুষ্ঠিত কৰা হ’য়। ৰাতিপুৱা বন্তি প্ৰজ্বলন, শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী ৰূপায়ণৰ পিছতে ইউনিটি উই দ্যা ব্লাড ডনাৰ্চ ৰ দৰং জিলাৰ লগতে বিভিন্ন জিলাৰ পৰা অহা ইউনিটিৰ বিষয়ববীয়া তথা সদস্য-সদস্যা ৰ মাজত চা-চিনাকি তথা অন্তৰঙ্গ অনুষ্ঠান অনুষ্ঠিত হয়। অন্তৰঙ্গ অনুষ্ঠানৰ পিছতে মুকলি সভা অনুষ্ঠিত হয়। ইউনিটি উই দ্যা ব্লাড ডনাৰ্চৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য সম্পাদক ৰুমু বড়ো আৰু সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য তথা ইউনিটিৰ উপ-সভাপতি নিৰঞ্জন শইকীয়াই আঁতধৰা মুকলি সভাৰ মঞ্চত উপস্থিত থাকি বক্তব্য আগবঢ়ায় ইউনিটিৰ কেন্দ্ৰীয় কমিতিৰ সভাপতি দিপক ডেকা, ইউনিটিৰ উপদেষ্টা তথা মঙলদৈ মহাবিদ্যালয়ৰ অধ্যাপক মেজৰ হৰিমন ডেকা, দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা, মঙলদৈ পৌৰসভাৰ পৌৰপতি নিৰ্মালী দেৱী, ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত কৃতি শিক্ষক তথা ইউনিটিৰ উপদেষ্টা শশাংক হাজৰিকা, দৰং জিলা পৰিষদৰ সদস্য বিতোপন ডেকা, হাজো সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যাপক ড° অমূল্য কলিতা, ডাঁহী গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী অনিমা ডেকা, সমাজসেৱী গীতিকা কাকতি, যুৱ সমাজ কৰ্মী তীৰ্থ বড়ো, সমাজকৰ্মী জিণ্টু বৰুৱা, মঙলদৈ প্ৰেছ ক্লাবৰ সম্পাদক লক্ষ্মীনন্দন কলিতা, ইউনিটিৰ কাৰ্যকৰী সভাপতি হিমাংশু কুমাৰ দাসৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মুকলি সভাত নিৰিবিলি বৃদ্ধাবাসৰ ককা-আইতা সকলৰ লগত চিনাকি অনুষ্ঠানৰ লগতে আদৰণি জনোৱা হয় আৰু কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হ’য় আৰু কেইগৰাকীমান সমাজসেৱী ব্যক্তিক সম্বৰ্ধনা জনোৱা হ’য়। দুৰাৰোগ্য ৰোগত আক্ৰান্ত সৰু ছোৱালী এগৰাকীক আৰ্থিক সাহায্য প্ৰদান কৰা হ’য়। লগতে ইউনিটিৰ সকলো ৰক্তদাতাক সম্বৰ্ধনা জনোৱাৰ পিছতে ইউনিটি উই দ্যা ব্লাড ডনাৰ্চৰ বিষয়ববীয়া আৰু সদস্য সকলৰ মাজত অন্তৰংগ আলাপ আৰু গীত-মাত কথাৰে এক ব্যতিক্ৰমী কাৰ্যসূচী ৰূপায়ণ হয়। ইউনিটি উই দ্যা ব্লাড ডনাৰ্চৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া, সদস্য আৰু ইউনিটিৰ গুৱাহাটী শাখা, গোলাঘাট শাখা, ওডালগুৰি জিলাৰ টংলা শাখাৰ লগতে অসমৰ বিভিন্ন জিলাৰ ৰক্তদাতা সকল উপস্থিত থাকে।

# ডিব্ৰুগড়তো সংগঠনৰ আহ্বানত সঁহাৰি জনাই ২০ মে’ত বন্ধ থাকিব ঔষধৰ দোকান

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৯ মে’** ঃ অল ইণ্ডিয়া অৰ্গেনাইজেশ্যন অৱ কেমিষ্ট এণ্ড ড্ৰাগিষ্টছৰ আহ্বানত দেশজোৰা ধৰ্মঘট কাৰ্যসূচীত সমৰ্থন গ্ৰহণ কৰিছে ডিব্ৰুগড় মেডিচিন ডিলাৰ্ছ এছ’চিয়েশ্যনে। ডিব্ৰুগড় সাহিত্য সভা ভৱনৰ কাৰ্যালয়ত আজি এক সংবাদমেল অনুষ্ঠিত কৰি সংগঠনটোৰ বিষয়ববীয়াসকলে কয় যে, অনলাইন মাধ্যমেৰে ঔষধ বিক্ৰী আৰু অনুজ্ঞাপত্ৰ বিহীন অবৈধ ফাৰ্মাচী ব্যৱসায় দিনক দিনে বৃদ্ধিকে ধৰি অন্যান্য কেইবাটাও দাবীৰে ভাৰত বন্ধৰ আহ্বানক পূৰ্ণ সমৰ্থন জনাই ডিব্ৰুগড়ত অহা ২০ মে’ত বন্ধ থাকিব সকলো ঔষধৰ দোকান। সংগঠনটোৱে সংবাদমেলত অভিযোগ কৰা মতে, বহু ক্ষেত্ৰত অনলাইনযোগে বিক্ৰী হোৱা ঔষধৰ উৎস, সংৰক্ষণ পদ্ধতি বা মানদণ্ড সম্পৰ্কে কোনো স্পষ্ট তথ্য নাথাকে। চিকিৎসক বা ফাৰ্মাচিষ্টৰ সঠিক পৰামৰ্শ নোহোৱাকৈ ঔষধ ব্যৱহাৰ কৰাটোও সাধাৰণ ৰাইজৰ বাবে বিপদজনক হৈ পৰিব পাৰে বুলি সতৰ্ক কৰে সংগঠনটোৱে। ইয়াৰোৰি, সহজে নিচাজাতীয় সামগ্ৰী উপলব্ধ হোৱাৰ অভিযোগো উত্থাপন কৰে সংগঠনটোৱে। লগতে ফাৰ্মাচিষ্টৰ ডিগ্ৰী লাভ কৰা বহু নৱপ্ৰজন্মই নিজাকৈ ফাৰ্মাচী স্থাপন কৰাৰ ক্ষেত্ৰত বিভিন্ন সমস্যাৰ সন্মুখীন হ’বলগীয়া হৈছে। এই সকলো সমস্যা সমাধান কৰাৰ প্ৰতিবাদত ২০ মে’ত জৰুৰীকালীন সেৱাৰ বাহিৰে ডিব্ৰুগড়ৰ অধিকাংশ ঔষধৰ দোকান বন্ধ থাকিব বুলি জানিবলৈ দিয়ে ডিব্ৰুগড় মেডিচিন ডিলাৰ্ছ এছ’চিয়েশ্যনে। সাধাৰণ ৰাইজক আগতীয়াকৈ প্ৰয়োজনীয় ঔষধ সংগ্ৰহ কৰি ৰাখিবলৈও আহ্বান জনায় সংগঠনটোৱে। সংবাদ মেলত সন্থাৰ সভাপতি বিশ্ব বৰা, সম্পাদক আস্তমুদ্দিন আহমেদ, দেৱ কুমাৰ দত্ত, বিজু নাউকা, সুভাষ পাল, আশিস বচু, সুভাষ কুণ্ডুসহ বিষয়ববীয়া সকল উপস্থিত থাকে।

# ২৪ মে’ত তিনিচুকীয়াত সদৌ মৰাণ ছাত্ৰ সন্থাৰ শৈক্ষিক বঁটা প্ৰদান অনুষ্ঠান

## নগদ মাননিৰ সৈতে বিশেষ বঁটা প্ৰদান

**অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ১৯ মে’** ঃ সদৌ মৰাণ ছাত্ৰ সন্থাৰ উদ্যোগত আৰু সন্থাৰ শৈক্ষিক ন্যাসৰ সহযোগত অহা ২৪ মে’, ২০২৬ তাৰিখে দেওবাৰে তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণ সাংস্কৃতিক কেন্দ্ৰত “শৈক্ষিক বঁটা প্ৰদান আৰু অভিনন্দন অনুষ্ঠান”ৰ আয়োজন কৰা হৈছে। সদৌ মৰাণ ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক পৰাগ চেতিয়াই জনোৱা মতে, এইবাৰৰ অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা তাতকৈ অধিক নম্বৰ লাভ কৰা মৰাণ জনজাতিৰ সকলো ছাত্ৰ-ছাত্ৰীক শৈক্ষিক অভিনন্দন জ্ঞাপন কৰা হ’ব। যদি মৰাণ জনজাতিৰ ভিতৰত ৮০ শতাংশ বা তাতকৈ অধিক নম্বৰ লাভ কৰা কোনো ছাত্ৰ-ছাত্ৰীৰ নাম এতিয়াও তালিকাত অন্তৰ্ভুক্ত হোৱা নাই, তেন্তে তেওঁলোকক শীঘ্ৰে সদৌ মৰাণ ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদকৰ সৈতে যোগাযোগ কৰি নাম পঞ্জীয়ন কৰিবলৈ আহ্বান জনোৱা হৈছে। ইয়াৰ উপৰি জনগোষ্ঠীটোৰ মেধাৱীসকলক নগদ মাননিৰ লগতে সম্বৰ্ধনা পত্ৰ আৰু বিভিন্ন কিতাপৰ টোপোলাৰে বিশেষ বঁটাৰে সন্মানিত কৰা হ’ব। ছেবাৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক ৰবীন মৰাণ শৈক্ষিক বঁটা আৰু দ্বিতীয় সৰ্বাধিক নম্বৰপ্ৰাপ্তক শ্ৰী শ্ৰী লিহিং চন্দ্ৰ মহন্ত শৈক্ষিক বঁটা প্ৰদান কৰা হ’ব। আনহাতে, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সৰ্বাধিক নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক ভুৱন চুতীয়া শৈক্ষিক বঁটা আৰু দ্বিতীয় সৰ্বোচ্চ নম্বৰপ্ৰাপ্তক ঘণকান্ত মৰাণ শৈক্ষিক বঁটা প্ৰদান কৰা হ’ব। একেদৰে কেন্দ্ৰীয় ব’ৰ্ডৰ অধীনত অনুষ্ঠিত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা মৰাণ ছাত্ৰ-ছাত্ৰীক মোহন শইকীয়া শৈক্ষিক বঁটা আৰু ড° ফটিক চন্দ্ৰ বৰুৱা শৈক্ষিক বঁটা প্ৰদান কৰা হ’ব। ইফালে ২০২৬ বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মৰাণ জনজাতিৰ ছোৱালীৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা গৰাকীলৈ মৰাণ জাতীয় মহিলা পৰিষদে বীৰাংগনা ৰাধা ৰুকুণী বঁটা আগবঢ়াব বুলিও শিক্ষা সম্পাদকগৰাকীয়ে জানিবলৈ দিয়ে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব জ্যেষ্ঠ সাংবাদিক ড° কুমুদ দাস, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° সত্যকাম বৰঠাকুৰ আৰু স্বায়ত্ত শাসিত তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চৈতন্য বৰা। আনহাতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব তিনিচুকীয়া জিলাৰ আয়ুক্ত সুমিত ছাত্তাৱান আৰু অইল ইণ্ডিয়া লিমিটেড, দুলীয়াজানৰ মুখ্য আৱাসিক বিষয়া বিনয়া নন্দ ভৰালী। শিক্ষা সম্পাদক পৰাগ চেতিয়াই লগতে কয় যে, “সত্য, নিষ্ঠা, সমতা” মূলমন্ত্ৰৰে আগবাঢ়ি অহা সন্থাই শৈক্ষিক ক্ষেত্ৰত জিলিকি উঠা ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ লগতে ভৱিষ্যৎ প্ৰজন্মক অনুপ্ৰাণিত কৰাৰ বাবেই এই পদক্ষেপ গ্ৰহণ কৰিছে। সন্থাই সমূহ মৰাণ ৰাইজক অনুষ্ঠানত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিবলৈ আহ্বান জনাইছে।

## গহপুৰৰ ভাস্কৰ্য শিল্পী হেমচন্দ্ৰ শইকীয়াৰ কৰুণ অৱস্থা; মুখ্যমন্ত্ৰীলৈ সহায়ৰ আহ্বান

# মুখ্যমন্ত্ৰীক দিছিল নিজে তৈয়াৰ কৰা তিনিটাকৈ কাঠৰ গড়

**অসম বাৰ্তা, গহপুৰ, ১৯ মে’ ঃ** ভাস্কৰ্য আৰু স্থাপত্য শিল্প তৈয়াৰৰ কৰ্মৰে নিজৰ শিল্প প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হোৱা গহপুৰৰ এগৰাকী ভাস্কৰ্য আৰু স্থাপত্য শিল্পী হেমচন্দ্ৰ শইকীয়াৰ কৰুণ অৱস্থা প্ৰত্যক্ষ কৰিলে সকলো হৃদয়বান লোকৰে অন্তৰআত্মাই হাহাকাৰ কৰি উঠিব। ভাস্কৰ্য আৰু স্থাপত্য শিল্পৰ কোনো ধৰণৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ নকৰাকৈয়ে কেৱল আনক দেখিয়েই শিল্প চৰ্চাত ব্ৰতী হৈ সফলতাৰ বাট বুলা হেম চন্দ্ৰ শইকীয়া বৰ্তমান শাৰীৰিক অসুস্থতাৰ বাবে থমকি ৰ’ব লগা হৈছে। গহপুৰ সমজিলাৰ ডুবিয়া গাঁও পঞ্চায়তৰ ডুবিয়া যোৰহটীয়া গাঁৱৰ নিৱাসী হেম চন্দ্ৰ শইকীয়াই শিল, বালি, চিমেণ্টৰ লগতে কাঠৰ টুকুৰাৰে বিভিন্ন ভাস্কৰ্য শিল্প তৈয়াৰ কৰি উক্ত শিল্প বিক্ৰী কৰি নিজৰ জীৱন জীৱিকাৰ পথ প্ৰশস্ত কৰি থকাৰ সময়তে তেখেতৰ জীৱনলৈ নামি আহিল কাল অমানিশা। অসমৰ অতি জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক তিনিবাৰকৈ নিজ হাতেৰে তৈয়াৰ কৰা কাঠৰ গঁড় উপহাৰ দিয়া হেমচন্দ্ৰ শইকীয়াই এতিয়া নিজৰ উপযুক্ত চিকিৎসাৰ বাবে সহায়ৰ আহ্বান জনালে অসমৰ মুখ্যমন্ত্ৰীক। উল্লেখ্য যে নিৰালস্য ভাবে নিজৰ শিল্প সাধনাত ব্ৰতী থকা হেম চন্দ্ৰ শইকীয়াই বিগত এমাহ ধৰি শয্যাগত অৱস্থাত থাকিব লগা হৈছে। এমাহ পুৰ্ৱে স্নায়ু জনিত ৰোগত আক্ৰান্ত হৈ কঁকালৰ তলৰ অংশ একেবাৰে বিকল হৈ পৰা হেমচন্দ্ৰ শইকীয়াই গহপুৰ, লক্ষিমপুৰ আৰু গুৱাহাটীত চিকিৎসা কৰাৰ নামত নিজৰ সঞ্চিত ধনৰ উপৰিও গৰু ছাগলি, খেতিৰ মাটি পৰ্যন্ত বিক্ৰী কৰিব লগা হ’ল। বৰ্তমান উন্নত চিকিৎসাৰ বাবে অৰ্থৰ অভাৱ ঘটাত হেমচন্দ্ৰ শইকীয়াই চিকিৎসা অবিহনে বিছনাখনকে সংগী কৰি দিন অতিবাহিত কৰিব লগাৰ দৰে পৰিস্থিতিৰ সৃষ্টি হৈছে। নিজৰ ৰোগৰ উন্নত চিকিৎসাৰ বাবে হেমচন্দ্ৰ শইকীয়াই অসমৰ মুখ্যমন্ত্ৰীৰ লগতে মানৱদৰদী লোকৰ পৰা আৰ্থিক সাহায্যৰ কাতৰ আহ্বান জনাইছে। কোনো পুত্ৰ সন্তান নথকা হেমচন্দ্ৰ শইকীয়াই শিল্প কৰ্মৰ যোগেদিয়ে নিজৰ পত্নী সহ দুজনীয়া পৰিয়ালটো সুচাৰু ৰূপে চলাই থকা সময়তে তেখেতৰ ভৰি দুখন বিকল হৈ যোৱাত দিক বিদিক হেৰুৱাই পেলাইছে। কোনো সদাশয় লোকে শিল্পী গৰাকীৰ চিকিৎসাৰ বাবে আৰ্থিক সাহায্য আগবঢ়াব বিচাৰিলে 9394964773 নম্বৰত যোগাযোগ কৰিব পাৰিব অথবা তেখেতৰ পত্নীৰ নামত ভাৰতীয় ষ্টেট বেংক বালিজান শাখাত থকা 34516239951 নম্বৰৰ একাউণ্টত অৰ্থ জমা দিব পাৰিব। বেংকৰ শাখাটোৰ IFSC নম্বৰ হৈছে SBIN0009150।

# ত্ৰিপুৰাত অসমৰ এচ বি এম’ৰ প্ৰতিনিধি দল

**অসম বাৰ্তা, যোৰহাট, ১৯ মে’ ঃ** অলপতে অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ এটা ৭ জনীয়া প্ৰতিনিধি দলে স্বচ্ছ ভাৰত মিছন—গ্ৰামীণ (SBM-G) দ্বিতীয় পৰ্যায়ৰ ৰূপায়ণ আৰ্হি অধ্যয়ন কৰিবলৈ ত্ৰিপুৰাত এক এক্সপ’জাৰ ভিজিট অৰ্থাৎ ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ বাবে উপস্থিত হয়। ত্ৰিপুৰাৰ গোমতী জিলাৰ দুটা খণ্ড উন্নয়ন এলেকাত ভ্ৰাম্যমাণ অনাময় আন্তঃগাঁথনি, সম্প্ৰদায় ভিত্তিক পৰিচালনা আৰু ৰক্ষণাবেক্ষণ ব্যৱস্থা, প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা প্ৰণালী আৰু আৱৰ্জনাৰ পৰা সম্পদ সৃষ্টিৰ পদক্ষেপসমূহৰ ওপৰত গুৰুত্বসহকাৰে দলটোৱে চাক্ষুস পৰিদৰ্শণ কৰে। ত্ৰিপুৰাত স্বচ্ছভাৰত SBM-G আঁচনিখন পি ডব্লিউ ডি (PWD) (খোৱাপানী আৰু অনাময়) বিভাগে ৰূপায়ণ কৰি আছে বুলি ও প্ৰতিনিধি দলটোৱে জানিবলৈ দিয়ে। প্ৰতিনিধি দলটোৱে অসমৰ জিলাসমূহত এই পদ্ধতিতমূহৰ প্ৰতিলিপি প্ৰস্তুত কৰাৰ উদ্দেশ্যে ত্ৰিপুৰাৰ দুটা খণ্ড উন্নয়ন এলেকাত (ব্লকত) পৰিৱেশ অনাময়, আত্মসহায়ক গোট (SHG) ৰ অংশগ্ৰহণ আৰু বহনক্ষম সম্পত্তি ব্যৱস্থাপনাৰ সৰ্বোত্তম চৰ্চাসমূহ মূল্যায়ন আৰু পৰ্যালোচনা কৰে। ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ (এক্সপ’জাৰ ভিজিটৰ ) প্ৰতিনিধি দলটোত, অধীক্ষক অভিযন্তা জনস্বাস্থ্য কাৰিকৰী বিভাগ, (PHED) ৰাজ্যিক সমন্বয়ক স্বচ্ছভাৰত অভিযানৰ, (SBM-G) সহকাৰী কাৰ্যবাহী অভিযন্তা, জনস্বাস্থ্য কাৰিকৰী বিভাগ (PHED), ৰাজ্যিক কঠিন তৰল আৱৰ্জনা ব্যৱস্থাপনা (SLWM) বিশেষজ্ঞ, SBM-G, অসম, ৰাজ্যিক ক্ষমতা বিকাশ বিশেষজ্ঞ, SBM-G, অসম, কাৰিকৰী বিষয়া, IT, SBM-G, অসম, কাৰ্যবাহী অভিযন্তা, শিৱসাগৰ জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগ (PHED), সম্প্ৰদায়ৰ প্ৰতিনিধি অৰ্থাৎ ৰ’দালি আত্মসহায়ক গোট (SHG) যোৰহাট জিলাই অংশগ্ৰহণ কৰে। প্ৰতিনিধি দলটোৰ প্ৰাথমিক উদ্দেশ্যসমূহ আছিল ভ্ৰাম্যমাণ শৌচাগাৰ ব্যৱস্থা অধ্যয়ন কৰা আৰু ক্ষেত্ৰ পৰ্যায়ত নিয়োজিত পৰিচালনা আৰু ৰক্ষণাবেক্ষণ (O&M) ব্যৱস্থাসমূহ বুজি পোৱা, বহনক্ষম পৰিচালনা আৰু আৱৰ্জনা ব্যৱস্থাপনা নিশ্চিত কৰাত আত্মসহায়ক গোটসমূহৰ (SHGs) ভূমিকা মূল্যায়ন কৰা। প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা গোট আৰু আৱৰ্জনাৰ পৰা সম্পদলৈ ৰূপান্তৰ কৰা আৰ্হিসমূহ নথিভুক্ত কৰা, গাঁৱৰ নিৰন্তৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু আচৰণগত পৰিৱৰ্তনৰ বাবে সম্প্ৰদায় চালিত পদ্ধতিতমূহৰ মূল্যায়ন কৰা, অসমৰ বৈচিত্ৰ্যময় আৰ্থ-সামাজিক আৰু ভৌগোলিক প্ৰেক্ষাপটত প্ৰতিলিপি প্ৰস্তুত কৰিব পৰা সৰ্বোত্তম চৰ্চাসমূহ চিনাক্ত কৰা ইত্যাদি। এই ক্ষেত্ৰত প্ৰথমতে প্ৰতিনিধি দলটোৱে অমৰপুৰ উন্নয়ন খণ্ড ভ্ৰাম্যমাণ শৌচাগাৰ ব্যৱস্থা আৰু O&M গাঁথনি (Mobile Toilet System and O&M Framework) সম্পৰ্কত বুজ লয়। তাৰ পাছত অমৰপুৰ খণ্ড উন্নয়ন এলেকাত আত্মসহায়ক গোটৰ (SHG )অংশীদাৰিত্বৰ জৰিয়তে পৰিচালিত এক সুসংগঠিত ভ্ৰাম্যমাণ শৌচাগাৰ আৰ্হি প্ৰদৰ্শন কৰে। মূল পৰ্যবেক্ষণসমূহৰ ভিতৰত আছিল, দৈনিক কাৰ্যকলাপ, পৰিষ্কাৰ কৰাৰ সময়সূচী আৰু ব্যৱহাৰকাৰীৰ মাছুল সংগ্ৰহৰ ক্ষেত্ৰত প্ৰশিক্ষণ প্ৰাপ্ত আত্মসহায়ক গোট (SHG) স্বচ্ছ ৰক্ষণাবেক্ষণ বহী আৰু ব্যৱহাৰকাৰীৰ অভিযোগ ট্ৰেকিং ব্যৱস্থা, ব্যৱহাৰ্য সামগ্ৰী ক্ৰয় আৰু নিয়মীয়া ৰক্ষণাবেক্ষণৰ বাবে ব্যৱহাৰকাৰীৰ মাছুলৰ ব্যৱহাৰ। ত্ৰিমাসিক কাৰিকৰী পৰ্যালোচনা আৰু জিলা সমন্বয়কৰ তদাৰকীৰ জৰিয়তে সম্পত্তিৰ বহনক্ষমতা নিশ্চিত কৰা সম্প্ৰদায়ৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু আচৰণগত পৰিৱৰ্তনৰ দিশতো চকু ফুৰাই চাই। প্ৰতিনিধি দলটোৱে অমৰপুৰৰ এটা নিৰ্দিষ্ট ‘পৰিষ্কাৰ গাঁও’ ভ্ৰমণ কৰে, য’ত সম্প্ৰদায়ৰ একত্ৰীকৰণ আৰু নিৰন্তৰ আচৰণগত পৰিৱৰ্তন স্পষ্ট আছিল বুলি জনায়। গাঁওখনে সম্পূৰ্ণ মুকলিত মলত্যাগ মুক্ত (ODF) অনুপালন, সঠিক আৱৰ্জনা পৃথক্কৰণ আৰু ৰাজহুৱা অনাময় আন্তঃগাঁথনিৰ প্ৰতি সম্প্ৰদায়ৰ মালিকীস্বত্ব প্ৰদৰ্শন কৰিছিল। সফলতাৰ মূল কাৰকসমূহৰ ভিতৰত আছিল নিয়মীয়া সজাগতা সভা, যুৱ প্ৰজন্মৰ অংশগ্ৰহণ আৰু গাঁৱৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ মানদণ্ড বজাই ৰখা আত্মসহায়ক গোট (SHG) সমূহৰ বাবে স্বীকৃতি কাৰ্যসূচী। পৰিৱেশ সজাগতা, পৰিচৰ্যা দিশত আৰু আন্তঃৰাজ্যিক সহযোগিতাৰ এক নিদৰ্শন হিচাপে, অসমৰ প্ৰতিনিধি দলটোৱে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ (PWD) খোৱাপানী যোগান (DWS) আৰু অমৰপুৰ খণ্ড উন্নয়ন কাৰ্যালয়ৰ বিষয়া বৰ্গৰ সৈতে মিলি খণ্ড উন্নয়ন কাৰ্যালয়ৰ চৌহদত একোতিকৈ গছ পুলি ৰোপণ কাৰ্যসূচী ও ৰূপায়ণ কৰে। ইয়াৰ উপৰিও খুৱাই উন্নয়ন খণ্ডত প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা গোট এটা কাৰ্যক্ষম প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনা গোট প্ৰত্যক্ষ কৰে। য’ত আছিল পেলাই দিয়া প্লাষ্টিক সামগ্ৰীসমূহ সংগ্ৰহ, পৃথক্কৰণ আৰু প্ৰক্ৰিয়াকৰণ কৰা ব্যৱস্থা। সেই উন্নয়ন খণ্ডত প্ৰত্যক্ষ কৰা দিশসমূহ হ’ল ঘৰুৱা, বিদ্যালয় আৰু ৰাজহুৱা স্থানৰ পৰা প্লাষ্টিক আৱৰ্জনাৰ উৎসতে পৃথক্কৰণ, নিৰ্দিষ্ট সংগ্ৰহ পথ আৰু সঘনতাৰ সৈতে আত্মসহায়ক গোটৰ (SHG) পৰিচালিত সংগ্ৰহকাৰী দল, ৰিচাইক্লিং গোটসমূহলৈ বিক্ৰী কৰাৰ আগতে প্ৰাথমিক প্ৰক্ৰিয়াকৰণ (কুটি কৰা আৰু শ্ৰেণীবিভাজন কৰা), সামগ্ৰী বিক্ৰীৰ জৰিয়তে আত্মসহায়ক গোট (SHG) সমূহৰ বাবে ৰাজহ উপাৰ্জন, যাৰ ফলত এক বহনক্ষম অৰ্থনৈতিক আৰ্হি গঢ়ি উঠা দেখা গৈছে। সেই আৱৰ্জনাৰ পৰা সম্পদ সৃষ্টিৰ পদক্ষেপ বিদ্যালয়ৰ শৌচাগাৰ নিৰ্মাণ, সম্পূৰ্ণৰূপে প্লাষ্টিক আৱৰ্জনাৰ ইটা আৰু টাইলছ ব্যৱহাৰ কৰি নিৰ্মাণ কৰা এখন বিদ্যালয়ৰ শৌচাগাৰো দলটোৱে প্ৰত্যক্ষ কৰে। য’ত নেকী মানুহে ব্যৱহৃত প্লাষ্টিকৰ বটলসমূহ সংকুচিত কৰি নিৰ্মাণ সামগ্ৰীলৈ ৰূপান্তৰ কৰা দেখা গৈছিল। এই আৰ্হিটোৱে সমাজত কেনেকৈ আৱৰ্জনাৰ সৌতক লেণ্ডফিলৰ ওপৰত নিৰ্ভৰ নকৰাকৈ উৎপাদনশীল সম্পত্তিলৈ ৰূপান্তৰ কৰিব পাৰি সেই দিশত এক যোগাত্মক দিশ দেখা পায়। প্ৰতিনিধি দলটোৱে অংগনৱাড়ী কেন্দ্ৰ, জৈৱিক আৱৰ্জনা প্ৰক্ৰিয়াকৰণৰ বাবে কম্যুনিটি কম্পোষ্ট পিট, পৰিস্ৰাৱণ (filtration) যুক্ত ধূসৰ পানী (Greywater) ব্যৱস্থাপনা প্ৰণালী, পানী যোগানৰ সৈতে সংলগ্ন বৰষুণৰ পানী সংগ্ৰহ পদ্ধতি ইত্যাদিও প্ৰত্যক্ষ কৰে। এই ক্ষেত্ৰত খুৱাই উন্নয়ন খণ্ড ভ্ৰমণৰ এটা উল্লেখযোগ্য দিশ আছিল খুৱাইৰ জিলা উপায়ুক্তৰ সৈতে এক মতবিনিময়মূলক বৈঠক। য’ত প্ৰতিনিধি দলটোৱে অসমৰ SBM-G ৰ সাফল্য, প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনাৰ আৰ্হি আৰু সংহত WASH পদ্ধতিসমূহ উপস্থাপনযৰ ভাৱ বিনিময় কৰে। প্ৰতিনিধি দলটোৱে অসমৰ প্ৰদৰ্শিত সৰ্বোত্তম চৰ্চাসমূহ দলটোৱে ত্ৰিপুৰাৰ অংশীদাৰসকলৰ সন্মুখত অসমৰ SBM-G ৰ সাফল্যসমূহ প্ৰদৰ্শন কৰে। অনাময়, একাধিক জিলাত কাৰ্যক্ষম হৈ থকা প্লাষ্টিক আৱৰ্জনাৰ পৰা পেভাৰ ব্লক ৰূপান্তৰ কৰা গোট, সংহত SHG ব্যৱস্থাপনাৰ সৈতে চাহ বাগিচা অঞ্চলত কম্যুনিটি কম্পোষ্ট পিট (CCP) ব্যৱস্থা, গোশালা আৰু ডায়েৰী ফাৰ্মত কাৰ্যক্ষম হৈ থকা কম্যুনিটি বায়’গৈছ প্ৰকল্প, ক্লাষ্টাৰ পৰ্যায়ৰ ধূসৰ পানী ব্যৱস্থাপনাৰ বাবে এণ্ড-অফ-ড্ৰেইনেজ ট্ৰিটমেণ্ট (EODT) ব্যৱস্থা, ASRLM প্ৰশিক্ষণ কেন্দ্ৰসমূহত অন্তৰ্ভুক্ত কৰা স্কুল টয়লেট এণ্ড হেল্থ ফেচিলিটিজ (SHE) কাৰ্যসূচী, মূল শিক্ষণ আৰু প্ৰতিলিপিকৰণৰ সম্ভাৱনা আদি উল্লেখযোগ্য। এই ক্ষেত্ৰ ভিত্তিক অধ্যয়নে (এক্সপ’জাৰ ভিজিটে) অসমৰ বৈচিত্ৰ্যময় প্ৰেক্ষাপটত প্ৰতিলিপি প্ৰস্তুত কৰিব পৰা উচ্চ সম্ভাৱনা থকা কেইবাটাও পদ্ধতি চিনাক্ত কৰিব পৰা গৈছে। ত্ৰিপুৰাৰ অভিজ্ঞতাই প্ৰমাণ কৰে যে আত্মসহায়ক গোটসমূহে ( SHG)পৰিচালিত কাৰ্যকলাপে কাৰিকৰী বহনক্ষমতা আৰু সামাজিক দায়বদ্ধতা দুয়োটা নিশ্চিত কৰিব বুলি আশা কৰিব পাৰি। দ্বিতীয়তে অংগনৱাড়ী কেন্দ্ৰসমূহত অনাময়, পানী, ধূসৰ পানীৰ উপচাৰ আৰু জৈৱিক আৱৰ্জনা ব্যৱস্থাপনাক একত্ৰিত কৰিলে এনে প্ৰদৰ্শনী থলীৰ সৃষ্টি হয় যিয়ে সম্প্ৰদায়ৰ মনোভাৱ সলনি কৰে আৰু আৱৰ্জনাৰ পৰা সম্পদ সৃষ্টিৰ চৰ্চাৰ জৰিয়তে অৰ্থনৈতিক সুযোগ প্ৰদান কৰাত সুবিধা হ’ব। শক্তিশালী কৰিবলৈ আৰু তাৰ বাবে দিশদৰ্শক হিচাপে সকলো স্তৰৰ ৰাইজৰ সহযোগিতা লাগিব বুলি প্ৰতিনিধি দলটোৱে মত পোষণ কৰে।

শতাধিক লোক কৃত্ৰিম বানপানীৰ কৱলত পৰি হাৰাশাস্তিৰ সন্মুখীন

# জাঁজী-জামুগুৰি পৰা ফুল-পানীছিগা কৃত্ৰিম বানৰ কৱলত

**অসম বাৰ্তা, জাঁজী, ১৯ মে' ঃ** আজি পুৱাৰ পৰা আৰম্ভ হোৱা এজাক বৰষুণে জাঁজী অঞ্চলৰ বহুতো লোক কৃত্ৰিম বানত হাৰাশাস্তি হোৱা দেখা গৈছে। । উল্লেখ্য যে উজনি অসমৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটো চাৰিলেনযুক্ত পথলৈ সম্প্ৰসাৰণৰ কাম বৰ্তমান দ্ৰুতগতিত চলি আছে। শিৱসাগৰ জিলাৰ জাঁজীৰ পৰা ডিমৌলৈকে প্ৰায় ৪৪ কিঃমিঃ দৈৰ্ঘ্যৰ পূৰ্বৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথটো কেন্দ্ৰীয় চৰকাৰৰ ঘাই পথ মন্ত্ৰ্যালয়ৰ অধীনস্থ ৰাষ্ট্ৰীয় ঘাই পথ আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড (এন এইচ আই ডি চি এল)ৰ তত্ত্বাবধানত নিৰ্মাণ কাৰ্য চলি আছে। উক্ত পথছোৱা ২০১৬ বৰ্ষতে নিৰ্মাণকাৰ্য শুভাৰম্ভ কৰা হৈছিল যদিও যোৱা ১০ বছৰেও সম্পূৰ্ণ হোৱা নাছিল। পূৰ্বৰ কেইবাটাও পথ নিৰ্মাণকাৰী সংস্থাই নিৰ্মাণ কাৰ্য আধাতে এৰি থৈ যোৱাত কেন্দ্ৰীয় পথ পৰিবহণ আৰু যোগাযোগ মন্ত্ৰী নীতীন গাডকাৰীৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত যোৰহাটৰ পৰা ডিব্ৰুগড় পৰ্যন্ত সুদীৰ্ঘ পথছোৱা দেশৰ ১১টা আগশাৰী পথ নিৰ্মাণকাৰী প্ৰতিষ্ঠানক ভাগ ভাগ কৰি নিৰ্মাণৰ দায়িত্ব অৰ্পণ কৰে। ইতিমধ্যে জাঁজী-জামুগুৰিৰ পৰা গৌৰীসাগৰ তিনি আলি পৰ্যন্ত প্ৰায় ১৪ কিঃমিঃ পথছোৱা পঞ্জাৱৰ ৰিগেল ইনফাটেক কনষ্ট্ৰাকশ্বনে নিৰ্মাণ কৰি আছে। উল্লেখ্য যে চাৰিশৰীয়া পথ নিৰ্মাণৰ বাবে সেই সময়ৰ শিৱসাগৰ জিলা প্ৰশাসনে ঘাইপথৰ কাষৰ শিৱসাগৰ ৰাজহ চক্ৰৰ অধীনৰ অৰ্থাৎ জকাইচুক মৌজাৰ দিশত থকা ভূমিৰ ১২০ ফুট আৰু আমগুৰি ৰাজহ চক্ৰৰ অধীনৰ অৰ্থাৎ ম'ৰাবজাৰ মৌজাৰ দিশৰ ৮০ ফুটপৰ্যন্ত ভূমি অধিগ্ৰহণ কৰিছিল। শিৱসাগৰ জিলা প্ৰশাসনে ৰাষ্ট্ৰীয় ঘাই পথছোৱাৰ কাষৰীয়া আবাসীৰ অধিগ্ৰহণ কৰা ঘৰ দুৱাৰ, মাটি, গছ গছনিৰ লগতে বিভিন্ন ৰাজহুৱা, ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানক ক্ষতিপূৰণ আদায় দি পথ নিৰ্মাণৰ কাম আৰম্ভ কৰে। আনহাতে পথ নিৰ্মাণৰ নামত ৰাজ্যৰ ঐতিহাসিক সম্পদ, প্ৰাকৃতিকভাৱে সৃষ্ট নলা-নৰ্দমাক যাতে নষ্ট বা ৰুদ্ধ কৰিব নোৱাৰে, তাৰ বাবে বিভিন্ন সংস্থা, সংগঠনে আৰম্ভণিৰে পৰা দাবী জনাই আহিছিল। কিন্তু সেই সময়ৰ পথ নিৰ্মাণকাৰী সংস্থাই 'ৰঙাজান'ৰ সুৰক্ষাৰ স্বাৰ্থৰ দোহাই দি পথটোৰ প্ৰাক কলন খৰখেদাকৈ সলনি কৰি আমগুৰি ৰাজহ চক্ৰৰ অৰ্থাৎ ম'ৰাবজাৰ মৌজাৰ দিশত অধিগ্ৰহণ কৰা ৮০ ফুটৰ সম্পূৰ্ণ অংশতে পথ নিৰ্মাণ কৰে। ইতিমধ্যে জাঁজী-জামুগুৰিৰ পৰা ফুলপানীছিগা পৰ্যন্ত ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ লগত সংলগ্ন মুঠ ৮টা উপ পথ ক্ৰমে জাঁজী-জামুগুৰি বলমীয়া গাওঁ, জামগুৰি বলমীয়া বেটনিচুক, খাটোৱাল গাওঁ পথ, চতাইজান-টকৌবাৰী সত্ৰ সংযোগী পথ, মাজুমেলীয়া গাওঁ পথ, ফুলপানীছিগা ৰাস মন্দিৰ সংযোগী পথ, ফুলপানীছিগা-মাজু মেলীয়া-জৰাধৰা সংযোগী পথ, পুৰণিমেলীয়া নগা আলি সংযোগী পথত এই পৰ্যন্ত পানী ওলাই যোৱাৰ কোনো ব্যৱস্থা নোহোৱাত ১৫খন গাঁৱৰ কেইবাহেজাৰ লোকে চলিত বাৰিষাত দুৰ্ভোগৰ সন্মুখীন হৈছে। জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ, সংস্কৃত টোল, জাঁজী শিল্প বিদ্যালয়, ফুলপানীছিগা আঞ্চলিক ৰাস মন্দিৰ, ৮০ নং নাজিৰ পুখুৰী প্ৰাথমিক বিদ্যালয় আদিৰ প্ৰাংগণ পানীৰ তলত। উল্লেখ্য যে ইতিমধ্যে ৩৭নং ৰাষ্ট্ৰীয় ঘাই পথৰ লগত সংলগ্ন পথ সমূহৰ লগতে তাত থকা পূৰ্বৰ কালভাৰ্ট সমূহৰ ক্ষতিপূৰণ শিৱসাগৰ জিলাৰ লোক নিৰ্মাণ বিভাগে লাভ কৰিছে। সমান্তৰালভাৱে ৰাষ্ট্ৰীয় ঘাই পথটোৰ কাষৰীয়া আৱাসী সকলেও তেওঁলোকৰ প্ৰৱেশ পথৰ ওপৰত থকা দলং, কালভাৰ্ট, পুল আদিৰ ক্ষতিপূৰণৰ বাবদ বহু বছৰ আগেয়ে ক্ষতিপূৰণ লাভ কৰে। তৎসত্ত্বেও শিৱসাগৰ জিলা লোক নিৰ্মাণ বিভাগে নলা নিৰ্মাণত অদ্যপৰিমিত কোনো ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। যাৰ ফলস্বৰূপে বৰ্তমান বাৰিষাত বৃহত্তৰ অঞ্চলটোৰ আৱদ্ধ পানী সমূহ ওলাই যোৱাৰ কোনো ব্যৱস্থা নথকাত ১৫খন গাঁৱৰ ৰাইজৰ যাতায়ত বাবে ভীষণ অসুবিধাৰ সৃষ্টি হৈছে। অঞ্চলটোৰ জনসাধাৰণে এই বিষয়ত শিৱসাগৰ জিলা আয়ুক্ত গৰাকীৰ হস্তক্ষেপ কামনা কৰিছে।

## ছয়গাঁৱৰ কলহী নদীৰ গৰাখহনীয়া পৰিদৰ্শন পলাশবাৰী সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক হিমাংশু শেখৰ বৈশ্যৰ



**অসম বাৰ্তা, ছয়গাঁও, ১৯ মে' ঃ** কথা দি কথা ৰাখিলে পলাশবাৰী সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক হিমাংশু শেখৰ বৈশ্যই। কলহী নদীৰ খহনীয়া ৰোধ কৰিবলৈ জলসম্পদ বিভাগৰ পূৰ্ণ গতিত চলিল কাম। পাৰ্কুপাইন, জিঅ' বেগেৰে নদীৰ গতি ৰুদ্ধ কৰিবলৈ জলসম্পদ বিভাগৰ কাম আৰম্ভ। পলাশবাৰী সমষ্টিৰ ছয়গাঁৱৰ পৰা দ-গাঁও- কালাৰদিয়া পথৰ পটৰীখাটতত দীৰ্ঘদিন ধৰি কলহী নদীৰ খহনীয়াই জুৰুলা কৰি আছিল অঞ্চলটোৰ ৰাইজক। ইতিমধ্যে এই পথটোৰে অহা যোৱা কৰা বহু পথচাৰী দুৰ্ঘটনাত মৃত্যু বৰণো কৰিছে। অঞ্চলটোৰ জ্বলন্ত খহনীয়াৰ সমস্যা ৰোধ কৰিবলৈ নিৰ্বাচনৰ সময়ত বিধায়ক হিমাংশু শেখৰ বৈশ্যই ৰাইজক প্ৰতিশ্ৰুতি দিছিল- বিজয়ী হৈয়ে সমস্যা সমাধান কৰাৰ। পিছে ৰবিবাৰে বিধায়ক হিমাংশু শেখৰ বৈশ্যই পটৰীখাটতত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। বিধায়ক গৰাকী অহাৰ পূৰ্বে জলসম্পদ বিভাগৰ কামৰূপ গ্ৰাম্য জিলাৰ কাৰ্য্যবাহী অভিযন্তা প্ৰণৱ চেতিয়া, পলাশবাৰী উপ জিলাৰ সহকাৰী কাৰ্যবাহী অভিযন্তা নিবিড় ভূএঞা উপস্থিত হৈ কলহী নদীত কাম আৰম্ভ কৰে। তাৰ পিছতে মাকেলী গাঁৱৰ খহনীয়া অঞ্চল পৰিদৰ্শন কৰিবলৈ যায় বিধায়ক বৈশ্যই । ইয়াৰ পূৰ্বে পটৰীখাট মন্দিৰত স্থানীয় যুৱক বলেন হীৰাৰ পৰিচালনাত অনুষ্ঠিত হৈছিল এখন সম্বৰ্ধনা সভা। সভাত উপস্থিত আছিল জেষ্ঠ নাগৰিক ৰুদ্ৰ কুমাৰ চৌধুৰী, মদন চৌধুৰী, বিজেপি কৰ্মী মুকুট ঠাকুৰীয়া, সোণজ্যোতি ডেকা, মণ্ডল সভাপতি কমলেশ্বৰ দাস, জিলা পৰিষদৰ সদস্য মিহিৰ ৰঞ্জন দাস প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি।

## কাকপথাৰৰ চেঙেলীজানত কীৰ্তি ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন চেঙেলীজান যুৱক সংঘৰ

**অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ১৯ মে' ঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰৰ চেঙেলীজান যুৱক সংঘৰ উদ্যোগত আৰু চেঙেলীজানবাসীৰ সহযোগত ছাত্ৰ-ছাত্ৰী সকলক শৈক্ষিক উত্তৰণত উৎসাহ প্ৰদান কৰিবলৈ প্ৰতি বছৰৰ দৰে এই বাৰো চেঙেলীজান গাঁওস্থিত সাধনী সমন্বয় ক্ষেত্ৰত ২০২৬ বৰ্ষত সুখ্যাতিৰে উত্তীৰ্ণ চেঙেলীজান গাঁৱৰ লগতে দাঁতিকাষৰীয়া গাঁৱৰ মুঠ ৩৮ গৰাকী কৃতি শিক্ষাৰ্থীক বিশেষ অভিনন্দন জনোৱা হয়। এই উপলক্ষে দেওবাৰে অনুষ্ঠিত 'কৃতি ছাত্ৰ-ছাত্ৰী সকলৰ বিশেষ অভিনন্দন অনুষ্ঠান'ত সভাপতিত্ব কৰে চেঙেলীজান যুৱক সংঘৰ মুখ্য উপদেষ্টা খগেন বৰুৱাই। বৃক্ষৰোপণেৰে শুভাৰম্ভ কৰা অনুষ্ঠানত আদৰণী ভাষণ আগবঢ়ায় চেঙেলীজান যুৱক সংঘৰ কাৰ্যকৰী সভাপতি সত্যব্ৰত চুতীয়াই। অনুষ্ঠানত সমল ব্যক্তি হিচাবে অৱসৰপ্ৰাপ্ত শিক্ষক, তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা 'অসম বাৰ্তা'ৰ মুখ্য সম্পাদক শৰৎ চন্দ্ৰ চিৰিংফুকন, ডুমডুমা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা ড° পদ্মাক্ষী কাকতি, কাকপথাৰ পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° আজিজুৰ ৰহমান, অৱসৰপ্ৰাপ্ত শিক্ষক তথা বিহু সুৰক্ষা সমিতি, অসমৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি ড° প্ৰদীপ শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক লোহিত দাস, অৱসৰপ্ৰাপ্ত বন বিষয়া লক্ষেশ্বৰ বৰুৱা, কাকপথাৰ প্ৰেছ ক্লাবৰ সভাপতি ৰাতুল কলিতা, সম্পাদক ইন্দ্ৰজিত গগৈ উপস্থিত থাকি মেধাৱী শিক্ষাৰ্থীসকলক উদ্দেশ্যি তত্ত্বগধুৰ বক্তব্য আগবঢ়োৱাৰ লগতে আধ্যাত্মিকতা, একাগ্ৰতা, নৈতিকতা, নিয়মানুৱৰ্তিতা, ধৈৰ্য, সাহস আৰু অধ্যাৱসায়ৰ জৰিয়তে নিজৰ ব্যক্তিত্ব মজবুত কৰাৰ লগতে অধ্যয়নত ব্ৰতী হৈ নিজৰ লগতে অসমৰ নাম উজলাই তুলিবলৈ শিক্ষাৰ্থীসকলক আহ্বান জনায়। ইয়াৰোপৰি ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি নিজৰ কেৰিয়াৰ গঠনত মনোনিৱেশ কৰিবলৈও পৰামৰ্শ আগবঢ়োৱাৰ লগতে বৰ্তমান প্ৰতিযোগিতামূলক পৰীক্ষাসমূহতো ছাত্ৰ-ছাত্ৰীসকলক অৱতীৰ্ণ হ'বলৈ আহ্বান জনায়। সভাত প্ৰধান শিক্ষক নীৰেন মহন্ত, কাকপথাৰ আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি কিশোৰজ্যোতি চুতীয়া, সাধাৰণ সম্পাদক আদিত্য চুতীয়া, সহকাৰী সম্পাদক সপোনজ্যোতি বড়া, চেঙেলীজান জেউতি পুথিভঁৰালৰ সভাপতি জীতেন চুতীয়া, চেঙেলীজান মহিলা সমিতিৰ সভানেত্ৰী মৰমী বৰুৱাও উপস্থিত থাকে। সভাত সম্বৰ্দ্ধনা গ্ৰহণ কৰি অভিজিৎ তামুলী আৰু প্ৰিয়ানুজ চুতীয়াই তেওঁলোকৰ সফলতাৰ আঁৰৰ কথা ব্যক্ত কৰাৰ লগতে চেঙেলীজান যুৱক সংঘক এই সম্বৰ্ধনাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানৰ মাজতে কাকপথাৰৰ কস্তুৰী ভুএঞাই সংগীতসূৰ্য জুবিন গাৰ্গৰ এটি গীতেৰে সকলোকে আপ্লুত কৰে। অনুষ্ঠানৰ আঁত ধৰে চেঙেলীজান যুৱক সংঘৰ সভাপতি চন্দন চুতীয়া আৰু সম্পাদক বিমল খনিকৰে। অনুষ্ঠানত উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা অঞ্চলটোৰ ৩৮ গৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক ফুলাম গামোচা, চেলেং, সম্বৰ্দ্ধনা পত্ৰ, ফাইল আদিৰে সম্বৰ্দ্ধনা জনায়।

□ অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰোধিতা □

# ডিব্ৰুগড়ত ইলোৰা বিজ্ঞান মঞ্চ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৯ মে' ঃ** ১৬ মে'ত সদৌ অসমৰ লগতে ইলোৰা বিজ্ঞান মঞ্চ, ডিব্ৰুগড় শাখাইয়ো প্ৰতিষ্ঠা দিবস উদ্‌যাপন কৰে। এই উপলক্ষে ডিব্ৰুগড়ৰ খামটিঘাট উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠানটি উদ্‌যাপন কৰা হয়। ডিব্ৰুগড় শাখাৰ বহুকেইজন সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰা এই অনুষ্ঠানৰ আৰম্ভণিতে ইলোৰা ৰায়চৌধুৰীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰা হয়। খামটিঘাট উঃ মাঃ বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী অপৰাজিতা কোঁৱৰে সম্পাদনা কৰা অনুষ্ঠানত ডিব্ৰুগড় শাখাৰ সভাপতি প্ৰমুখ্যে আন সমল ব্যক্তিসকলেও অংশ লয়। সভাত সভাপতিত্ব কৰে ডিব্ৰুগড় শাখাৰ সভাপতি মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা গায়ত্ৰী গোস্বামীয়ে। মূল বক্তা হিচাবে ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰায়োগিক ভূতত্ত্ব বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা কল্পনা ডেকা কলিতা আৰু কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা প্ৰাণীতত্ত্ব বিভাগৰ মুৰব্বী আৰু উপাধ্যক্ষা সুদক্ষিণা দাস বৰদলৈয়ে বক্তব্য ৰাখে। সভাৰ আৰম্ভণিতে ইলোৰা বিজ্ঞান মঞ্চৰ সমন্বয়ৰক্ষী ড° কল্পনা ডেকা কলিতাই গ্ৰহ-নক্ষত্ৰ আৰু মানুহে ব্যৱহাৰ কৰা পাথৰ আদিৰ লগত জড়িত অন্ধবিশ্বাসৰ বিষয়ে তথ্যসহকাৰে বিৱৰি কয়। তেখেতে আমি পৰিধান কৰা পাথৰযুক্ত আঙুঠি আদি সম্পৰ্কত প্ৰকৃতাৰ্থত ভূগৰ্ভত কেনেকৈ শিল বা পাথৰসমূহ গঠন হয় আৰু ইয়াৰ লগত জড়িত অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিষয়ে বিশদভাৱে ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু উপস্থিত ৰাইজৰ মাজত দাঙি ধৰে। গেলিলিঅ', আইনষ্টাইন, সৰ্বপল্লী ৰাধাকৃষ্ণ আদিৰ ভূমিকা সম্পৰ্কেও বক্তব্য ৰাখে। আনগৰাকী বক্তা সুদক্ষিণা দাস বৰদলৈয়ে ছাত্ৰ-ছাত্ৰীৰ মাজলৈ গৈ অন্ধবিশ্বাস- কুসংস্কাৰে বিভিন্ন ক্ষেত্ৰত কেনেকৈ প্ৰভাৱিত কৰি আছে আৰু এইবোৰ কেনেকৈ বিজ্ঞানমনস্কতাৰ দ্বাৰা মানুহক শিক্ষিত কৰি তুলিব পাৰি সেই সম্পৰ্কে বক্তব্য প্ৰদান কৰে। প্ৰকৃতি জগত বা মানৱ সমাজত অন্ধবিশ্বাস আৰু কুসংস্কাৰ ব্যাপ্ত হৈ থকাৰ কথা ডাঙি ধৰি ইয়াৰ নিৰাময়ৰ বাবে গুৰুত্ব আৰোপ কৰে। অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ প্ৰভাৱৰ বাবে কেনেকৈ প্ৰকৃতিৰ ওপৰত মানৱ জাতিয়ে অতীজৰে পৰা অত্যাচাৰ চলাই আহিছে আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰে সজাগ হোৱাৰ প্ৰতি গুৰুত্ব আৰোপ কৰে। দুয়োগৰাকী বক্তাই ডাইনী সজাই মানুহক কেনেকৈ মৃত্যুৰ মুখলৈ ঠেলি দিয়ে, সেই সম্পৰ্কত সকলোৰে অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ কৱলৰ পৰা মুক্ত হ'বৰ বাবে আমি সকলোৰে সজাগতা সৃষ্টিৰ বাবে দায়বদ্ধ হ'ব লাগে বুলি মতপোষণ কৰে। তদুপৰি সদস্য নকুল খাউণ্ডে অন্ধবিশ্বাসৰ কৱলৰ পৰা মুক্ত হোৱা কেইবাটাও উদাহৰণ ডাঙি ধৰি এখন সুস্থ বিজ্ঞানমনস্কতাৰে প্ৰভাৱিত সমাজৰ কথা উল্লেখ কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ সমল ব্যক্তি কেইগৰাকীয়ে আগবঢ়ায়। সভাৰ আৰম্ভণিতে ইলোৰা বিজ্ঞান মঞ্চৰ মন্দিৰ সমন্বয়ৰক্ষী জগন্নাথ ফুকনে ইলোৰা বিজ্ঞান মঞ্চই অসমৰ লগতে ডিব্ৰুগড় জিলাত কৰা কামকাজ সম্পৰ্কত সবিশেষ ডাঙি ধৰে। ইতিমধ্যে মঞ্চৰ জৰিয়তে দেহদান, নেত্ৰদান সম্পন্ন কৰি চিকিৎসাৰ ক্ষেত্ৰখনক কেনেধৰণৰ সহায়ৰ হাত আগবঢ়াই আহিছে সেই সম্পৰ্কে বিশদভাৱে বক্তব্য ৰাখে। সভাত বিজ্ঞান মঞ্চৰ মূল সংগীত পৰিবেশন কৰে সদস্য স্মৃতিৰেখা দেৱী আৰু অজন্তা ফুকনে ইলোৰা বিজ্ঞান মঞ্চৰ ডিব্ৰুগড় শাখাৰ সম্পাদক প্ৰণৱ শইকীয়াই ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলৰ মাজত পুস্তিকা আৰু তথ্য সম্বলিত পত্ৰিকা প্ৰকাশ কৰে। সভাত বিদ্যালয়ৰ শিক্ষক ৰুদ্ৰেশ্বৰ সোণোৱাল আৰু হেমন্ত কোঁৱৰে সভাখন সুচাৰুৰূপে হৈ উঠাত আগভাগ লয় আৰু আন সকল শিক্ষক-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে।

# ভৰাগুৰিৰ সৰবৰহী ব্যক্তি দীপক চাংমাইৰ মৃত্যু

**অসম বাৰ্তা, পুৰণিগুদাম, ১৮ মে' ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত ভৰাগুৰি গাঁৱৰ নিবাসী চাকৰি সূত্ৰে দিল্লীত বসবাস কৰা দীপক চাংমাইৰ (৫৯) আজি পুৱা দিল্লীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। বৃহত্তৰ ভৰাগুৰি গাঁৱত অনুষ্ঠিত হোৱা শ্ৰীকৃষ্ণৰ ৰাসলীলা, নাটক, ভাওনা আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল প্ৰয়াত দীপক চাংমাই। ভৰাগুৰি গাঁৱত অনুষ্ঠিত শ্ৰীকৃষ্ণৰ ৰাসলীলা আৰু ভাওনাত তেওঁ গায়ন-বায়ন কৰিছিল। দিল্লীৰ অসমীয়া সমাজৰ মাজতো তেওঁ জনপ্ৰিয় আছিল। নম্ৰ-ভদ্ৰ, অমায়িক, সৰবৰহী ব্যক্তি গৰাকীৰ মৃত্যুত ভৰাগুৰি গাঁৱত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, জীয়াৰী, ভাই-ভনী, বোৱাৰী, ভতিজা, জোঁৱাই, নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক ইহ-সংসাৰত এৰি থৈ যায়।

চাৰি গৰাকী কবিক "ব'হাগী বৰণ" প্ৰদান; কুৰিৰো অধিক কবিৰ কবিতা পাঠ

# গহপুৰ কবি কাননৰ বিশেষ সভা

**অসম বাৰ্তা, গহপুৰ, ১৯ মে' ঃ** সদৌ অসম কবি সন্মিলনৰ অন্যতম সক্ৰিয় শাখা হিচাপে সুপৰিচিত গহপুৰ কবি কাননৰ এখন বিশেষ সভা আজি বিয়লি ৩ বজাৰ পৰা গহপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভা গৃহত অনুষ্ঠিত হয়। গহপুৰ কবি কাননৰ সভানেত্ৰী নিকুঞ্জ কোঁৱৰ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভা খনৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে সামগ্ৰিক ভাৱে আঁত ধৰে গহপুৰ কবি কাননৰ সম্পাদক বীৰেন কাথ হাজৰিকাই। বিশিষ্ট লেখক তথা ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দিগন্ত গোহাঁইয়ে শুভ উদ্বোধন কৰা সভা খনত শশীপ্ৰভা বৰুৱা, পুষ্প হাজৰিকা, জৱাহৰলাল মিলি, সাৱিত্ৰী বৰুৱা, ড° বিপুল শইকীয়া, ড° মিতালী হাজৰিকা, দিগন্ত গোহাঁইসহ কুৰিৰো অধিক কবিয়ে স্বৰচিত কবিতা পাঠ কৰে। পৰৱৰ্তী কাৰ্য্যসূচী অনুসৰি সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় সমিতিয়ে প্ৰেৰণ কৰা "ব'হাগী বৰণ"ৰ আটকধুনীয়া সম্বৰ্ধনা পত্ৰ প্ৰদান কৰা হয় চাৰি গৰাকী বিশিষ্ট কবি ক্ৰমে ড° বিপুল শইকীয়া, ড° মিতালী হাজৰিকা, মঞ্জুমণি শইকীয়া আৰু অনন্ত শইকীয়াক। কবি চাৰি গৰাকীক গহপুৰ কবি কাননৰ তৰফৰ পৰাও চেলেং আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ পিছতে গহপুৰ কবি কাননৰ বাৰ্ষিক অধিবেশন অনুষ্ঠিত কৰাৰ সন্দৰ্ভত আলোচনা কৰি অহা ৫ জুলাইত দিনজোৰা কাৰ্যসূচীৰে অধিবেশন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভা খনত বাৰ্ষিক অধিবেশনৰ লগত সংগতি ৰাখি গহপুৰ কবি কাননৰ মুখপত্ৰ "ৰূপহী পাৰৰ কবিতা"ৰ বিশেষ সংখ্যা প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে ড° বিপুল শইকীয়াক সম্পাদনাৰ দায়িত্ব অৰ্পণ কৰা হয়। গহপুৰৰ বিশিষ্ট সংগীত শিল্পী লীলা তিমচিনাই এটি গীত পৰিৱেশন কৰি সভাখন সজীৱ কৰি তোলে। গহপুৰ কবি কাননৰ মুখ্য উপদেষ্টা, কবি নগেন কোঁৱৰ আৰু বিশিষ্ট লেখিকা তথা গহপুৰ কবি কাননৰ প্ৰাক্তন সভানেত্ৰী সবিতা কোঁৱৰ, সুলেখিকা অঞ্জু দত্ত বৰাই সাংগঠনিক দিশত চমু বক্তব্য প্ৰদান কৰা গাম্ভীৰ্যপূৰ্ণ সভা খনত কবি বিদ্যা গগৈ দাস, অসীম হাজৰিকা, খগেন বৰা, গোপাল নেৱাৰসহ একাধিক গণ্য মান্য ব্যক্তি উপস্থিত থাকে। সম্বৰ্ধিত ব্যক্তি সকলৰ তৰফৰ পৰা কৃতজ্ঞতা সূচক চমু বক্তব্য প্ৰদান কৰি ড° বিপুল শইকীয়া আৰু ড° মিতালী হাজৰিকাই গহপুৰ কবি কাননৰ সক্ৰিয়তাৰ শলাগ লয়। শেষত কাব্যমন্ত্ৰ পাঠেৰে সভাৰ সফল সামৰণি ঘোষণা কৰা হয়।

# জন ভাগিদাৰী- "সবছে দূৰ, সবছে পেহলে" অভিযান উপলক্ষে শোণিতপুৰত জিলা পৰ্যায়ৰ দিকদৰ্শন কাৰ্যসূচী

**অসম বাৰ্তা, তেজপুৰ সদৰ, ১৯ মে' ঃ** আজি শোণিতপুৰ জিলাৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসৰ অধ্যক্ষতাত কেন্দ্ৰীয় চৰকাৰৰ জনজাতীয় পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনৰ "প্ৰধানমন্ত্ৰী জনজাতি আদিবাসী ন্যায় মহাঅভিযান" আৰু "ধৰতী আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযান"ৰ অধীনত আগন্তুক "জন ভাগিদাৰী- সবছে দূৰ, সবছে পেহলে" অভিযানৰ সন্দৰ্ভত জিলা পৰ্যায়ৰ দিকদৰ্শন তথা মুকলি কাৰ্যসূচী আয়ুক্ত কাৰ্যালয়ৰ ১নং সভাকক্ষত অনুষ্ঠিত হয়। সভাত ভাষণ দি জিলা আয়ুক্ত গৰাকীয়ে সকলো অংশীদাৰ বিভাগক এই অভিযানক চৰকাৰী জনকল্যাণমূলক আঁচনি আৰু প্ৰয়োজনীয় ৰাজহুৱা সেৱাসমূহ প্ৰতি গৰাকী হিতাধিকাৰীৰ ওচৰলৈ লৈ যোৱাৰ সুযোগ হিচাপে ব্যৱহাৰ কৰি চিনাক্ত কৰা জনজাতীয় গাঁওসমূহত ১০০ শতাংশ পৰিপূৰ্ণতা নিশ্চিত কৰিবলৈ আহ্বান জনায়। এই দিকদৰ্শন কাৰ্যসূচীৰ সময়ত ঢেকিয়াজুলিৰ সম-জিলা আয়ুক্ত তথা আইটিডিপি, তেজপুৰৰ প্ৰকল্প সঞ্চালক, মানস জ্যোতি নাথে ১৮ মে' ২০২৬ তাৰিখৰ পৰা ২৫ মে' ২০২৬ তাৰিখলৈ নিৰ্ধাৰিত ৮ দিনীয়াজন ভগিদাৰী অভিযানৰ বিশদ ৰোডমেপ আৰু কাৰ্যকৰী পৰিকল্পনা দাঙি ধৰে। সভাত কাৰ্য্যকৰী সময়সীমা, বিভাগীয় দায়িত্ব, সজাগতামূলক কাৰ্যকলাপ আৰু সমগ্ৰ জিলাখনতে ক্ষেত্ৰ পৰ্যায়ৰ ৰূপায়ণ কৌশল উপস্থাপন কৰা হয়। জানিব পৰা মতে, ২০টা চিনাক্তকৃত আদি সেৱা কেন্দ্ৰ (এ এছ কে)ৰ ভিতৰত ১৯ আৰু ২০ মে', ২০২৬ তাৰিখে দুটা পৰ্যায়ত দুয়োটা দিনতে ক্ৰমে পুৱা ১০:৩০ বজাত আৰু দুপৰীয়া ১:৩০ বজাত পাঁচটাকৈ শিবিৰৰ অভিযান চলোৱা হ'ব। চিনাক্ত কৰা আদি সেৱা কেন্দ্ৰসমূহৰ ভিতৰত আছে চপাই জিপি কাৰ্যালয়, বাতাচিপুৰ পুৰণি জিপি কাৰ্যালয়, মাজৰৌমাৰী জিপি কাৰ্যালয়, গড়মৰা জিপি কাৰ্যালয়, ভোটপাৰা জিপি কাৰ্যালয়, ভালুকমাৰী জিপি কাৰ্যালয়, ৰঙাজান জিপি কাৰ্যালয়, ঘোৰামাৰী জিপি কাৰ্যালয়, মানশিৰি জিপি কাৰ্যালয়, কলনী জিপি কাৰ্যালয়, নাহৰবাৰী জিপি কাৰ্যালয়, বামুণ পুখুৰী জিপি কাৰ্যালয়, চাৰিদুৱাৰ জিপি কাৰ্যালয়, পিৰাকাটা জিপি কাৰ্যালয়, পশ্চিম বৰগাওঁ জিপি কাৰ্যালয়, বৰগাঁও জিপি কাৰ্যালয়, পূব-বৰগাঁও জিপি কাৰ্যালয়, বান্দৰমাৰী জিপি কাৰ্যালয়, পশ্চিম মুঢ়াদল জিপি কাৰ্যালয় আৰু দক্ষিণ মুঢ়াদল জিপি কাৰ্যালয়। লগতে ২১ মে'ৰ পৰা ২৩ মে', ২০২৬ লৈ মুঠ ২০খন আদি সেৱা কেন্দ্ৰত একেলগেজন শুনৱাই (ৰাজহুৱা শুনানি) অনুষ্ঠিত কৰা হ'ব, য'ত অভিযোগ নিষ্পত্তি, সেৱা পৰীক্ষণ আৰু জনমত গ্ৰহণৰ ব্যৱস্থা কৰা হ'ব। এই অভিযানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, গ্ৰাম্য উন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, মহিলা আৰু শিশু উন্নয়ন, কৃষি, শিক্ষা, এপিডিচিএল আদি বিভাগসমূহে সমন্বিতভাৱে অংশগ্ৰহণ কৰি বিভিন্ন জনকল্যাণমূলক আঁচনিৰ পৰিপূৰ্ণতা আৰু সজাগতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰিব বুলি প্ৰকাশ কৰে। সভাত অতিৰিক্ত জিলা আয়ুক্তদ্বয় ত্ৰিদিব ৰয়, জেমছ আইণ্ড, চক্ৰ বিষয়া সকল, স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক, খণ্ড উন্নয়ন বিষয়া সকল', জিলা তথ্য আৰু জনসংযোগ বিষয়া', জনস্বাস্থ্য কাৰিকৰী, মহিলা আৰু শিশু উন্নয়ন, কৃষি, এপিডিচিএল, এছএছএকে ধৰি অন্যান্য সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

## পূব গোলাঘাট সন্মিলিত যুৱ মঞ্চৰ উদ্যোগত ধোদৰ আলিৰ কাষত গছপুলি ৰোপণ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৯ মে' ঃ** গোলাঘাটৰ অন্যতম সামাজিক, সাংস্কৃতিক অনুষ্ঠান 'পূব গোলাঘাট সন্মিলিত যুৱ মঞ্চ'ই বিগত ২০১৬ চনৰ পৰা বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। এই বাৰো কালি ঐতিহ্যমণ্ডিত ধোদৰ আলিৰ কাষত গছপুলি ৰোপণ কাৰ্যসূচী গ্ৰহণ কৰে। কৃষ্ণচূড়া, ৰাধাচূড়া, নাহৰ, এজাৰ, সোণাৰু, চিৰিচ, ৰেইন ট্ৰী, জামু আদিকে কৰি বিভিন্ন ধৰণৰ গছপুলি হামদৈ পুলৰ পৰা ১.৫০ কিঃমিঃ ধোদৰ আলিৰ দুয়ো কাষে প্ৰায় ২০০ গছপুলি ৰোপণ কৰে। আৰম্ভণিতে অনুষ্ঠিত কৰা মনজিৎ ৰাজবংশীয়ে আঁত ধৰা আৰু অনুষ্ঠানৰ অন্যতম উপদেষ্টা পূৰ্ণ শইকীয়াই শলাগৰ শৰাই আগবঢ়োৱা সভাত অঞ্চলটোৰ জ্যেষ্ঠ ব্যক্তি ক্ৰমে ৰেৱকান্ত শইকীয়া, নীলপদ্ম আচাৰ্য, বিপুল ঠাকুৰ, দণ্ড গগৈ, প্ৰৱীন শৰ্মা, হামদৈ পুল সমন্বয় মঞ্চৰ সভাপতি মণি উল্লা, সম্পাদক প্ৰবীন শৰ্মা, গোলাঘাট গাওঁ পঞ্চায়তৰ সভাপতি লোহিত গগৈ, সমাজকৰ্মী মদন বৰা, যুৱ সাংবাদিক প্ৰিয়ম জ্যোতি দাসৰ লগতে পূব গোলাঘাট সন্মিলিত যুৱ মঞ্চৰ সভাপতি সঞ্জীৱ কুমাৰ বৰদলৈ, কাৰ্যকৰী সভাপতি প্ৰৱীন হাজৰিকা, কোষাধক্ষ্য পলাশ গোস্বামী উপস্থিত হৈ ব্যক্তব্য আগবঢ়ায়। উল্লেখযোগ্য যে অনুষ্ঠানটোৱে ২০১৭ চনত এইবাৰৰ দৰেই ধোদৰ আলিৰ কাষে কাষে একে ধৰণৰ গছপুলি ৰোপণ কৰিছিল যদিও ধোদৰ আলি সম্প্ৰসাৰণ আৰু বহলিকৰণৰ বাবে সকলো গছপুলি কটা গৈছিল। সমগ্ৰ অনুষ্ঠানটোত উপস্থিত থাকি সাফল্যমণ্ডিত কৰাৰ বাবে পূব গোলাঘাট সন্মিলিত যুৱ মঞ্চৰ সম্পাদক উত্তম বৰাই সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

ঘটনাস্থলীত বিধায়ক কমলাক্ষ দে'পুৰকায়স্থ; পৰিদৰ্শন জিলা আয়ুক্ত অভিষেক জৈনৰ

## পাঁচগ্ৰাম ঠাণ্ডাপুৰ শ্ৰীশ্ৰী সিদ্ধেশ্বৰ শিৱ মন্দিৰ (কপিলাশ্ৰম)ত ভয়ংকৰ নদীভাঙন

**অসম বাৰ্তা, কাটিগড়া, ১৯ মে' ঃ** ঐতিহাসিক আৰু ধৰ্মীয় গুৰুত্বসম্পন্ন শ্ৰীশ্ৰী সিদ্ধেশ্বৰ শিৱ মন্দিৰ (কপিলাশ্ৰম) সংলগ্ন বৰাক নদীত ভয়ংকৰ নদীভাঙনৰ ফলত অঞ্চলজুৰি আতংকৰ সৃষ্টি হৈছে। যোৱা কেইবাদিন ধৰি হোৱা অবিৰাম বৰষুণ আৰু নদীৰ পানীৰ স্তৰ বৃদ্ধি পোৱাৰ ফলত মন্দিৰ সংলগ্ন অঞ্চলত ভয়াবহ খহনীয়াৰ সৃষ্টি হৈছে। ইতিমধ্যে মন্দিৰ চৌহদৰ এটা পকা বাথৰুম সম্পূৰ্ণৰূপে নদীগৰ্ভত বিলীন হৈছে। লগতে এটা ভৱনৰ বাৰাণ্ডাও নদীত তল গৈছে। প্ৰায় ২০০ মিটাৰ এলেকাজুৰি বাঁহঝাৰ, কদম গছসহ বহু গছ-গছনি নদীৰ গৰ্ভত বিলীন হোৱা ঘটনাই স্থানীয় বাসিন্দা আৰু ভক্তসকলৰ মাজত গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। স্থানীয়সকলৰ আশংকা, শীঘ্ৰে কাৰ্যকৰী ভাঙন প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ নকৰিলে আগন্তুক দিনত মন্দিৰৰ অধিক গুৰুত্বপূৰ্ণ অংশও নদীগৰ্ভত বিলীন হোৱাৰ সম্ভাৱনা আছে। এই পৰিস্থিতিৰ খবৰ পাই ঘটনাস্থলত উপস্থিত হয় কাটিগড়াৰ নৱনিৰ্বাচিত বিধায়ক কমলাক্ষ দে'পুৰকায়স্থ। তেওঁ ক্ষতিগ্ৰস্ত এলেকা পৰিদৰ্শন কৰি মন্দিৰ পৰিচালনা সমিতিৰ সদস্যসকলৰ সৈতে আলোচনা কৰে আৰু পৰিস্থিতিৰ বুজ লয়। এই সময়ত তেওঁৰ সৈতে উপস্থিত আছিল মন্দিৰ সমিতিৰ সাধাৰণ সম্পাদক সুজন কুমাৰ ভট্টাচাৰ্য, পাঁচগ্ৰাম জিপিৰ সভাপতি হীৰালাল দাস, পাঁচগ্ৰাম বদৰপুৰ মণ্ডল এছি মোৰ্চাৰ সভাপতি বিক্ৰমজিৎ দাস, সুৰজিৎ সেন, নিখিল চন্দ্ৰ দে, হিমাংশু পাল, তাপস দাশগুপ্ত, সঞ্জয় কুমাৰ দাস, মুন্না দাস, স্বপন কুমাৰ ভট্টাচাৰ্য, চিৰঞ্জিত দাস, এছি মোৰ্চাৰ সাধাৰণ সম্পাদক শচীন্দ্ৰ দাস, নাৰায়ণ চন্দ্ৰ দেব, আৰু মন্দিৰৰ প্ৰচাৰ সম্পাদক শমীন্দ্ৰ পাল প্ৰমুখ। ইফালে, ৰবিবাৰে ভাঙনস্থল পৰিদৰ্শন কৰে হাইলাকান্দি জিলাৰ জিলা আয়ুক্ত অভিষেক জৈনে। তেওঁৰ সৈতে আছিল কাটিগড়া ছাৰ্কল মেজিষ্ট্ৰেট, আলগাপুৰ ছাৰ্কল মেজিষ্ট্ৰেট, জলসম্পদ বিভাগৰ আধিকাৰিক, আৰু এনএফ ৰে'লৱেৰ বিভাগীয় আধিকাৰিকসকল। জিলা আয়ুক্তই ভাঙন কবলিত অঞ্চল পৰিদৰ্শন কৰি তৎকালীনভাৱে ভাঙন ৰোধৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। প্ৰশাসনৰ তৎপৰতাত ইতিমধ্যে প্ৰাথমিকভাৱে ভাঙন প্ৰতিৰোধৰ কাম আৰম্ভ হোৱা বুলি জানিব পৰা গৈছে। মন্দিৰ সমিতিৰ সাধাৰণ সম্পাদক সুজন কুমাৰ ভট্টাচাৰ্যই মন্দিৰৰ চলি থকা নিৰ্মাণকাৰ্যৰ বাবে সকলোৰে সহায়-সহযোগিতা কামনা কৰিছে। ধৰ্মীয়, ঐতিহাসিক আৰু সামাজিক দিশত অতি গুৰুত্বপূৰ্ণ সিদ্ধেশ্বৰ শিৱ মন্দিৰ (কপিলাশ্ৰম) এতিয়া ভয়ংকৰ নদীভাঙনৰ সন্মুখীন। স্থানীয় ৰাইজৰ একমাত্ৰ দাবী- দ্ৰুত স্থায়ী ভাঙন ৰোধৰ ব্যৱস্থা গ্ৰহণ কৰি এই ঐতিহ্যমণ্ডিত তীৰ্থস্থানক সুৰক্ষিত কৰা হওক।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন